# সাপটগ্রাম মহাবিদ্যালয় আলোচনী

বার্ষিক পত্রিকা ।। ২০২১-২২ বর্ষ



তত্ত্বাবধায়ক

বুলেন চুতীয়া

লেখিকা গগৈ

# সম্পাদনা সমিতি



ড° ৰাজেশ্বৰ প্ৰসাদ সিং
মুখ্য উপদেষ্টা



বুলেন চুতীয়া
তত্বাৱধায়ক



লেখিকা গগৈ
তত্বাৱধায়ক



অৱনীকান্ত অধিকাৰী
উপদেষ্টা



ড° আব্দুল বাতেন মণ্ডল
উপদেষ্টা



মহাবুল হক চৌধুৰী
উপদেষ্টা



অৰগেং নাৰ্জাৰী
শিক্ষক সদস্য



ড° কৃষ্ণকান্ত ৰয়
শিক্ষক সদস্য



ড° মুনমুন বেনাৰ্জী
শিক্ষক সদস্য



ড° হাবিব ফজলুল বাচিদ
শিক্ষক সদস্য



স্মৃতিৰেখা বৰ্মন
শিক্ষক সদস্য



ড° ৰণচাই বসুমতাৰী
শিক্ষক সদস্য



ড° যুথিকা দাস
শিক্ষক সদস্য



চিন্ময় প্ৰকাশ ৰয়
সদস্য



মণিৰা আখতাৰ
সদস্য



প্ৰিয়া সাহা
সদস্য



জয়শ্ৰী সৰকাৰ
সদস্য



হেমাশ্ৰী ৰয়
সদস্য



কাননবালা ৰয়
সদস্য




সন্মানীয় অধ্যক্ষ

ড° ৰাজেশ্বৰ প্ৰসাদ সিং




অধ্যক্ষৰ সৈতে মহাবিদ্যালয়ৰ শিক্ষকসকলৰ একাংশ



অধ্যক্ষৰ সৈতে শিক্ষক আৰু তৃতীয়-চতুৰ্থ বৰ্গৰ কৰ্মচাৰীসকল



অধ্যক্ষৰ সৈতে মহাবিদ্যালয়ৰ শিক্ষক আৰু ছাত্ৰ-ছাত্ৰীসকল




অসমীয়া বিভাগৰ মুৰব্বী আৰু 'বিহু অধ্যয়ন' শীৰ্ষক চাৰ্টিফিকেট পাঠ্যক্ৰমৰ সমন্বয়কৰ সৈতে শিক্ষাৰ্থীসকল




Centre for Incubation, Innovation & Entrepreneurship ৰ উদ্বোধনী অনুষ্ঠানৰ দৃশ্য




ছাত্ৰ-ছাত্ৰীসকলৰ দেৱাল অংকণ




মহাবিদ্যালয়ত আয়োজিত গ্ৰন্থমেলা




মহাবিদ্যালয়ৰ গ্ৰন্থাগাৰ



ছাত্ৰীসকলে পৰিবেশন কৰা জেং বিহু



ছাত্ৰ-ছাত্ৰীসকলৰ দ্বাৰা গোৱালপৰীয়া লোকনৃত্য পৰিবেশন

# সাপটগ্ৰাম মহাবিদ্যালয় আলোচনী

বাৰ্ষিক মুখপত্ৰ।। ২০২১-২২

তত্ত্বাৱধায়ক

**বুলেন চুতীয়া ।। লেখিকা গগৈ**




SAPATGRAM COLLEGE MAGAZINE
Annual Magazine of Sapatgram College, In-charge Bulen Chutia & Lekhika Gogoi, Printed at Palki, Lakhimpur, 787031, Session : 2021-22

## সম্পাদনা সমিতি

**মুখ্য উপদেষ্টা** ঃ ড° ৰাজেশ্বৰ প্ৰসাদ সিং

**উপদেষ্টা** ঃ অৰনীকান্ত অধিকাৰী
ড° আব্দুল বাতেন মণ্ডল
মহাবুল হক চৌধুৰী

**তত্ত্বাৱধায়ক** ঃ বুলেন চুতীয়া
লেখিকা গগৈ

**শিক্ষক সদস্য** ঃ অৰগেং নাৰ্জাৰী
ড° কৃষ্ণকান্ত ৰয়
ড° মুনমুন বেনাৰ্জী
ড° হাবিব ফজলুল বাচিদ
স্মৃতিৰেখা বৰ্মন
ড° ৰণচাই বসুমতাৰী
ড° যুথিকা দাস

**সদস্য** ঃ চিন্ময় প্ৰকাশ ৰয়
মণিৰা আখতাৰ
প্ৰিয়া সাহা
জয়শ্ৰী সৰকাৰ
হেমাশ্ৰী ৰয়
কাননবালা ৰয়

**প্ৰচ্ছদ/অংগসজ্জা** ঃ অৰূপ কোঁৱৰ

**মুদ্ৰণ** ঃ পাল্কী, নৰ্থ লখিমপুৰ কলেজ চাৰিআলি,
খেলমাটি-৭৮৭০৩১
দূৰভাষ ঃ ৯৪৩৫৮৫৫৫৮৭, ৮৪৭২০৮৭৪১২

# *Message from*
# *Principal*



*It gives me immense pleasure that Sapatgram College Magazine for the Session 2021-22 is about to be published. The annual magazine of a college is the best platform to express the creative thoughts accumulated in the hearts and minds especially of the students along with teachers and non-teaching staff.*

*It is in the pages of a magazine that the works of budding writers get blossomed and the works of the veterans achieve a good deal of maturity. Therefore, the magazine of any educational institution is an essential part of the literary field. I hope that under supervision of Mr. Bulen Chutia and Lekhika Gogoi this issue will emerge as a comprehensively beautiful and remarkable one. I am sure that the readers will get benefitted from reading this issue.*

*Finally, I would like to extend my best wishes and congratulations to the Editorial Board, contributors, the student members, all the members of the college fraternity and all the admirers of art and literature actively involved in the magazine.*



*(Dr. Rajeshwar Prasad Singh)*
*Principal*
*Sapatgram College*
*Sapatgram, Dhubri, Assam, 783337*

# তত্ত্বাৱধায়কৰ একলম

মহাবিদ্যালয়ত অধ্যয়নৰত ছাত্ৰ-ছাত্ৰীসকলৰ সুপ্ত সাহিত্যিক প্ৰতিভা বিকাশৰ অন্যতম ক্ষেত্ৰখন হ'ল মহাবিদ্যালয়ৰ আলোচনী। আলোচনী এখন সম্পূৰ্ণ হোৱাত ছাত্ৰ-ছাত্ৰীসকলৰ লেখাসমূহেই মূল। বহু সময়ত লেখাৰ অভাৱত সময়মতে মহাবিদ্যালয়ৰ আলোচনীখনে প্ৰকাশৰ মুখ দেখাত থমকি ৰয়। উল্লেখনীয় যে, মহাবিদ্যালয়ৰ আলোচনী প্ৰকাশৰ আঁৰত সাহিত্য আৰু আলোচনী শাখাৰ সম্পাদকৰ একান্তই গুৰু দায়িত্ব থাকে। কিন্তু চলিত বৰ্ষত সাপটগ্ৰাম মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভা নথকাৰ হেতু আলোচনীৰ তত্ত্বাৱধায়কদ্বয়ে অতিৰিক্ত দায়িত্ব আৰু চাপ বহন কৰিবলগা হ'ল। তাতে আকৌ ছাত্ৰ-ছাত্ৰীসকলৰ লেখাৰ অভাৱ। যি কি নহওঁক, অৱশেষত বিভিন্ন কায়দাৰে ছাত্ৰ-ছাত্ৰীসকলৰ লেখা সংগ্ৰহ কৰি পাৰ্যমান চেষ্টাৰে আমাক দিয়া দায়িত্ব আগ্ৰহেৰে সমাপন কৰিলোঁ। এনে কামৰ যোগ্য বুলি ভাবি দায়িত্ব অৰ্পণ কৰা সাপটগ্ৰাম মহাবিদ্যালয়ৰ সন্মানীয় অধ্যক্ষ ড° ৰাজেশ্বৰ প্ৰসাদ সিং মহোদয়ক ধন্যবাদ জ্ঞাপন কৰিলোঁ।

আলোচনীখনৰ মূলধনস্বৰূপ তথা সৌষ্ঠৱ বৃদ্ধি কৰা লেখক ছাত্ৰ-ছাত্ৰীসকলক এই একলমৰ মাধ্যমেৰেই ধন্যবাদ আৰু শুভেচ্ছা জনালোঁ।

এই আলোচনীখনৰ বেটুপাতৰ কলাকৰ্ম, অংগসজ্জা, অলংকৰণ - এই সমস্তখিনিৰ আঁৰৰ ব্যক্তি লখিমপুৰৰ 'পাল্কি'ৰ স্বত্বাধিকাৰ অৰূপ কোঁৱৰদেৰৰ ওচৰত বিশেষভাৱে কৃতজ্ঞ হ'লো।

সদৌশেষত সাপটগ্ৰাম মহাবিদ্যালয়ৰ সাহিত্য-আলোচনীৰ সৰ্বাংগীন উৎকৰ্ষৰ লগতে মহাবিদ্যালয়ৰ উত্তৰোত্তৰ কামনা কৰি অনিচ্ছাকৃত ভুলৰ ক্ষমাপ্ৰাৰ্থী।

**বুলেন চুতীয়া, লেখিকা গগৈ**

তত্ত্বাৱধায়ক অধ্যাপক

সাপটগ্ৰাম মহাবিদ্যালয় আলোচনী

# সাপটগ্ৰাম মহাবিদ্যালয় আলোচনী

বাৰ্ষিক মুখপত্ৰ।। ২০২১-২২ বৰ্ষ

## সূ. চী. প. ত্ৰ


**তত্ত্বাৱধায়কৰ একলম**

- প্ৰ ব ন্ধ

সাপটগ্ৰাম অঞ্চলৰ কোচ-ৰাজবংশীসকলৰ উৎসৱ-পাৰ্ব্বন

**সুস্মিতা অধিকাৰী ।। ১**

সাপটগ্ৰাম অঞ্চলৰ বৃত্তিয়াল সম্প্ৰদায়

**ৰশ্মি বৰ্মন ।। ১২**

শিশুৰ অধিকাৰ আৰু ভাৰতবৰ্ষৰ আইনী ব্যৱস্থা ঃ এক পৰ্যালোচনা

**মণিৰা আখটাৰ, ৰেজাজুল হক, আশ্ৰাফুল ফকিৰ, ৰাহুল হক ।। ১৯**

অসম আৰক্ষীৰ ভূমিকা আৰু তাৎপৰ্য

**জয়দ্বীপ নাথ, চুলেমান আহমেদ ।। ২৬**

ৰবীন্দ্ৰ সৃষ্টিতে পৰিবেশ চিন্তা

**ড° চৈতালী ভৌমিক ।। ৩২**

Anti Defection Law and its effects on politics in India

**Moksedul Rahman, Rejaul Islam Laskar, Akanksha Roy** ।। ৩৬

সাপটগ্ৰাম অঞ্চলৰ কৃষি ব্যৱস্থা ঃ পৰম্পৰা আৰু পৰিৱৰ্তন

**অনামিকা বৰ্মন ।। ৪০**

সাপটগ্ৰাম অঞ্চলৰ মুছলমান সম্প্ৰদায়ৰ উৎসৱ-পাৰ্ব্বনৰ এক অধ্যয়ন

**খাদিজা বেগম ।। ৫১**

- গ্ৰ ন্থ আ লো চ না

সপোনৰ ডেউকা মেলি 'মোৰো এটা সপোন আছে'

**আমিৰ হামজা শ্বেইখ ।।৫৮**

- ক্ষে ত্ৰ ভি ত্তি ক অ ধ্য য় ন

বিষয় ঃ নাৰী সৱলীকৰণ

**মেহেৰুণ নেচা, চাৰমিলী আহমেদ, চামিনা বেগম, জিণ্টী মালাকাৰ, ছফিকুল ইছলাম, ৰশ্মি বৰ্মন, ৰাহুল মালী, জামাত আলী মণ্ডল।। ৬১**

Socio-economic Conditions of the People of Border Area of South Salmara-Mankachar District

**Dr. Abu Zafar Ahmed** ।। ৬৪

- ক বি তা

**সুলভ চন্দ্ৰ বৰ্মন, মীনাক্ষী কলিতা, স্বাগতম বৰ্মন, অজয় চন্দ্ৰ নাথ, জয়শ্ৰী সৰকাৰ, লিজা ৰায়, কুশল কুমাৰ দাস, পিণ্টু ৰায়,** Plabita Chanda, Motaleb Ali Pramanik, Kaushik Sarma, Sujaan Farhidee ।। ৬৯ - ৭৪

মা তুমি ক'ত আছা?

**স্বাগতম বৰ্মন ।। ৭৫**

- অ ণু গ ল্প

সাৰ্ভে

**বাপী চন্দ্ৰ দাস ।। ৭৬**

# সাপটগ্ৰাম অঞ্চলৰ কোচ-ৰাজবংশীসকলৰ উৎসৱ-পাৰ্বন

**সুস্মিতা অধিকাৰী**
স্নাতক ষষ্ঠ ষাণ্মাসিক, অসমীয়া বিভাগ

সাপটগ্ৰাম অঞ্চলৰ কোচ-ৰাজবংশী সমাজত জীৱন বৃত্তৰ লগত জড়িত কিছুমান উৎসৱ-অনুষ্ঠান আৰু নীতি-নিয়ম পৰম্পৰাগতভাৱে চলি অহা দেখা গৈছে। স্থানভেদে ইয়াৰ ভিন্নতা থাকিলেও ইয়াৰ মূলতে যে কৃষিভিত্তিক সমাজ লুকাই আছে সেয়া সহজে অনুমান কৰিব পাৰি।

কোচ-ৰাজবংশী সমাজত প্ৰচলিত বিভিন্ন উৎসৱ-অনুষ্ঠানৰ ভিতৰত কৃষিভিত্তিক উৎসৱ-অনুষ্ঠান, জন্মৰ লগত জড়িত অনুষ্ঠান, জন্মৰ পূৰ্বে বা জন্মৰ সময়ত পালন কৰা, জন্মৰ পিছত পালন কৰা উৎসৱ-অনুষ্ঠান, বিবাহ আৰু মৃত্যুৰ লগত জড়িত উৎসৱ-অনুষ্ঠান ৰাজবংশীসকলে অতীজৰে পৰা পৰম্পৰাগতভাৱে পালন কৰি আহিছে।

**সাপটগ্ৰাম অঞ্চলৰ কোচ-ৰাজবংশীসকলৰ কৃষিভিত্তিক উৎসৱ-অনুষ্ঠান ঃ**
**কৃষিকাৰ্যৰ আৰম্ভণি স্তৰত পালন কৰা উৎসৱ-অনুষ্ঠান ঃ**
**মুঠি লোৱা ঃ**

জেঠ মাহত শালিধানৰ খেতি কৰিবলৈ কঠীয়া পৰা হয়। এই কঠীয়া

পৰাৰ ক্ষেত্ৰত ভাল আৰু শুভ তিথিত ঘৰৰ যিজন মানুহৰ আয়-ব্যয় পঞ্জিকামতে ভাল থাকে তেখেতৰ দ্বাৰা কঠীয়া পৰাৰ প্ৰথম মুঠি পেলোৱা হয়। এই মুঠি পেলাওঁতে প্ৰথমতে বাঁওহাতেৰে তিনি মুঠা আৰু সোঁহাতেৰে চাৰি মুঠা ধান ছটিয়াব লাগে। মুঠি ছটিওৱাৰ আগতে সেই ঠাইখিনি তুলসী পানী ছটিয়াই শুদ্ধিকৰণ কৰি সেন্দুৰৰ ফোঁট দিব লাগে। ইয়াক মুঠি লোৱা বুলি কয়।

**• গোছা দিয়া ঃ**

কোচ-ৰাজবংশীসকলে শালিধানৰ খেতি কৰাৰ বাবে প্ৰথম দিনা কঠীয়া ৰোৱাকে গোছা দিয়া বুলি কয়। প্ৰথম গোছা লোৱাৰো কিছু নীতি-নিয়ম আছে। এই অনুষ্ঠান কৰোঁতে ৰাজবংশীসকলে কলৰ পুলি, কলা কচু আদি কঠীয়াৰ লগত বোকাত পুতি থৈ দিয়ে। ৰাজবংশীসকলে ভাল দিনবাৰ চাই গোছা দিয়াৰ নিয়মটো পালন কৰে। গোছা দিয়া মানুহজনে প্ৰথমে লখিমীৰ নামত ভক্তি কৰি কঠীয়া ৰোৱা আৰম্ভ কৰে।

**কৃষিকাৰ্য চলি থকা সময়ত পালন কৰা উৎসৱ-অনুষ্ঠান ঃ**

**• হুদুম পূজা ঃ**

ব'হাগ মাহৰ শেষৰ পৰা জেঠ মাহৰ যিকোনো মংগলবাৰ আৰু শনিবাৰে হুদুম পূজা কৰে। এই উৎসৱটো বৰষুণৰ কামনা কৰি কৰা হয়। এই পূজাটো কৰোঁতে কলগছৰ পুলি মাটিত পুতি পূজা কৰে। যি মাকৰ এটা সন্তান জন্মিছে সেই সন্তানেহে কলপুলি কাটিব পাৰে। সাতদিন আগৰ পৰাই সাত ঘৰৰ অবিবাহিতা ছোৱালীয়ে কুলা আৰু মাটি লৈ সাতঘৰৰ পানী জমা কৰি থয়। পূজাত ব্যৱহাৰ কৰা কিছুমান বস্তুৰ নাম যেনে, সাতবাৰী মাগনেৰ বুঢ়ীসূতা, মকৰা জাল, কলগছ, শিষ নথকা নাৰিকল,



১৬ টা কল, সেন্দুৰ ঘট, ফল, গাখীৰ, আতোপ চাউল, কলপাত, চাকি, আমৰ পলহ, ফুল আদিৰ প্ৰয়োজন হয়। এই পূজা বৰষুণ নোহোৱালৈকে চলি থাকে। তিৰোতাসকলে গোটেই ৰাতি গীত-নৃত্য কৰি হুদুম দেওৰ ওচৰত বৰষুণৰ কাৰণে প্ৰাৰ্থনা কৰে।

**• কাতিপূজা ঃ**

কাতি পূজা কাতি আৰু আঘোণ মাহত পতা হয়। এই পূজাটো কোনো এজন লোকৰ ঘৰত পতা হয়। মানুহ আৰু শস্যৰ বংশ বৃদ্ধি কৰাৰ বাবে এই পূজা কৰে। কাতিমূৰ্তি মাটি আৰু কুহিলাৰে তৈয়াৰ কৰে, মূৰ্তিটোত এখন হাতত ধনু আৰু আনখন হাতত কাঁড় থাকে। কাতিপূজা কেৱল মহিলাসকলে কৰে, কোনো পুৰুষে এই পূজা চাব নোৱাৰে। পূজাৰ দিনা চোতালত এটা মণ্ডপ সজোৱা হয় আৰু মণ্ডপটোৰ ভিতৰত কাতিৰ মূৰ্তিটো স্থাপন কৰে। এই পূজাত মাটিৰ ঘটত এযোৰ তামোল-পান দি কলপুলিৰ গুৰিত দিয়ে। যিসকল মহিলাই খেতি ভাল হোৱাৰ কাৰণে মানস কৰে, তেওঁলোকে এটা এটা ঘটত সেন্দুৰ লগাই ঘটৰ মুখত আমৰ পলহ আৰু ধনু ৰাখে। আৰু সকলোৱে মানস কৰা অনুযায়ী শাৰি পাতি পূজা কৰে।

**কৃষিকাৰ্যৰ সামৰণি স্তৰত পালন কৰা উৎসৱ-অনুষ্ঠান ঃ**

**• নেয়া খোৱা ঃ**

ৰাজবংশীসকলে আঘোণ মাহৰ এটা শুভ দিনত পৰিয়ালৰ সকলোৱে মিলি ধাননি পথাৰত লক্ষী দেৱীৰ পূজা-অৰ্চনা কৰি সন্ধিয়া ভাগত নতুন ধানৰ চাউল অলপ উলিয়াই আন চাউলৰ লগত মিহলি কৰি ৰান্ধি ৰাইজে মিলি ‘নেয়া’ খায়। আৰু কিছুমান আগ অনাৰ সময়ত তিনি মুঠা ধান কাটি থৈ ধাননিত শুকাবলৈ দি থৈ আহে তাক আনি চাউল উলিয়াই দেৱ-দেৱীক পূজা-অৰ্চনা দি ৰাইজৰ কিছুমান মানুহক লৈ সন্ধিয়া ভাগত ভোজভাত খায়। আৰু ইয়াকে ‘নেয়া খোৱা’ বুলি কয়।

**সাপটগ্ৰাম অঞ্চলৰ কোচ-ৰাজবংশীসকলৰ ধৰ্মীয় উৎসৱ-অনুষ্ঠান ঃ**

**দেৱ-দেৱীৰ লগত জড়িত ধৰ্মীয় অনুষ্ঠান ঃ**

**• মনসা পূজা ঃ**

ধৰ্মীয় অনুষ্ঠান হিচাপে শ্ৰাৱণ আৰু ভাদ মাহৰ সংক্ৰান্তিৰ দিনা মনসা দেৱীৰ পূজা কৰে। মনসা দেৱীক ৰাজবংশীসকলে মাৰৈ পূজা, বিষহৰি পূজা বুলিও কয়। মাটিৰ বা শোলাৰ (কুঁহিলা) মূৰ্তি বনাই এই দেৱীক পূজা কৰা হয়। মূৰ্তিটো কলপাতৰ ওপৰত চোতালত থৈ দিয়ে। পিছত ঘৰৰ মানুহে ফুল, দুবৰি বন, পাণ, চাউল, ধূপ-ধূনা আদিৰে আৰতি কৰি মালা পিন্ধাই মন্দিৰৰ আসনত বহুৱায়। পিছত ব্ৰাহ্মণে আহি পূজাকৰ্ম সম্পূৰ্ণ কৰে। সাধাৰণতে এই পূজাটো তিনিদিনীয়াকৈ পতা হয় আৰু মাৰৈ গান গোৱা হয়।

শ্ৰাৱণ মাহৰ সংক্ৰান্তিৰ দিনা মনসা মন্দিৰ অথবা কোনো ব্যক্তিৰ ঘৰত এই মাৰৈ গান অনুষ্ঠিত হয়। কেতিয়াবা ৰাজবংশী পৰিয়ালৰ ল’ৰাৰ বিয়াৰ অধিবাসৰ দিনা আৰম্ভ কৰি ল’ৰাই বিয়া কৰাই কইনাসহ ঘূৰি নহালৈকে এই গান চলি থাকে। মাৰৈ গানত গীত-নৃত্য আৰু অভিনয় কৰে। গানৰ কাহিনী বিশাল। গীত-নৃত্য কৰা লোকসকলৰ ওচৰত গানৰ লগত জড়িত যন্ত্ৰ, শিল্পী, ভাওৰীয়া, ছুকুৰী আদি থাকে। গান আৰম্ভ হোৱাৰ সময়ত মূল মানুহজনৰ হাতত ‘চোঁৰৰ’ থাকে। গীতত খোল, দোতাৰা, বাঁহী, হাৰমনিয়াম আদিৰ ব্যৱহাৰ কৰা দেখা যায়। মনসা পূজাৰ লগত জড়িত গান—

*‘শুনেক শুনেক ওহে চান্দো ওহে সদাগৰ।*
*ওলাও যদি বাচিবাৰ চাইস তুই মোৰে পূজা কৰ।।*
*ওহে চান্দো সদাগৰ।’*

**• বাশপূজা ঃ**

সাপটগ্ৰাম অঞ্চলৰ জনজাতীয় জীৱনত বাঁহ এবিধ অধিক প্ৰয়োজনীয় প্ৰকৃতিৰ দান বুলি ক'ব পাৰি। কোচ-ৰাজবংশীসকলৰ জীৱন ধাৰণৰ ক্ষেত্ৰত বাঁহৰ প্ৰয়োজন অধিক। বাঁহ তেওঁলোকৰ ধৰ্মীয় পৰম্পৰাৰ লগত ঘনিষ্ঠভাৱে জড়িত হৈ আছে।

ৰাজবংশীসকলে মদন কাম দেৱতাক বাঁহ হিচাপে পূজা কৰে। আগৰ মানুহবিলাকে স্তম্ভ অথবা তেনে কোনো সমান ওখ বস্তুক যেনে বাঁশ, পৰ্বতৰ চূড়া ইত্যাদি বস্তুক পুৰুষত্বৰ প্ৰতীক বুলি ভাবিছিল। আনহাতে গুহা, হ্ৰদ, নদী আদি গভীৰতা থকা বস্তুবোৰক নাৰীত্বসূচক প্ৰতীক বুলি জ্ঞান কৰিছিল। সেইসূত্ৰে মদন কামনাৰ দেৱতা ৰাজবংশীসকলৰ মাজত বাঁহৰ মাজেৰে উপাস্য হৈ উঠিছে আৰু অধিষ্ঠাতা হিচাপে প্ৰতিষ্ঠা লাভ কৰে। মদনকাম উৎসৱ বা বাঁশপূজা সুদীৰ্ঘ কালৰ পৰা কোচ-ৰাজবংশী সমাজত পৰম্পৰাৰে চলি আছে।

**• বিযুৱা ঃ**

বিহু অসমৰ প্ৰাণ, অসমীয়াৰ মান বুলি কোৱা হয়। তেনেদৰে কোচ ৰাজবংশীসকলৰ মাজত প্ৰচলিত এটি উৎসৱ হ'ল বিযুৱা।

চ'ত আৰু ব'হাগ মাহৰ সংক্ৰান্তিৰ দিনৰ পৰা আৰম্ভ হৈ সাত দিনলৈকে চলি থাকে। ৰাজবংশীসকলে ইয়াক সাত বিযুৱা বুলি কয়। বিযুৱাৰ দিনটোত কোচ-ৰাজবংশীসকলে বিভিন্ন ধৰণৰ উৎসৱ পালন কৰে। বিযুৱাৰ আগদিনাখন যোগাৰ কৰি থোৱা কেইজোপামান বনৰ ঔষধ গছ-লতা, বনৰ এটা এটাকৈ থোপা সজাই লয় আৰু বিযুৱাৰ দিনা পুৱাতেই উঠি ঘৰ, কুঁৱাৰ পাৰ, গোহালি, তাঁতশাল, ধানভঁৰাল, মন্দিৰ আদিত গুজি দিয়ে। ইয়াৰ পিছত নাৰীসকলে গৃহস্থৰ মংগলৰ বাবে বিষজল ছটিয়ায়। গা-ধোৱাৰ আগতে ঘৰৰ মানুহবোৰে বিভিন্ন ধৰণৰ পাত ব্যৱহাৰ কৰে। যেনে- বিষঢেকীয়া পাত, ধুতুৰাৰ পাত, নিমপাত, বাঁহৰ পাত, সুলটিয়া পাত আদি পানীত ডুবাই থৈ দিয়ে, পিছত সেই পানী ঘৰ-দুৱাৰত ছটিয়াই দিয়ে। মানুহেও স্নান কৰাৰ আগত শৰীৰত বিষপানী ছটিয়ায়। ৰাতিপুৱা জলপান খোৱাৰ আগত নিমপাত, আনাৰসৰ পাত, কেঁচা হালধি আৰু তিতা একেলগ কৰি ৰস উলিয়াই পৰিয়ালৰ সকলোৱে খায়। এই দিন 'আটকাৰাই' বনোৱা হয়, মহিলাসকলে বিযুৱাৰ দিনটোত সাতবিধ শাক তোলে। শাকতোলাৰ সময়ত বিভিন্ন ধৰণৰ গান গায়। যেনে—

*'আইসৰে ভেংৰী গুলা*
*শাক তুলিবাৰ যাই।*
*শাক তলিতে শাক তুলিতে*
*মামা বাৰি যাই।।*
*মামা হৰেৰ আমেৰ গাছ*
*আম ঝুম ঝুম কৰে।*
*একটা আম গুতা দিলে*
*দশটা আম পৰে।।'*

**মংগল কামনা কৰি পালন কৰা উৎসৱ-অনুষ্ঠান ঃ**

**• সুৱচনী পূজা ঃ**

সুৱচনী পূজা ৰাজবংশীসকলৰ বিশেষ পূজা। বিশেষকৈ এই পূজা ৰাজবংশী নাৰীসমাজত বিশেষ ভাবে গুৰুত্বপূৰ্ণ। সুৱচনী শব্দৰ অৰ্থ হ'ল, সু-ভাল আৰু বচন-কথা। অৰ্থাৎ যি দেৱীৰ প্ৰতিটো কথা শুভ বা মংগলময় সেই দেৱীক সুৱচনী দেৱী বুলি কোৱা হয়। কোনো কোনোৱে এই দেৱীক শুভচণ্ডীৰ ৰূপ হিচাপে গণ্য কৰে।

কোনো শুভ কামৰ আগত বা কোনো বিপদৰ পৰা উদ্ধাৰ পাবৰ কাৰণে এই দেৱীৰ নামত ব্ৰত ৰখা হয়। ৰাজবংশী সমাজত বিয়া-বাৰুৰ ক্ষেত্ৰত সুৱচনী পূজা কৰে আৰু তাৰ পিছতহে বিয়াৰ আন আন নিয়মবিলাক এটাৰ পিছত আনটো কৰা হয়।

সুৰচনী পূজা কৰিলে কোনো কামত বাধা-বিঘিনী বা অমংগল নহয় বুলি বিশ্বাস।

**সাপটগ্ৰাম অঞ্চলৰ কোচ-ৰাজবংশীসকলৰ জীৱন বৃত্তৰ লগত জড়িত উৎসৱ-অনুষ্ঠান ঃ**

**জন্মৰ পূৰ্বে বা জন্মৰ সময়ত পালন কৰা উৎসৱ-অনুষ্ঠান ঃ**

**• পঞ্চামৃত ঃ**

এগৰাকী গৰ্ভৱতী নাৰীক গৰ্ভধাৰণৰ প্ৰথম পাঁচ মাহত এটা নিয়ম পালন কৰা হয় আৰু এই নিয়মটোক পঞ্চামৃত খোৱা বুলি কোৱা হয়। শুভ দিন-বাৰ চাই এই নিয়মটো কৰা হয়। কোচ-ৰাজবংশীসকলে এই নিয়মটো মাকৰ ঘৰত কৰে, এই উৎসৱটো অকল মহিলাই আয়োজন কৰে। গৰ্ভৱতী মহিলাগৰাকীক এখন পীৰাত বহিবলৈ দিয়ে, তাৰ পিছত কলপাতৰ ওপৰত এটা বাতিত গাখীৰ, দৈ, মধু, ঘিঁউ, চেনী মিহলাই পঞ্চামৃত খুওৱা হয় আৰু লগতে পাঁচবিধ গোটা ফল দিয়া হয়। ঘৰৰ পৰিস্থিতি অনুযায়ী বহুতো ধৰণৰ খোৱা বস্তু খুৱায়। গৰ্ভৱতী মহিলাগৰাকীয়ে নতুন বস্ত্ৰ পিন্ধি পঞ্চামৃত খোৱাৰ নিয়মটো পালন কৰিব লাগে। নিমন্ত্ৰণ জনোৱা অতিথিসকল গৰ্ভৱতী মহিলাগৰাকীক কেন্দ্ৰ কৰি দান কৰি আশীৰ্বাদ দিয়ে। এই নিয়মটো কৰিলে হ'বলগীয়া শিশুটোৰ সুস্বাস্থ্যবান হয় বুলি ৰাজবংশী সমাজত বিশ্বাস আছে।

**• সাধ খুওৱা ঃ**

পাঁচ মাহত পঞ্চামৃত খুওৱাৰ পিছত সাত মাহত 'সাধ খোৱা' নিয়ম পালন কৰে। এই অনুষ্ঠানটো গৰ্ভৱতী মহিলাৰ বাপেকৰ ঘৰত পতা নিয়ম কিন্তু এতিয়া দুয়ো ঘৰতে এই নিয়ম পতা দেখিবলৈ পোৱা যায়। গৰ্ভৱতী মহিলাগৰাকী বাপেকৰ ঘৰলৈ অহাত অক্ষম হ'লে তেতিয়া বাপেকৰ ঘৰৰ পৰা পাঁচ বা সাতগৰাকী সধবা মহিলাই চাউল, গাখীৰ, পিঠা, চেনী, মাছ-মাংস, ৰঙাপাৰী থকা শাৰী এখন, সেন্দুৰ আদি লৈ কোনো এটি শুভ দিনত গৰ্ভৱতী মহিলাগৰাকীক গিৰীয়েকৰ ঘৰত গৈ 'সাধ' খুৱায়। 'সাধ' খোৱাৰ সময়ত কোঠালীৰ দুৱাৰ বন্ধ কৰে আৰু কোনো পুৰুষ বা ল'ৰা-ছোৱালীক কোঠালীত প্ৰৱেশ কৰিবলৈ দিয়া নহয়। বিধবা, সন্তানহীন বা প্ৰথম সন্তানৰ মৃত্যু হোৱা মহিলাই 'সাধ' খোৱা অনুষ্ঠানত অংশ গ্ৰহণ কৰিব নোৱাৰে। 'সাধ' নুখুৱালে গৰ্ভৱতী মহিলাগৰাকীৰ কোনো বস্তু বা খাদ্য সামগ্ৰীৰ প্ৰতি হাবিয়াস থাকি গ'লে সন্তানটিৰ লেলাউটি ওলাই থাকে বুলি কোচ-ৰাজবংশী সমাজত বিশ্বাস প্ৰচলিত আছে।

**জন্মৰ পাছত পালন কৰা উৎসৱ-অনুষ্ঠান ঃ**

**• মাসিকা তোলা ঃ**

গৰ্ভৱতী মহিলাগৰাকীয়ে যেতিয়া কেঁচুৱা জন্ম দিয়ে তেতিয়া কিছুমান নীতি-নিয়ম পালন কৰা হয়। জন্মৰ পৰা মৃত্যুলৈকে কোচ-ৰাজবংশী সম্প্ৰদায়ৰ লোকসকলে নৱজাত অৱস্থাৰ পৰাই কিছুমান বিশেষ নীতি-নিয়ম আৰু পৰম্পৰাৰে জীৱনটো অতিবাহিত কৰে। ৰাজবংশী সমাজত শিশু এটাৰ জন্মৰ পিছত ল'ৰাৰ ক্ষেত্ৰত পাঁচদিন আৰু ছোৱালীৰ ক্ষেত্ৰত তিনিদিন জাতকৰ চুৱা থাকে। তাৰ পিছত ল'ৰাৰ ক্ষেত্ৰত পাঁচদিনত আৰু ছোৱালীৰ ক্ষেত্ৰত তিনিদিনত 'কামান' দিয়ে। এক কামানত শিশুৰ মূৰৰ চুলি নাপিতৰ দ্বাৰা নখ কাটি লয়। এমাহৰ পিছত 'দোকামান' দিয়ে। দোকামানক ৰাজবংশীসকলে 'মাসিকা তোলা' বুলিও কয়। দোকামানৰ পিছত ঠাকুৰবাৰীত সেৱা পূজা দি শুদ্ধি হয়, আৰু ঘৰ শুদ্ধিৰ নৈবেদ্য দিয়ে। ঘৰ শুদ্ধিৰ পিছত মাতৃয়ে সকলো কাম কৰিবলৈ সক্ষম আৰু উপযুক্ত হয়। কিছুমানে ঘৰ শুদ্ধিৰ নৈবেদ্যৰ দিনাই নামকৰণ কৰা নিয়মটো কৰে। এইদৰে এটা শিশুৰ জন্মৰ লগত জড়িত

অনুষ্ঠানবোৰ পালন কৰা দেখা যায়।

**• অন্নপ্ৰাসন ঃ**

'মাসিকা তোলা' অনুষ্ঠানৰ পিছত 'অন্নপ্ৰাসন' কৰাৰ নিয়ম ৰাজবংশী সম্প্ৰদায়ৰ লোকসকলৰ মাজত প্ৰচলিত আছে। প্ৰথম ভাত মুখত দিয়া নিয়মটোৱেই হ'ল 'অন্নপ্ৰাসন'। ল'ৰা সন্তানৰ ক্ষেত্ৰত যুগ্ম মাহত আৰু ছোৱালী সন্তানৰ ক্ষেত্ৰত অযুগ্ম মাহত জন্মৰ এবছৰৰ ভিতৰত অন্ন প্ৰাসন কৰা হয়। ঘৰৰ মানুহবোৰে শুভ দিন বাৰ নিৰ্ধাৰণ কৰি ব্ৰাহ্মণৰ দ্বাৰা বিশেষ নিয়ম-নীতিৰে অন্নপ্ৰাসন কৰে। সাধাৰণতে সন্তানৰ মোমায়েকৰ দ্বাৰা অন্ন বা ভাত মুখত দিয়া নিয়মটো পালন কৰা হয়। অন্ন প্ৰাসন কৰা সময়ত এখন কুলাত কিতাপ, কলম, টকা, ধান, মাটি, সোণ, ধনু, শিশুটোৰ সন্মুখত ৰখা হয় আৰু কাঁহী এখনত পায়স ৰখা হয়। পায়সৰ কাঁহীখনত সাতডাল বা পাঁচডাল কাঠি ৰখা হয়। সন্তানটিক মোমায়েকৰ ঘৰৰ পৰা অনা কাপোৰ পিন্ধাই এখন আসনত বহুৱাই অন্ন প্ৰাসনৰ প্ৰথা আৰম্ভ কৰে। প্ৰথমতে মোমায়েকে কাঁহীখনত ৰখা পায়স কাঠিৰ জৰিয়তে সন্তানটিক শুঙাই দিয়ে, যিমানডাল কাঠি থাকে সিমানবাৰ শুঙাই দি কাঠিবিলাক পেলাই দিয়ে আৰু শেষৰবাৰ খুৱাই দিয়ে। 'অন্ন প্ৰাসন'ৰ পৰ্ব হৈ যোৱাৰ পিছত সকলোৱে সন্তানটিক দান আৰু আশীৰ্বাদ দিয়ে। তাৰ পিছত মোমায়েক যোৱাৰ সময়ত শিশুটোৰ দেউতাকে বস্ত্ৰ দান দিয়াৰ নিয়ম কোচ ৰাজবংশীসকলৰ মাজত প্ৰচলিত আছে।

**• চূড়াকৰণ ঃ**

জন্মৰ লগত জড়িত নীতি-নিয়মৰ ভিতৰত 'চূড়াকৰণ' ৰাজবংশী সম্প্ৰদায়ৰ লোকসকলৰ মাজত আন এক কৰণীয় অনুষ্ঠান। ৰাজবংশী লোকসকলে ল'ৰাৰ জন্ম চুলি ৰাখি অযুগ্ম বছৰত চূড়াকৰণ অনুষ্ঠান পালন কৰে। চুলি কটাৰ দিনটো বিশেষ নিয়ম অনুসৰি ব্ৰাহ্মণ, নাপিত, পৰিয়ালৰ আত্মীয়-স্বজনক মাতি এই অনুষ্ঠান পতা হয়। 'চূড়াকৰণ'ত কিছুমান নিয়ম-নীতিৰ বাবে তিনিজনী ছোৱালীক বৈৰাতী হিচাপে নিৰ্ধাৰণ কৰা হয়। বৈৰাতী তিনিজনীয়ে পানী তোলা, মাহ-হালধী সনা আদি শিশুটোৰ লগত জড়িত কামবোৰ কৰে। চোতালত মণ্ডপ আৰু পূজাৰ বাবে 'ছাঙলিবাতি' সজোৱা হয়। নানি মুখৰ শ্ৰাদ্ধ পাতি ব্ৰাহ্মণে প্ৰথমে ল'ৰাটোৰ অধিবাস কৰে পিছত দেউতাকে ব্ৰাহ্মণৰ অনুমতি অনুসৰি নাপিতৰ দ্বাৰা চুলিখিনি কটোৱায়। ল'ৰাটোৱে চুলি কটাৰ পিছত গা ধুই নতুন কাপোৰ পিন্ধি পূজাত বহি ব্ৰাহ্মণৰ কৰণীয় কামখিনি সম্পূৰ্ণ কৰে। বৈৰাতী তিনিজনীয়ে 'চাঙলিবাতি' ঘূৰাই ল'ৰাজনক চাউল, দুৰৰি মূৰত দিয়ে আৰু বৈৰাতীয়ে নিয়মবোৰ কৰাৰ সময়ত উৰুলি দিয়ে। ব্ৰাহ্মণ আৰু নাপিতক দক্ষিণা দিয়া হয়। শেষত ল'ৰাজনে জ্যেষ্ঠসকলৰ পৰা আশীৰ্বাদ লয়।

**• ক্ষত্ৰীয় সন্মিলন ঃ**

ল'ৰাৰ বিয়াৰ আগতে 'ক্ষত্ৰিয় সন্মিলন' অনুষ্ঠান ৰাজবংশী সমাজত পতা হয়। ই এটা উল্লেখযোগ্য সংস্কাৰ। ইয়াৰ উদ্দেশ্য হ'ল লগুণ প্ৰদান কৰা। ধৰ্মীয় ৰীতি-নীতিৰে ব্ৰাহ্মণৰ দ্বাৰা লগুণ দি শিক্ষা প্ৰদান কৰা হয়। দীক্ষিত হোৱাৰ পিছত কিছুমান বিশেষ নীতি-নিয়ম পালন কৰাৰ বাবে ব্ৰাহ্মণে পৰামৰ্শ দিয়ে। বিশেষ কাৰণত সময় মতে 'ক্ষত্ৰীয় সন্মিলন'ৰ কাৰ্যখিনি কৰিব নোৱাৰিলে বিবাহৰ আগ মুহূৰ্তত ব্ৰাহ্মণৰ দ্বাৰা লগুণ দি ক্ষত্ৰীয় সন্মিলন কাৰ্য কৰা হয়। লগুণত থকা গুণৰ সংখ্যা ৯ টা। লগুণৰ ৯ টা গুণৰ পৰা যাতে ৰাজবংশীৰ পুৰুষসকলে বিচলিত নহয় তাৰ বাবে লগুণ পৰিধান কৰাই 'ক্ষত্ৰীয় সন্মিলন'ৰ সময়ত দীক্ষা দিয়ে। লগুণ পিন্ধা আৰু খুলি পেলোৱাৰ বিশেষ নিয়ম আছে।

'ক্ষত্ৰীয় সন্মিলন'ৰ দিনা গুৰু দীক্ষা দি লগুণ প্ৰদান কৰাৰ পিছত জোলোঙা দি নিয়ম মতে ভীক্ষা

কৰিবলৈ পঠোৱা হয়। ইয়াৰ বিষয়ে কথা এয়ে যে ক্ষেত্ৰীয় সন্মিলনৰ পিছত লগুণ প্ৰদানেৰে দীক্ষিত হৈ সন্ন্যাসব্ৰতী কৰোৱা হয়। সেয়েহে তেওঁক ভিক্ষা কৰোৱা হয়। তিনি-চাৰিঘৰ গৃহস্থৰ ঘৰলৈ গৈ ভিক্ষা কৰাৰ পিছত পদুলিমুখৰ পৰা পিতৃ-মাতৃয়ে তেওঁক ঘূৰাই আনে। ইয়াৰ পিছত ব্ৰাহ্মণক দান-দক্ষিণা প্ৰদান কৰি 'ক্ষত্ৰিয় সন্মিলন'ৰ কাৰ্য সম্পন্ন হয়।

**বিবাহৰ লগত জড়িত উৎসৱ-অনুষ্ঠান ঃ**

**• ধুৱানী বিবাহ ঃ**

ছোৱালী এজনীৰ প্ৰথম ঋতুচক্ৰ হোৱাকে কোচ-ৰাজবংশী সমাজত 'ধুৱানী বিবাহ' বুলি কোৱা হয়। ছোৱালীজনী ঋতুচক্ৰ হোৱাৰ লগে লগে ঘৰৰ ওচৰৰ দুই-এঘৰৰ মহিলাক মাতি অনা হয়। তাৰপিছত সকলোৰে মিলি পুৰুষে দেখা নোপোৱাকৈ ছোৱালীজনীক এটা কোঠালিত মাটিত বিছনা প্ৰস্তুত কৰি থোৱা হয়। ছোৱালীজনীৰ ওচৰত দুনিবাটী ৰখা হয় আৰু চাকি জ্বলাই দিয়া হয়।

ঋতুচক্ৰ হোৱাৰ প্ৰথম তিনিদিন ফল-মূল, গাখীৰৰ বাহিৰে বেলেগ কোনো ধৰণৰ বস্তু খাবলৈ দিয়া নহয়। তিনিদিনৰ দিনা কইনাজনীৰ দেউতাকে ব্ৰাহ্মণৰ ওচৰত 'যোগ' চাবলৈ যায়। 'যোগ' চাই যি বিধান দিয়ে সেইমতে কইনাজনীৰ গা ধুওৱাৰ নিয়ম পালন কৰিব লাগে। 'যোগ' অনুযায়ী ব্ৰত পালনৰো নিয়ম কৰা হয়। চতুৰ্থ দিনা কইনাজনীৰ 'ধুৱানী' অনুষ্ঠান পতা হয়। গা ধুৱাবলৈ কইনাজনীৰ মামী নহ'লে মাহীয়েকক নিমন্ত্ৰণ দিয়ে। কইনাক গা ধোৱাবৰ বাবে কলপুলি এডাল মাটিত পুতি লোৱা হয়। এইকলপুলিৰ তলত কইনাজনীক গা ধোওৱা হয়।

কইনাজনীক গা ধোৱাবলৈ বিভিন্ন ধৰণৰ বস্তু অনা হয়, তাৰ ভিতৰত আয়না, ফণী, নতুন কাপোৰ, তেল, চাবোন, শাখা, সেন্দুৰ আদি আনে। যিয়ে কইনাজনীক গা-ধোৱায় তেঁৱেই এই বস্তুবোৰ আনিব লাগে। কইনাজনীক গা ধোওৱাৰ পিছত হালধি লগাই নতুন বস্ত্ৰ পিন্ধি সূৰ্য দেৱতাক প্ৰণাম কৰিব লাগে। তাৰপিছত চোতালত গোঁসাইঘৰৰ সন্মুখত পাটিত বহি ব্ৰাহ্মণৰ দ্বাৰাই বাকী নিয়মবোৰ পালন কৰে।

কইনাজনীৰ ব্ৰতৰ পিছত ব্ৰাহ্মণৰ দ্বাৰা প্ৰায়শ্চিত্ত কৰি দিয়ে। সেইদিনৰ পৰা ছোৱালীজনীয়ে বাহিৰলৈ ওলাব পাৰে, সকলো ঠাইলৈ যাব পাৰে। ছোৱালীবোৰৰ বেলেগ বেলেগ 'যোগ' উঠে, 'যোগ' হিচাপে কাৰোবাৰ সাতদিন, কাৰোবাৰ পোন্ধৰ দিন আৰু এমাহ পৰ্যন্ত যোগ উঠা দেখা যায়। প্ৰায়শ্চিত্ত কৰাৰ পিছত সকলোবোৰ নিয়ম সম্পূৰ্ণ হয়।

**বিবাহৰ পূৰ্বে পালন কৰা উৎসৱ-অনুষ্ঠান ঃ**

**• পান চেনি ঃ**

বিবাহ কাৰ্যত ঘটকে দৰা আৰু কইনা পক্ষৰ মাজৰ সমন্বয়ৰক্ষী হয়। দৰাৰ পিতৃ-মাতৃ বা অন্যান্য আত্মীয় স্বজনে কইনা চাবলৈ যায়। কইনা চাবলৈ ওলোৱাৰ সময়ত শুভ-অশুভ আদি বিভিন্ন দিশ নিৰীক্ষণ কৰা হয়। সকলো ঠিকে থাকিলে আৰু দুয়োপক্ষৰ মত মিলিলে বিবাহ কাৰ্যৰ প্ৰথম পদক্ষেপ আৰম্ভ কৰা হয়। তাৰ পিছত এটা নিৰ্দিষ্ট দিনত দৰা ঘৰে আত্মীয়-স্বজনক লৈ 'পান-চেনি' কৰিবলৈ কইনা ঘৰলৈ যায়। দৰাপক্ষৰ মানুহে তামোল-পাণ, নাৰিকল, মাছ আৰু বিভিন্ন খাদ্য-সামগ্ৰী আদি লৈ কইনাঘৰ পায়গৈ। পান-চেনিত উপস্থিত হোৱা ৰাইজৰ লগত বিভিন্ন আলোচনা কৰি বিয়াৰ দিন-বাৰ ঠিক কৰে আৰু দুইপক্ষৰ ৰাইজৰ উপস্থিতিত দৰাই কইনাক শাখা-সেন্দুৰ পিন্ধাই দিয়ে। দুইপক্ষৰ ৰাইজে ফুল, চাউল ছটিয়াই দৰা-কইনাক আশীৰ্বাদ দিয়ে। সিদিনাই দৰা-কইনাৰ বিবাহৰ আধা কাৰ্য শেষ হোৱা বুলি ধৰা হয়।

**বিবাহৰ দিনা পালন কৰা অনুষ্ঠান ঃ**

**• ভাৰখোৱা ঃ**

বিয়া ঠিক হোৱাৰ পিছত বিয়াৰ আগদিনাখন 'ভাৰখোৱা' নিয়মটো দৰা আৰু কইনা দুয়োঘৰতে কৰা হয়। 'ভাৰখোৱা'ৰ দিনাখন দৰা ঘৰৰ মানুহে 'ভাৰ' খোৱাবলৈ আহে। সিদিনা দৰাপক্ষৰ পৰা তেল, কাপোৰ, চাউল, দুই এপদ পাচলি, ঘিঁউ আদি কইনাৰ বাবে পঠিয়াই দিয়া হয়। দৰাঘৰৰ পৰা লৈ অহা চাউল, ঘিঁউ, পাচলি আদিৰে সিদিনা সন্ধ্যা কইনাই 'হৰিচ' খায়। লঘোণৰ দিনা কইনাই দৰাপক্ষৰ পৰা পঠিওৱা তেল-কাপোৰ পিন্ধি বিভিন্ন পূজা-পাৰ্বন আৰু শ্ৰাদ্ধ আদি কামবোৰ কৰিব লাগে।

**• তেলধৰা ঃ**

লঘোণৰ দিনাৰ পৰাই দুয়োপক্ষত মানুহ এগৰাকীক তেল ধৰিব লাগে। তেলধৰীৰ লগতে পাঁচগৰাকী অকুমাৰী ছোৱালীকো দুয়ো পক্ষৰ দৰকাৰ হয়। এই ছোৱালীসকলে তেলধৰীৰ লগত বিভিন্ন কাৰ্যত সহায় কৰে আৰু ইহঁতক ৰাজবংশীসকলে বৈৰাতী বুলি কয়।

**• চোৰা পানী তোলা ঃ**

বিবাহৰ নিৰ্দিষ্ট দিনা সূৰ্য উদয় হোৱাৰ আগতে চোৰা পানী বা পানীতোলা পৰ্ব অনুষ্ঠিত হয়। দৰা বা কইনাঘৰৰ পানীতোলা নিয়ম একেই। পানীতোলাৰ বাবে মাটিৰ কলহ এটা আৰু মাটিৰ ঘট পাঁচটাৰ প্ৰয়োজন হয়। কলহ বা ঘটবিলাকত সেন্দুৰৰ ফোঁট দিয়াৰ লগতে আমপাত আৰু সূতাৰে মেৰিয়াই বান্ধি দিয়া হয়। বৈৰাতীসকলৰ উৰুলিৰ লগত ওচৰ-চুবুৰীয়া, মহিলা, ছোৱালীসকলৰ সহযোগত তেলধাৰীয়ে ওচৰৰ নৈ পাৰৰ পৰা নাইবা কোনো কুঁৱাৰ পৰা পানী তুলি লৈ আহিব লাগে। পানী তোলাৰ আগতে ঘাটত বা কুঁৱাৰ পাৰত ঘাটৰ মূল্য দিয়াটো নিয়ম।

**• তেল চৰোৱা অনুষ্ঠান ঃ**

কোচ ৰাজবংশীসকলৰ বিবাহৰ কাৰ্যত 'তেল চৰোৱা' বুলি এটা পৰ্ব আছে। দৰা আৰু কইনা উভয়ৰ ক্ষেত্ৰতে 'তেল চৰোৱা' পৰ্ব সমানেই গুৰুত্বপূৰ্ণ। তেলধৰী আৰু বৈৰাতীসকলে এই পৰ্বটো কৰে। এই অনুষ্ঠানটোৰ পিছত কইনা বা দৰাক মাটি স্পৰ্শ কৰি খোজ কাঢ়িবলৈ দিয়া নহয়। কল পটুৱাৰ দ্বাৰা তৈয়াৰী দোনা কেইটামানত পৃথক পৃথককৈ সৰিয়হৰ তেল, ঘিঁউ, কেঁচা হালধীৰ বটা, কল পটুৱাৰ ঠাৰিত কাজল আদি যোগাৰ কৰি ৰখা হয়। তেলধাৰীয়ে কইনা বা দৰাৰ ভৰিৰ পৰা মূৰলৈ এহাতে তেল, ঘিঁউ, হালধী সানি হাতেৰে মূৰৰ ওপৰত ধৰি তেল চৰোৱা কাৰ্য সমাপন কৰে।

**• গা ধুওৱা অনুষ্ঠান ঃ**

তেল চৰোৱা অনুষ্ঠানৰ পিছত আৰম্ভ হয় কইনা ধুওৱা বা বৰ ধুওৱা অনুষ্ঠান। গা ধুওৱাৰ বাবে কলপুলি এটা পুতি থোৱা হয়। কলগছৰ গুৰিত কইনা বা দৰা থিয় হ'বৰ বাবে পীৰা এখন পাৰি থোৱা হয়। এই অনুষ্ঠানটো তেলধাৰীয়ে কৰে। তেলধৰীয়ে কইনাজনীক গা ধুওৱাৰ আগতে কেঁচা হালধী, মাহ আদি সানি দিয়ে। তাৰ পিছত তেলধৰীয়ে ৰাতিপুৱা তুলি অনা পানীৰে দৰা বা কইনাক গা ধুৱায়। গা ধোৱাৰ পিছত দৰা বা কইনাক আগৰ দৰে কোনো আত্মীয়ই দাঙি লৈ ঘৰৰ ভিতৰলৈ লৈ গৈ পাটিত বহুৱায়। ইয়াৰ পিছত পুতি থোৱা কলপুলিটো মাটিৰ পৰা উঠাই আনে আৰু এইখিনিতে গা ধোৱা পৰ্বৰ সমাপ্তি হয়।

**• নানি মুখৰ শ্ৰাদ্ধ ঃ**

স্বৰ্গগামী হোৱা স্বকীয় বংশৰ পুৰুষসকলৰ শ্ৰাদ্ধ কৰা হয়। দৰাৰ ঘৰত দৰাৰ উপৰি-পুৰুষ, কইনাৰ ঘৰত কইনাৰ পিতৃ-মাতৃৰ উপৰি-পুৰুষৰ শ্ৰাদ্ধ বুলি কোৱা হয়। দৰাগৰাকীয়ে নিজেই শ্ৰাদ্ধ কৰ্মত জড়িত হ'লেও কইনাৰ ক্ষেত্ৰত পিতৃ নাইবা পিতৃৰ অনুপস্থিতিত

জ্যেষ্ঠ ভাতৃ বা নিজ বংশৰ জ্যেষ্ঠজনে এনে শ্ৰাদ্ধ কৰ্মত জড়িত হয়। ৰাজবংশী সমাজৰ কিছুসংখ্যক ঘৰত মনসা পূজাৰ প্ৰচলন থকা বাবে এই শ্ৰাদ্ধ সম্পন্ন হোৱাৰ আগতে মনসাদেৱীলৈ পূজা অৰ্চনা কৰে।

**• সোৱাগ ঝাৰা ঃ**

তেলধাৰীয়ে বৈৰাতীসকলক লৈ নৈৰ পাৰত বা নৈ নাথাকিলে কুঁৱা-পুখুৰী আদিৰ পাৰত সোৱাগ তুলিবলৈ যোৱাৰ কোচ-ৰাজবংশীসকলৰ মাজত নিয়ম আছে। সোৱাগ ঝাৰাৰ সময়ত মাটিৰ চাকি আৰু নতুন বাঢ়নীৰ কাঠি প্ৰয়োজন হয়। নৈৰ ঘাটত বাঢ়নীৰ কাঠি পাঁচভাগ, সাতভাগ আদি কৰি বোকাত পুতি দিয়ে আৰু মাটিত চাকি জ্বলাই নদী মাতৃক প্ৰণাম কৰা হয়। নতুন কুলাত আখৈৰ পেটুৱা লৈ তেলধাৰীগৰাকীয়ে বাটত জাৰি দিয়াৰ নিয়ম এতিয়াও আছে। অহাৰ সময়ত তেলধাৰীগৰাকীয়ে নৈৰ ঘাটৰ নিৰ্মল পানী মুখৰ ভিতৰত ভৰাই আনিব লাগে। আহিয়ে দৰা বা কইনা থকা ঘৰত তেলধাৰীগৰাকীয়ে প্ৰৱেশ কৰি বহি থকা পাটীৰ তলত মুখত ভৰাই অনা পানীখিনি পেলাই দিব লাগে।

'সোৱাগ ঝাৰা' অনুষ্ঠান সম্পন্ন হোৱাৰ পিছত ৰাতি দৰা-কইনাক নখ কাটি দিবৰ বাবে নাপিত এজনক মাতি আনি এই কাৰ্য সমাধান কৰে আৰু ইয়াক 'নাউৱা কামা' বুলি কয়।

**• বৰ বৰণ ঃ**

দৰা আহি কইনা ঘৰৰ পদূলিত থিয় হোৱাৰ লগে লগে বৰ বৰোৱা কাম আহি পৰে। দৰা বৰণ কৰাৰ সময়তো কোচ ৰাজবংশীসকলৰ বহুতো নিয়ম আছে। পদূলি মুখত দুয়োফালে দুডাল কলগছ পুতি কাঁহি বনেৰে ৰছি পকাই সেই ৰছিত ফুটা চাকি আঁৰি দিয়ে। আমপাত, কপাহ আদিও ৰছিডালত লগোৱা হয়। সেই কলগছ দুজোপাৰ পৰাই দৰা বৰণ কৰা হয়। দৰাক পীৰা এখনত থিয় কৰাই দৈ, পানী আদিৰে কইনাৰ সৰু ভনীয়েকে ভৰি ধুৱাই সাজু কৰি ৰখা 'চাঙলি বাতি' ঘূৰাই দৰাক আদৰি অনা হয়। এইখিনি সময়তে দৰা আৰু কইনাৰ পক্ষৰ 'চাঙলি বাতি' সাল-সলনি কৰা হয়।

**• কইনা সম্প্ৰদান ঃ**

দৰা আহি চোতালত পাৰি থোৱা পাটীত বহাৰ পিছতে ব্ৰাহ্মণে নিয়ম-নীতিৰে বিবাহৰ কাম আৰম্ভ কৰে। এই কামখিনি চলি থকাৰ মাজতে দৰাপক্ষৰ মানুহে লৈ অহা কইনাৰ সাজপাৰ, আ-অলংকাৰ সামগ্ৰী আদি নতুন কাঁহী এখনত লৈ কইনা বহি থকা ঘৰত প্ৰৱেশ কৰে। এই কাৰ্যখিনিক 'কইনা শিংৰাণী' বুলি কোৱা হয়। দৰাঘৰৰ মানুহে কইনাক বিবাহৰ সাজপাৰ পিন্ধাই মূল বিবাহৰ বাবে প্ৰস্তুত কৰি তোলে। এনে কাৰ্যক্ৰমৰ মাজতেই কইনাক এখন পীড়াতে বহাই চাৰিজন বা পাঁচজন মানুহে উলিয়াই লৈ আহে আৰু বিবাহৰ মণ্ডপত কইনাই বিধি অনুসৰি মালা অদল-বদল কৰি দৰাৰ চাৰিওফালে সাতপাক ঘূৰি দৰাৰ ওচৰত বহি হোম যজ্ঞৰে বিবাহখন কৰা হয়।

**• খৈ তোলা ঃ**

মূল বিবাহৰ মাজতেই কইনাৰ কনিষ্ঠ ভাতৃৰ দ্বাৰা 'খৈ তোলা' নিয়ম পালন কৰে। তাৰ পিছত মিতৰ ধৰা নাপিতৰ গুৰুবচন, মন্ত্ৰপাঠ আদি কৰে। তাৰ পিছত বিয়া সম্পন্ন হয়।

**বিয়া হোৱাৰ পিছত কৰা নীতি-নিয়ম ঃ**

বিয়াৰ পিছত মাতৃ বংশৰ পৰা মামা দান দিয়াৰ নিয়ম আছে। তাৰ পিছত দৰা-কইনাক কইনাৰ মাকে খাবলৈ দিয়ে, খোৱাৰ পিছত আঙুঠি, কড়ি আদি বিভিন্ন ধৰণৰ খেলাৰ মনোৰঞ্জন কৰা দেখা যায়। দৰা-কইনাই জ্যেষ্ঠসকলৰ পৰা আশীৰ্বাদ লয় আৰু তাৰ পিছত কইনাক লৈ দৰাপক্ষই বিদায় লয়। কইনাক

দৰাৰ ঘৰলৈ লৈ অহাৰ পিছত দৰা-কইনা উভয়কে দৰা ঘৰৰ পদূলিৰ পৰা বৰণ কৰা হয় আৰু দৰা-কইনাক আদৰি অনা হয়। এইবোৰ পালন কৰাৰ পিছত মূল বিবাহৰ কাম সম্পূৰ্ণ হয়।

**• ৰান্ধন ঃ**

বিবাহৰ পিছত ল'ৰাৰ ঘৰত ৰান্ধন দিয়াৰ প্ৰথা কোচ-ৰাজবংশী সমাজতো প্ৰচলিত আছে। এই ৰন্ধন কাৰ্যত ন-কইনাগৰাকীক সামাজিকভাৱে স্বীকৃতি প্ৰদান কৰা হয়। সিদিনাৰ পৰা ন-কইনাৰ হাতেৰে সমাজে খোৱাত কোনো বাধা নাথাকে।

**• আঠ মঙলা ঃ**

কোচ-ৰাজবংশীৰ বিবাহ অনুষ্ঠানৰ এক উল্লেখযোগ্য কাৰ্যক্ৰম 'আঠ মঙলা'। মূল বিবাহ কাৰ্যসূচীৰ দিনৰ পৰা আঠদিন পিছত আঠ মঙলা ভঙোৱা কাৰ্যসূচী পালন কৰা হয়। সিদিনা দৰা-কইনাক লৈ দৰা ঘৰৰ আত্মীয় তথা ওচৰ-চুবুৰীয়াৰ কিছুসংখ্যক লোকক লৈ কইনাৰ ঘৰলৈ যাব লাগে। বিয়াৰ সম্পূৰ্ণ সাজেৰে দৰা আৰু কইনাক লৈ কিছুমান সামাজিক নিয়ম পালন কৰা হয়। পিঠা, দৈ চিৰা আদি দৰা পক্ষৰ মানুহক খুওৱাটো নিয়ম। আঠ মঙলাৰ পিছতে বিবাহ অনুষ্ঠানৰ সম্পূৰ্ণ সামৰণি পৰে।

**মৃত্যুৰ লগত জড়িত উৎসৱ-অনুষ্ঠান ঃ**

**• ভাগৱত পাঠ ঃ**

মানুহ এজনৰ মৃত্যুৰ আগমুহূৰ্তত মানুহগৰাকীৰ ওচৰত ভাগৱত গীতা পাঠ কৰা দেখিবলৈ পোৱা যায়। কাৰণ সেই মানুহগৰাকীৰ আত্মাই যাতে সদ্‌গতি বা মুক্তি লাভ কৰে, তাৰ কাৰণে মানুহগৰাকীক বিচনাৰ পৰা মাটিত নমাই এখন পাটীত শুৱাই থোৱা হয় আৰু মানুহগৰাকীৰ ওচৰত ধূপ-ধূণা, চাকি জ্বলাই দিয়া হয়।

**• মৃতকৰ মুখত পানী দিয়া ঃ**

পবিত্ৰ গংগা জলেৰে মৃতকৰ মুখ ধুৱাই মৃতকক পবিত্ৰ কৰি স্বৰ্গগামী হোৱাৰ পথ সুচল কৰাৰ কাৰণে প্ৰাৰ্থনা কৰা হয়। প্ৰথমে মৃতকৰ পৰিয়ালৰ লোকসকলে ফুল-তুলসী বা তামৰ মুদ্ৰা হাতত লৈ নিৰ্দিষ্টভাৱে ৰখা লোটা জাতীয় বাঁহৰ পাত্ৰৰ পৰা পানী লৈ মৃতকৰ মুখত কেই চামুচমান পানী দিয়াৰ লগতে মুখখন ধুৱাই দিয়ে আৰু মৃতকক শেষ শ্ৰদ্ধা নিবেদন কৰে। তাৰ পিছত ওচৰ-চুবুৰীয়া, আত্মীয়-স্বজনে একেদৰে মৃতকক শেষ শ্ৰদ্ধা জনায়।

**• দাহন কাৰ্য ঃ**

শ্মশানত লৈ যোৱাৰ পিছত নদীৰ পাৰত চাৰিটা বাঁহৰ খুটি পুতি বাঁহ, কাঠ খৰিৰে চিতা সজাই তাত মৃতদেহটো তুলি দিয়ে। মৃত ব্যক্তিগৰাকীৰ পুত্ৰই চিতাৰ চাৰিওফালে সাত পাক ঘূৰে আৰু মুখত অগ্নি সংযোগ কৰে। যাক মুখাগ্নি বুলি জনা যায়।

**• মৃতকৰ অস্থি অনা নিয়ম ঃ**

দাহন কাৰ্য হোৱাৰ পিছত মৃতকৰ অস্থিৰ টুকুৰা পানীত ধুই পখালি নতুন বগা কাপোৰৰ টুকুৰাৰে মেৰিয়াই কাম ধৰা ব্যক্তিগৰাকীয়ে নিজৰ ডিঙিত বান্ধি লৈ ঘৰলৈ আনে। ঘৰৰ চোতালত খেৰ-বাঁহেৰে সৰুকৈ ঘৰ এটা সজোৱা হয়। শ্মশানৰ পৰা অনা মৃতকৰ অস্থিৰ গাখীৰেৰে ধুই বাঁহৰ চুঙা এটাত সুমুৱাই সৰু ঘৰটোৰ ভিতৰত ৰখা হয় আৰু চাকি, ধূপ-ধূণা জ্বলাই দিয়া হয়।

**• চতুৰ্থা ঃ**

তেৰাত্ৰিলৈ অৰ্থাৎ তিনিদিন মৃতকৰ পৰিয়ালে কেৱল ফল-মূল আৰু পিঠাগুৰি খোৱাটো নিয়ম। পিতৃ মৰিলে ফল নাখায় আৰু মাতৃ মৰিলে গাখীৰ নাখায়। তেৰাত্ৰিৰ দিনা মৃতকৰ পুত্ৰই ৰাইজৰ দুই এজন মানুহক লৈ নদীত গা ধুবলৈ যায়। হালধী গাত সানি তিনিবাৰ ডুব মাৰি গা ধোৱে। গা ধোৱা তিতা কাপোৰখন গাতে শুকুৱায়। সেই দিনৰ পৰা

অৰ্থাৎ চাৰিদিনৰ দিনটোক চতুৰ্থা বুলি কোৱা হয়। মৃতকৰ ছোৱালী আৰু ভাগিনাই চতুৰ্থা কৰিব লাগে। চাৰিদিনৰ পৰাই ৰাইজৰ মানুহে দিয়া চাউলেৰে মাটিৰ পাত্ৰত একসিদ্ধ ভাত খাব পাৰে। চাৰিদিনৰ দিনাই দশা বা শ্ৰাদ্ধখন সুকলমে কৰিবৰ বাবে গৃহস্থই সন্ধিয়া সময়ত ৰাইজৰ সহায়-সহযোগিতা কামনা কৰি ৰাইজৰ আগত তামোল-পাণ আগবঢ়াই অনুৰোধ জনায়। ইয়াক ৰাজবংশীসকলে 'সোন্নাগোধ' বুলি কয়।

• **দশা ঃ**

মৃত্যুৰ দহদিনৰ দিনা ব্ৰাহ্মণ মাতি আনি দশাৰ পৰ্ব পালন কৰা হয়। এই দহদিন পুত্ৰৰ লগতে পৰিয়ালেও কোনো কাম কৰিব নোৱাৰে। দহদিনৰ দিনা ব্ৰাহ্মণে নদীৰ পাৰত মৃতকৰ আত্মাৰ সদ্‌গতিৰ অৰ্থে দহটা পিণ্ড আগবঢ়ায়। তাৰ পিছত সকলোৱে ঘৰলৈ আহি দৈ-চিৰা ভোজন কৰে। দশাৰ দিনাৰ পৰাই পৰিয়ালৰ মানুহে পালিবলগীয়া বহু নিয়ম-নীতিৰ পৰা সকাহ পায়।

• **খেউৰ ঃ**

দশা পৰ্ব শেষ হোৱাৰ পিছত ১২ দিনৰ দিনা খেউৰ পতা হয়। নদীৰ পাৰত নাপিতৰ দ্বাৰা মুণ্ডণ কৰে, আৰু পৰিয়ালৰ লোক আৰু ভাগীসকলে দাড়ি-চুলি আৰু নখ কাটি লয়।

• **আদ্যশ্ৰাদ্ধ ঃ**

কোচ-ৰাজবংশী সমাজত তেৰদিনৰ দিনা আদ্যশ্ৰাদ্ধ ব্ৰাহ্মণৰ দ্বাৰা কৰা হয়। কণ্ঠহাৰীক গৰু দান দিয়া হয়। আদ্যশ্ৰাদ্ধৰ দিনাখন ব্ৰাহ্মণে মৃতকৰ পুত্ৰ সন্তানসকলক প্ৰায়শ্চিত্ত কৰোৱাৰ লগে লগে পৰিয়ালৰ লোকসকলক শান্তিপানী ছটিয়াই শুদ্ধি কৰি লয়। তাৰ পিছত আদ্যশ্ৰাদ্ধৰ কাম আৰম্ভ হয়। শ্ৰাদ্ধ উপলক্ষে সিদিনা মৃতকক উদ্দেশ্যি বিচনা-পত্ৰ, নতুন কাপোৰ-কানি, সাজপাৰ, বাচন আদি বিভিন্ন ধৰণৰ বস্তু দান কৰে। শ্ৰাদ্ধৰ দিনা শ্মশানলৈ যোৱা লোকসকলক জলপান খুওৱা হয়।



শ্ৰাদ্ধৰ পিছদিনা অৰ্থাৎ চৈধ্য দিনৰ দিনা ব্ৰাহ্মণৰ দ্বাৰা স-পিণ্ড দিয়া হয়।

• **মৎস্যপৰশ ঃ**

১৫ দিনৰ দিনা মৎসপৰশ পৰ্ব পালন কৰা হয়। সেইদিনা মাছ-মাংস আদিৰ দ্বাৰাই সমূহীয়া ভোজ দিয়া হয়। মাছ ভাত খোৱাৰ দিনৰ পৰাই মৃতকৰ ঘৰত অশৌচৰ লগত জড়িত সকলো প্ৰকাৰ কাম শেষ হয়। মুখাগ্নি কৰাজনে অথবা মৃতকৰ পুত্ৰসকলে এবছৰলৈকে কাৰো গৃহত অন্ন গ্ৰহণ নকৰে আৰু এবছৰৰ ভিতৰত মৃতকৰ অস্থি গংগাত বিসৰ্জন দি পিণ্ড দিয়ে। এই বোৰ নীতি-নিয়ম কোচ-ৰাজবংশীসকলে পালন কৰা দেখা যায়।

কোচ-ৰাজবংশী জনগোষ্ঠীটো অসমৰ এটা অতি প্ৰভাৱশালী জনগোষ্ঠী। এই জনগোষ্ঠীটো সাংস্কৃতিক ক্ষেত্ৰতো চহকী। এই জনগোষ্ঠীটোৰ বিভিন্ন উৎসৱ-পাৰ্বন আছে। এই বিষয়ে বেছি আলোচনা বা গৱেষণা হোৱা নাই বুলিবই পাৰি। সেয়েহে কোচ-ৰাজবংশী জনগোষ্ঠীটোৰ উৎসৱ-পাৰ্বন সম্পৰ্কে অধ্যয়ন কৰি ইয়াৰ ঐতিহ্যৰ বিষয়ে বহুতো কথা জানিব পৰা গৈছে।

এই ক্ষুদ্ৰ আলোচনাৰ জৰিয়তে এটা কথা ক'ব পাৰি যে কোচ-ৰাজবংশীসকলৰ উৎসৱ-পাৰ্বনৰ দিশত চহকী। সাপটগ্ৰাম অঞ্চলত বিভিন্ন জাতি-জনগোষ্ঠীৰ লোক বসবাস কৰে আৰু তেওঁলোকৰ ধৰ্মকেন্দ্ৰিক আচাৰ অনুষ্ঠানবোৰো ভিন্ন। কোচ ৰাজবংশীসকলে জন্মৰ পৰা মৃত্যুলৈকে কৰা ধৰ্মকেন্দ্ৰিক অনুষ্ঠানবোৰ একক আৰু অভিন্ন। ●

# সাপটগ্ৰাম অঞ্চলৰ বৃত্তিয়াল সম্প্ৰদায়

**ৰশ্মি বৰ্মন**
স্নাতক ষষ্ঠ ষাণ্মাসিক, অসমীয়া বিভাগ

**সাপটগ্ৰাম অঞ্চলৰ পৰিচয় আৰু ইয়াৰ বৃত্তিয়াল সম্প্ৰদায় ঃ**

ধুবুৰী জিলাৰ বিলীসাপাৰা মহকুমাৰ উত্তৰ-পূব প্ৰান্তৰ সাপটগ্ৰাম অতি পুৰণি ঐতিহ্যমণ্ডিত নগৰ। সাপটগ্ৰাম অঞ্চলৰ পশ্চিমত অৱস্থিত ভেলাকোবা, পূবত লীলানন্দ আশ্ৰম আৰু সাপটগ্ৰাম কলেজ, উত্তৰত ৰেল লাইন আৰু দক্ষিণত সোণকোষ নৈ অৱস্থিত। সাপটগ্ৰাম অঞ্চলত তিনিটা পঞ্চায়ত আছে - শালটাৰী, সোণামুয়ী আৰু কদমতলা। এটা পঞ্চায়তত দহখনকৈ গাঁও আছে।

সাপটগ্ৰাম অঞ্চলত বিভিন্ন সম্প্ৰদায়ৰ মানুহে বাস কৰে। কলিতা, নাথ, মুছলমান, বঙালী, ৰাজবংশী আদি বহুতো সম্প্ৰদায়ৰ মানুহ আছে। তেওঁলোকৰ কিছুসংখ্যক লোকে বয়ন শিল্প, মৃৎ শিল্প, কাঁহ শিল্প আদি কৰ্ম কৰি জীৱিকা অৰ্জন কৰে আৰু আন কিছুমান লোকে কৃষি, চাকৰি আৰু ব্যৱসায় কৰে। এই অঞ্চলত চাকৰিয়াল মানুহৰ হাৰ প্ৰায় চল্লিশ শতাংশ, কৃষিজীৱী মানুহৰ হাৰ চল্লিশ শতাংশ আৰু ব্যৱসায়ী মানুহৰ হাৰ বিশ শতাংশ।

**সাপটগ্ৰাম অঞ্চলৰ বৃত্তিয়াল সম্প্ৰদায়ৰ ঐতিহাসিক পটভূমি, বিকাশ আৰু জনগাঁথনি ঃ**

**কুমাৰসকলৰ ঐতিহাসিক পটভূমি, বিকাশ আৰু জনগাঁথনি ঃ**

১৯৪৮ চনত কুমাৰ সম্প্ৰদায়ৰ লোকসকল পূৰ্ববংগ (এতিয়াৰ বাংলাদেশ)ৰ পৰা আহি ধুবুৰী জিলাৰ বিলাসীপাৰা মহকুমাৰ সাপটগ্ৰাম, ভেলাকোবাত আশ্ৰয় লয়।

সাপটগ্ৰামত বিশটামান কুমাৰ পৰিয়াল আহি আশ্ৰয় লয়। ইয়াৰে দহটামান পৰিয়াল ভেলাকোবা আৰু দহটামান পৰিয়াল পালপাৰাত আছে। ভেলাকোবাত কুমাৰসকলৰ জনসংখ্যা হ'ল ৫৩ জন। প্ৰতিটো পৰিয়ালতে ৫ জন, ৬ জন, ৪ জনকৈ মানুহ আছে। ইয়াৰে পুৰুষৰ সংখ্যা হ'ল ২৮ জন আৰু মহিলাৰ সংখ্যা ২৫ গৰাকী।

**শিপিনীসকলৰ ঐতিহাসিক পটভূমি, বিকাশ আৰু জনগাঁথনি ঃ**

সোণাময়ী গাঁৰৰ শিপিনীসকল ৰাজবংশী সম্প্ৰদায়ৰ মানুহ। তেওঁলোকে ১৯৪৮ চনত কোচবিহাৰ, জলপাইগুৰি, গোৱাৰপাৰা আদি ঠাইৰ পৰা আহি সাপটগ্ৰাম অঞ্চলৰ সোণাময়ী গাঁৱত আশ্ৰয় লয়। সাপটগ্ৰাম অঞ্চলৰ সোণাময়ী গাঁৱত প্ৰায় বিশটামান ঘৰত বয়নশিল্প থকা দেখা যায়। সোণাময়ী অঞ্চলৰ শিপিনীসকলৰ জনসংখ্যা ১৪২। তেওঁলোকৰ প্ৰতিটো পৰিয়ালতে ৩ জন, ৪ জন, ৫ জন, ৬ জনকৈ মানুহ আছে। ইয়াৰে পুৰুষৰ সংখ্যা ৫৩ জন আৰু মহিলাৰ সংখ্যা ৪৯ গৰাকী।

**বাঢ়ৈসকলৰ ঐতিহাসিক পটভূমি, বিকাশ আৰু জনগাঁথনি ঃ**

ৰাৱনটাৰী গাঁৱত হস্তশিল্পৰ লগত জড়িত মানুহবোৰ কলিতা সম্প্ৰদায়ৰ। তেওঁলোক ব্ৰহ্মপুত্ৰৰ উত্তৰ পাৰৰ পৰা আহি সাপটগ্ৰাম অঞ্চলৰ ৰাৱনটাৰী গাঁৱত ১৮৯৬ চন/ভাস্কৰাব্দ ১৩০২ চনত আশ্ৰয় লয়।

ৰাৱনটাৰী গাঁৱৰ চাৰিটামান পৰিয়ালে বাঁহৰ কাম কৰি জীৱিকা অৰ্জন কৰে। বাঁহৰ কাম কৰা মানুহবোৰক বাঢ়ৈ বুলি কোৱা হয়। তেওঁলোকৰ প্ৰতিটো পৰিয়ালতে ৫ জন, ৪ জনকৈ মানুহ আছে। ইয়াৰে পুৰুষৰ সংখ্যা হ'ল ১০ জন আৰু মহিলাৰ সংখ্যা ৮ গৰাকী।

**কাঠমিস্ত্ৰীসকলৰ ঐতিহাসিক পটভূমি, বিকাশ আৰু জনগাঁথনি ঃ**

কাঠৰ কাম কৰা মানুহবোৰ ব্ৰহ্মপুত্ৰৰ উত্তৰ পাৰৰ পৰা আহি ৰাৱনটাৰী গাঁৱত আশ্ৰয় লয়। তেওঁলোক কলিতা সম্প্ৰদায়ৰ মানুহ।

ৰাৱনটাৰী গাঁৱৰ তিনিটামান পৰিয়াল এই কামটোৰ লগত জড়িত। তেওঁলোকৰ তিনিটা পৰিয়ালত চাৰি, পাঁচ, ছয় জনকৈ মানুহ আছে। ইয়াৰে পুৰুষৰ সংখ্যা পাঁচজন আৰু মহিলাৰ সংখ্যা ১০ গৰাকী।

**কঁহাৰসকলৰ ঐতিহাসিক পটভূমি, বিকাশ আৰু জনগাঁথনি ঃ**

কঁহাৰসকলে ব্ৰহ্মপুত্ৰৰ সিপাৰে লক্ষীমপুৰৰ পৰা সাপটগ্ৰাম অঞ্চললৈ আহিছে আৰু তেওঁলোকক বণিক বা সদাগৰ বুলি কোৱা হয়। কঁহাৰসকলৰ তিনিটামান পৰিয়াল লক্ষীভাণ্ডাৰ আৰু এটা পৰিয়াল বজাৰত আহি আশ্ৰয় লয়। লক্ষীভাণ্ডাৰৰ বণিক সম্প্ৰদায়ৰ মানুহবোৰে ত্ৰিশ বছৰ ধৰি এই কাম কৰি আছে। লক্ষীভাণ্ডাৰৰ এই তিনিটা পৰিয়ালত তিনিজন, পাঁচজন, ছয়জনকৈ মানুহ আছে। ইয়াৰে পুৰুষৰ সংখ্যা আঠ জন আৰু মহিলাৰ সংখ্যা ছয় গৰাকী।

**কমাৰসকলৰ ঐতিহাসিক পটভূমি, বিকাশ আৰু জনগাঁথনি ঃ**

লোৰ কাম কৰা মানুহবোৰ পশ্চিমবংগৰ জৰাইৰ পৰা আহি লক্ষীভাণ্ডাৰত আশ্ৰয় লৈছে। তেওঁলোক ৫০ বছৰৰ পৰা এই কামটো কৰি আছে। সাপটগ্ৰাম অঞ্চলত ৪ টা মান পৰিয়াল লোৰ কামৰ লগত জড়িত। এই ৪ টা মান পৰিয়ালত ৬ জন, ৪ জন, ৩ জন, ৫ জনকৈ মানুহ আছে। তেওঁলোকৰ পৰিয়ালৰ

প্ৰতিজন পুৰুষে এই কাম কৰা দেখা যায়। লোৰ কাম কৰা মানুহৰ মুঠ জনসংখ্যা ১৮ জন। ইয়াৰে পুৰুষৰ সংখ্যা ১১ জন আৰু মহিলাৰ সংখ্যা ৭ গৰাকী।

### সোণাৰীসকলৰ ঐতিহাসিক পটভূমি, বিকাশ আৰু জনগাঁথনি ঃ

সোণাৰীসকল ব্ৰহ্মপুত্ৰৰ সিপাৰে লক্ষীপুৰৰ পৰা সাপটগ্ৰাম আৰু লক্ষীভাণ্ডাৰত আহি বসতি স্থাপন কৰিছে। এই সোণাৰীসকলক বণিক সম্প্ৰদায়ৰ মানুহ বুলি কোৱা হয়। তেওঁলোকে ২৫-৩০ বছৰ ধৰি এই কামটো কৰি আছে। সাপটগ্ৰাম অঞ্চলত সোণাৰীৰ কাম কৰা ১০ টা মান পৰিয়াল আছে। ইয়াৰে প্ৰতিটো পৰিয়ালত ৫-৬ জনকৈ মানুহ আছে। পুৰুষৰ সংখ্যা ২৮ জন আৰু মহিলাৰ সংখ্যা ২৩ গৰাকী।

### মুছি বা মুছিয়ালসকলৰ ঐতিহাসিক পটভূমি, বিকাশ আৰু জনগাঁথনি ঃ

মুছি বা মুছিয়ালসকল বৰপেটা, শালমাৰা আৰু বিলাসীপাৰাৰ পৰা আহি ৰাঙাপানী (শিয়ালটাৰী) লক্ষীভাণ্ডাৰত আহি আশ্ৰয় লয়। মুছি বা মুছিয়ালসকলক চৰ্মকাৰ বুলিও কোৱা হয়। চৰ্মকাৰ মানে চামৰাৰ কাম কৰা লোক। মুছিসকলৰ ৩ টা মান পৰিয়াল ৰাঙাপানী আৰু এটা পৰিয়াল লক্ষীভাণ্ডাৰত আহি আশ্ৰয় লয়। ৰাঙাপানী গাঁৱৰ ৩ টা পৰিয়ালত ৬ জন, ৭ জন, ৩ জনকৈ মানুহ আছে। পুৰুষৰ সংখ্যা ১০ জন আৰু মহিলাৰ সংখ্যা ৬ গৰাকী।

### সাপটগ্ৰাম অঞ্চলৰ বৃত্তিয়াল সম্প্ৰদায়ৰ শিল্পকলা আৰু নিৰ্মাণ পদ্ধতি ঃ

**• কমাৰসকলৰ শিল্পকলা আৰু নিৰ্মাণ পদ্ধতি ঃ**

সাপটগ্ৰাম অঞ্চলৰ লক্ষীভাণ্ডাৰত লোৰ কাম কৰা মানুহ আছে। তেঁওলোকে লোৰে বিভিন্ন সামগ্ৰী তৈয়াৰ কৰে। লোৰ সামগ্ৰীসমূহ তৈয়াৰ কৰিবলৈ প্ৰথমে লো গৰম কৰি যি ৰূপত বনাব বিচাৰে সেই ৰূপতে বনোৱা হয়।

**• কমাৰসকলৰ নিৰ্মাণ কাৰ্যত ব্যৱহৃত সঁজুলি ঃ**

কমাৰসকলে ব্যৱহাৰ কৰা সঁজুলিসমূহ হ'ল— হাৰা মেচিন, কয়লা, হাতুৰী, বটালী আদি।

**• কুমাৰসকলৰ মৃৎ শিল্পৰ নিৰ্মাণ পদ্ধতি ঃ**

সাপটগ্ৰাম অঞ্চলত ভেলাকোবা গাঁওখনত কুমাৰ সম্প্ৰদায়ৰ মানুহ আছে। কুমাৰসকলৰ কামৰ মূল উপাদান হ'ল মাটি। মাটিৰ সামগ্ৰীসমূহ তৈয়াৰ কৰিবলৈ আঠা মাটিৰ প্ৰয়োজন। মাটিৰ সামগ্ৰীসমূহ তৈয়াৰ কৰিবলৈ লওঁতে প্ৰথমে মাটিখিনি পানীত মিহলাই কাঠৰ পাত্ৰ এটাত সোঁ ভৰিৰে গছকি মমৰ দৰে যিমান পাৰি কোমল কৰি লোৱা হয়। তাৰ পিছত মাটিখিনি গোল গোল কৰি লোৱা হয় আৰু একো একোটা গোলৰ পৰা হ'ব এটাকৈ মৃৎ শিল্প। পিছত এই মাটি কাঠৰ পিটনিৰে সৰু-ডাঙৰ আকাৰৰ পাত্ৰৰ বাবে ভিন ভিনকৈ ঘূৰণীয়া চেপেটা কৰি লয়। ইয়াৰ পিছত এই ঘূৰণীয়া অংশটোৰ চাৰিওফালে হাতেৰে কিছু মাটি লগাই দিয়ে। মাটিৰে সাজি লোৱা অংশটোক 'ইটা' বুলি কোৱা হয়। ইয়াৰ পিছত শিলৰ বিভিন্ন আকাৰৰ ওপৰত থৈ ঘূৰণীয়া চেপেটা কৰি লোৱা মাটিখিনি পিটনিৰে পিটি পিটি সৰু ডাঙৰ আকৃতিৰ পাত্ৰৰ ভিন ভিন সামগ্ৰীৰ গঢ় দি ৰ'দত শুকাবলৈ দিয়ে। ৰ'দত শুকুৱাৰ পিছত কেঁচা মৃৎ শিল্পৰ ওপৰত পাহাৰৰ ৰঙা মাটি, খয়াৰ আদিৰে এবিধ ৰঙ তৈয়াৰ কৰি পাত্ৰত লগায়। ৰঙৰ এই প্ৰলেপ মৃৎ পাত্ৰসমূহক ৰঙীণ আৰু মসৃণ কৰে। ৰ'দত শুকুৱো মৃৎ পাত্ৰসমূহৰ ভিতৰত তুঁহ দিয়া হয়; আৰু এই পাত্ৰসমূহ এটাৰ ওপৰত এটা দি সজাই লোৱা হয়। সজাই লোৱাৰ পিছত মৃৎ পাত্ৰৰ স্তুপ ঢাকি লোৱা হয় শিমলু খৰি, ডাল-পাত আদিৰে। মৃৎ পাত্ৰৰ স্তুপ ঢকাৰ বাবে পানীৰে মাটিসমূহ গলাই স্তুপৰ

ওপৰত লগাই দিয়া হয় যাতে তাপসমূহ বাহিৰলৈ ওলাব নোৱাৰে। মৃৎ শিল্পৰ স্তুপৰ তলত থাকে চৌকা আৰু এই চৌকাৰ তলত বহি কুমাৰসকলে কাঠৰ গুড়ি, তুঁহ দি সজাই লোৱা মৃৎ পাত্ৰসমূহ ১২-১৪ ঘণ্টা পুৰি লয় আৰু এই জুইত পুৰা কেঁচা মাটিৰ পাত্ৰসমূহে পিছত স্থায়ী ৰূপ লয়।

**মৃৎ শিল্প নিৰ্মাণত ব্যৱহৃত সঁজুলি ঃ**

মৃৎ শিল্পত ব্যৱহাৰ কৰা সঁজুলি হ'ল—আফীৰ, এথালি, কোৰ, গায়ন, চাক-চোঁকৰী, দানশিল, পিতুন, পেখালি, মাটি অনা ঠেলা আদি।

**• কুমাৰসকলৰ শিল্পসমূহ আৰু ইয়াৰ ব্যৱহাৰিক দিশ ঃ**

কুমাৰসকলে মাটিৰে বিভিন্ন সামগ্ৰী তৈয়াৰ কৰে, যেনে—দৈৰ পাত্ৰ, পিঠা বনোৱা পাত্ৰ, চাকি, হাড়ি, পুতলা, ফুলৰ টাব, মাটিৰ কলহ, ধূপদানী আদি। মাটিৰ কলহ আৰু ধূপদানী পূজাত ব্যৱহাৰ কৰা হয়।

**• মুছিসকলৰ শিল্পকলা আৰু নিৰ্মাণ প্ৰণালী ঃ**

সাপটগ্ৰামৰ অন্তৰ্গত ৰঙাপানী আৰু লক্ষীভাণ্ডাৰত মুছি সম্প্ৰদায়ৰ মানুহ আছে। তেওঁলোকে ঢোল বনাওঁতে গৰুৰ ছাল, ম'হৰ ছাল ব্যৱহাৰ কৰে। ঢোল বনাওঁতে প্ৰথমে চামৰাডোখৰ গোলকৈ কাটি পৰিষ্কাৰ কৰি লোৱা হয় আৰু এই চৰ্মকাৰসকলে কোনো বাদ্য তৈয়াৰ কৰোঁতে অলপ পানীত কেইটামান তুলসীপাত ব্যৱহাৰ কৰে। এই তুলসীপাত ব্যৱহাৰ কৰাৰ গুৰিতে হৈছে বাদ্যসমূহ দেৱবাদ্য গতিকে তেখেতসকলে তাত তুলসীপাত দি শুদ্ধ কৰি লয়। এটা বিশেষ পদ্ধতিৰে কাঠৰ মাৰি এডাল লেঞ্চুৰে তেওঁলোকে বৰতি উলিয়াই লয়। বৰতি উলিওৱাৰ আগত তেখেতসকলে ছাগলীৰ তেল চামৰাখনৰ দুয়োপিঠিত সানি দিয়ে। ঢোলৰ বৰতিত অৱশ্যে ৰং দিয়া নহয়, খোলৰ বৰতি কাটোতে তাত ৰঙা ৰং দিয়া হয়। ঢোলৰ সোঁফালটো 'কোবনি' আৰু বাঁওফালটোক 'তালি' বুলি কোৱা হয়। ঢোলত যিবোৰ ৰচী ব্যৱহাৰ কৰে সেইবোৰক 'বৰতি' বুলি কোৱা হয় আৰু বৰতিবোৰ জন্তুৰ ছালেৰে বনোৱা হয়। ঢোলৰ দুইফালে মলুৱা থাকে। ঢোলৰ মূল জৰীডালক কনাৰি বুলি কোৱা হয়।

**মুছিসকলৰ শিল্প নিৰ্মাণত ব্যৱহৃত সঁজুলি ঃ**

মুছিসকলৰ শিল্প নিৰ্মাণত ব্যৱহাৰ কৰা সঁজুলিসমূহ হ'ল—কুঠাৰ, হাতুৰি, বটালি, বাইছ আদি।

**• মুছিসকলৰ শিল্পসমূহ আৰু ইয়াৰ ব্যৱহাৰিক দিশ ঃ**

মুছিসকলে গৰুৰ ছাল বা ম'হৰ ছালেৰে বিভিন্ন সামগ্ৰী তৈয়াৰ কৰে যেনে- ঢোল, খোল, তবলা, ডুবি, নাগাৰা আদি। বিহুৰ সময়ত ঢোল আৰু কীৰ্তনত খোল আদি বিভিন্ন সামগ্ৰী বিভিন্ন সময়ত ব্যৱহাৰ কৰা হয়।

**• সোণাৰীসকলৰ শিল্পকলা আৰু নিৰ্মাণ প্ৰণালী ঃ**

সাপটগ্ৰাম অঞ্চলৰ লক্ষীভাণ্ডাৰত বণিক সম্প্ৰদায়ৰ মানুহ আছে আৰু তেওঁলোকে সোণেৰে বিভিন্ন সামগ্ৰী তৈয়াৰ কৰে। সোণৰ সামগ্ৰীসমূহ তৈয়াৰ কৰিবলৈ প্ৰথমে সোণ গলোৱা হয় আৰু তাৰপিছত মাটিৰ ঘৈৰাত ঢালি ডাইছত দিয়া হয়। এইদৰে সোণেৰে বিভিন্ন সামগ্ৰী তৈয়াৰ কৰে।

**• সোণাৰীসকলৰ শিল্পকলাৰ নিৰ্মাণৰ সঁজুলি ঃ**

সোণৰ সামগ্ৰীসমূহ তৈয়াৰ কৰোঁতে বিভিন্ন সঁজুলিৰ সহায় লয় যেনে- সোৰগা, মাটিৰ ঘৈৰা, তামা, লোহাৰ ঢালনি।

**• সোণাৰীসকলৰ শিল্পসমূহ আৰু ইয়াৰ ব্যৱহাৰিক দিশ ঃ**

সোণাৰীসকলে সোণৰে বা ৰূপৰে বিভিন্ন সামগ্ৰী তৈয়াৰ কৰে—সোণৰ খাৰু, সোণৰ মালা, আঙুঠি, ৰূপৰ মালা, ৰূপৰ আঙুঠি আদি।

বিয়াত কইনাসকলে সোণৰ খাৰু, সোণৰ মালা,

আঙ্গুঠি আদি পৰিধান কৰে। কইনাৰ উপৰি বিয়াঘৰত থকা সকলো মহিলাই এই সামগ্ৰীবোৰ পৰিধান কৰে।

**• কঁহাৰসকলৰ শিল্পকলা আৰু নিৰ্মাণ পদ্ধতি ঃ**

সাপটগ্ৰাম অঞ্চলৰ লক্ষীভাণ্ডাৰত কঁহাৰ সম্প্ৰদায়ৰ মানুহ আছে। তেওঁলোকে প্ৰথমে কাঁহ জুইত গলাই বাটিত ঠাণ্ডা হ'বলৈ দিয়ে আৰু তাৰ পিছত কাঁহীসমূহ দহ মিনিটমান কোবায়। কোবোৱাৰ পিছত ডিজাইন কৰা হয়। এনেদৰে কাঁহৰ সামগ্ৰীসমূহ নিৰ্মাণ কৰে।

**• কঁহাৰসকলৰ শিল্পকলা নিৰ্মাণ সঁজুলি ঃ**

কঁহাৰসকলে শিল্পকৰ্মত ব্যৱহাৰ কৰা সঁজুলিসমূহ হ'ল- সৰু হাতুৰী, এঙাৰ, হাৱা মেচিন, কুল, সাৰশী আদি।

**• কঁহাৰসকলৰ শিল্পসমূহ আৰু ইয়াৰ ব্যৱহাৰিক দিশ ঃ**

কঁহাৰসকলে কাঁহৰ বিভিন্ন সামগ্ৰী তৈয়াৰ কৰে। যেনে- কাঁহৰ কাঁহী, বঁটা, পিতলৰ কাঁহী আদি। মানুহৰ দৈনন্দিন জীৱনত কাঁহৰ কাঁহী, বঁটা আদিৰ প্ৰয়োজন। ভাত খাওঁতে মানুহে কাঁহৰ কাঁহী ব্যৱহাৰ কৰে আৰু আলহীক তামোল-পাণ দিবলৈ বঁটা ব্যৱহাৰ কৰা হয়।

**শিপিনীসকলৰ শিল্পকলা আৰু নিৰ্মাণ পদ্ধতি ঃ**

সাপটগ্ৰাম অঞ্চলৰ সোণাময়ী গাঁৱৰ মহিলাসকল বয়ন শিল্পৰ লগত জড়িত। তেওঁলোকে আৱশ্যকীয় কানি-কাপোৰ নিজে বৈ লয়। তেওঁলোকে কাপোৰসমূহ বনাওঁতে প্ৰথমে সূতা ববীন কৰে আৰু তাৰ পিছত সূতাবোৰ টানাকাৰী ৰাঁচত ভৰাই। তাৰ পিছত ব-তুলি কাপোৰসমূহ তৈয়াৰ কৰে।

**• শিপিনীসকলৰ শিল্পকলা নিৰ্মাণত ব্যৱহৃত সঁজুলি ঃ**

শিপিনীসকলে শিল্পকলাত ব্যৱহাৰ কৰা সঁজুলিসমূহ হ'ল—ৰাঁচ, চেৰেকী, মাকোঁ, যঁতৰ, নলী, গাৰী, কাৱাৰী আদি।

**• শিপিনীসকলৰ শিল্পসমূহ আৰু ইয়াৰ ব্যৱহাৰিক দিশ ঃ**

শিপিনীসকলে সূঁতাৰে বিভিন্ন সামগ্ৰী তৈয়াৰ কৰে। যেনে—পাটানী, গামোচা, চাদৰ-মেখেলা, আমছা আদি। মানুহৰ দৈনন্দিন জীৱনত চাদৰ-মেখেলা, গামোচা, পাটানী আদিৰ প্ৰয়োজন। ছোৱালীসকলে চাদৰ-মেখেলা, পাটানী আদি পৰিধান কৰে আৰু পুৰুষে গামোচা পৰিধান কৰা দেখা যায়।

**• বাঢ়ৈসকলৰ শিল্পকলা আৰু নিৰ্মাণ পদ্ধতি ঃ**

সাপটগ্ৰাম অঞ্চলৰ ৰাৱনটাৰী গাঁৱত বাঢ়ৈ সম্প্ৰদায়ৰ মানুহ আছে। তেঁওলোকে বাঁহৰ সামগ্ৰীসমূহ তৈয়াৰ কৰোঁতে প্ৰথমে বাঁহ জোখত কাটি লয় তাৰ পিছত তমাল তুলি কটাৰীৰে চাঁচি বিভিন্ন সামগ্ৰী নিৰ্মাণ কৰে।

**• বাঢ়ৈসকলৰ শিল্পকলা নিৰ্মাণত ব্যৱহৃত সঁজুলি ঃ**

বাঢ়ৈসকলে ব্যৱহাৰ কৰা সঁজুলিসমূহ হ'ল-দা, কটাৰী, কৰত আদি।

**• বাঢ়ৈসকলৰ শিল্পসমূহ আৰু ইয়াৰ ব্যৱহাৰিক দিশ ঃ**

বাঢ়ৈসকলে বাঁহেৰে বিভিন্ন সামগ্ৰী তৈয়াৰ কৰে। যেনে—চালনি, কুলা, জাকৈ, খালৈ, পাচি আদি। মানুহৰ দৈনন্দিন জীৱনত বাঁহৰ চালনি, কুলা, জাকৈ, জাপি, খালৈ, পাচি আদিৰ প্ৰয়োজন। আগৰ মানুহে বৰষুণৰ পৰা ৰক্ষা পাবলৈ জাপি ব্যৱহাৰ কৰিছিল আৰু আজিকালি কমসংখ্যক মানুহে জাপি ব্যৱহাৰ কৰে। গাঁৱৰ তিৰোতাসকলে মাছ মাৰিবলৈ জাকৈ-খালৈৰ ব্যৱহাৰ কৰে।

**কাঠমিস্ত্ৰীসকলৰ শিল্পকলা আৰু নিৰ্মাণ পদ্ধতি ঃ**

সাপটগ্ৰাম অঞ্চলৰ ৰাৱনটাৰী গাঁৱৰ কিছুসংখ্যক

মানুহ কাঠমিস্ত্ৰী কামটোৰ লগত জড়িত। তেওঁলোকে কাঠেৰে বিভিন্ন মূল্যবান সামগ্ৰী তৈয়াৰ কৰে। কাঠৰ সামগ্ৰীসমূহ তৈয়াৰ কৰিবলৈ হ'লে প্ৰথমে কাঠ জোখমতে কাটি লোৱা হয়, তাৰপিছত ৰান্দা মাৰি বটালিৰ সহায়ত ফুল বা ডিজাইন তোলা হয়। শেষত এই সামগ্ৰীসমূহৰ ওপৰত বাৰ্ণিচ কৰা হয়।

**• কাঠমিস্ত্ৰীসকলৰ শিল্পকলা নিৰ্মাণত ব্যৱহৃত সঁজুলি ঃ**

কাঠমিস্ত্ৰীসকলে ব্যৱহাৰ কৰা সঁজুলিসমূহ হ'ল—ডাবল ৰান্দা, চিংগল ৰান্দা, প্লেন মাটাম, হাতুৰি আদি।

**• কাঠমিস্ত্ৰীসকলৰ শিল্পসমূহ আৰু ইয়াৰ ব্যৱহাৰিক দিশ ঃ**

কাঠমিস্ত্ৰীসকলে চেগুণ, তিতাচপা, গমাৰি আদি গছৰ কাঠেৰে বিভিন্ন সামগ্ৰী তৈয়াৰ কৰে, যেনে—চকী, বিচনা, আলনা, আলমাৰি আদি। মানুহৰ দৈনন্দিন জীৱনত এই সামগ্ৰীসমূহৰ প্ৰয়োজন।

**সাপটগ্ৰাম অঞ্চলৰ বৃত্তিয়াল লোকসকলৰ সমস্যা আৰু সংকট ঃ**

**• কমাৰসকলৰ সমস্যা আৰু সংকট ঃ**

সাপটগ্ৰাম অঞ্চলৰ কমাৰসকলে আগৰে পৰা এই বৃত্তিটোৰ লগত জড়িত। তেওঁলোকে লোৰে বিভিন্ন সামগ্ৰী তৈয়াৰ কৰি সাপটগ্ৰাম বজাৰত বিক্ৰী কৰে। কিন্তু বাহিৰৰ পৰা উন্নত মানৰ লোৰ সামগ্ৰীসমূহ অহাৰ পিছত থলুৱা সামগ্ৰীসমূহৰ চাহিদা কমি গৈছে আৰু এই অঞ্চলৰ কমাৰসকলে অৰ্থ সংকটত ভুগিব লগা হৈছে।

**• কুমাৰসকলৰ সমস্যা আৰু সংকট ঃ**

পৰম্পৰাগতভাৱে চলি অহা এই হস্তশিল্পটোৰেই কুমাৰসকলৰ জীৱিকা উপাৰ্জনৰ ঘাই পথ। আৰ্থিক অৱস্থা ক্ৰমে অৱনতিৰ ফালে ঢাল খোৱাত তেওঁলোকৰ কিছুসংখ্যক লোক বৰ্তমান অন্যান্য ব্যৱসায়ত লাগিছে। কিছুমানে চৰকাৰী আৰু কিছুমানে বেচৰকাৰী বিভাগত চাকৰি কৰি, কোনোৱে দিন হাজিৰা কৰি জীৱিকা উপাৰ্জন কৰিবলগীয়া হৈছে। তেওঁলোকৰ পুৰুষ-মহিলা উভয়ে এই মৃৎ শিল্পটোৰ লগত জড়িত। মৃৎ শিল্পৰ প্ৰক্ৰিয়াটো আৰম্ভ কৰিবৰ বাবে কমেও আঠ-দহ হাজাৰ টকাৰ প্ৰয়োজন। কিন্তু সেই হিচাপে আয় খুব কম। কাৰণ মাটিৰ সামগ্ৰীবোৰত উচিত মূল্য পোৱা নাযায়। পালসকলে মাটিৰ বাচন-বৰ্তন আদি তৈয়াৰ কৰোঁতে এবিধ বিশেষ ধৰণৰ মাটি ব্যৱহাৰ কৰে। এই মাটি দূৰ-দূৰণিৰ পৰা সংগ্ৰহ কৰিবলগা হয়। যেনে—বিলাসীপাৰা, চিৰাকুটা।

মাটিৰ সামগ্ৰীসমূহ কছাৰীবস্তী, ৰামফল বিল, সেৰফাংগুৰি, বনগাঁও, কলাই গাঁও আদি ঠাইলৈ ৰপ্তানি কৰা হয়। বৰ্তমান এই বাচনবোৰ বাছ, ঠেলাগাড়ী, কান্ধত বাৰেৰে লৈ গৈ শালকোছা, লক্ষীগঞ্জ, নয়াহাট, বগৰীবাৰী, সাপটগ্ৰাম বজাৰত বিক্ৰী কৰা হয় আৰু এই সামগ্ৰীবোৰ পাইকাৰি হিচাপত যোগান দি লাভৱান হয়।

সাপটগ্ৰাম অঞ্চলৰ মৃৎ শিল্পীসকল অক্লান্ত পৰিশ্ৰম কৰিও আজিলৈকে আন্তঃৰাষ্ট্ৰীয় বজাৰত ইয়াৰ চাহিদা দ্ৰুতগতিত বৃদ্ধি কৰিবলৈ সক্ষম হোৱা নাই। উপযুক্ত কাম কৰিও পৰ্যাপ্ত টকা উপাৰ্জন কৰিব পৰা নাই।

**• মুচিসকলৰ সমস্যা আৰু সংকট ঃ**

সাপটগ্ৰাম অঞ্চলৰ মুচি সম্প্ৰদায়ৰ লোকসকলে ২৫-৩০ বছৰ ধৰি এই কামটোৰ লগত জড়িত হৈ আছে। মুচিসকলে গৰুৰ ছাল বা ম'হৰ ছালেৰে বিভিন্ন সঁজুলি তৈয়াৰ কৰি যোৰহাট, তিনিচুকীয়া আদি ঠাইত ৰপ্তানি কৰে। তেওঁলোক অৰ্থনৈতিকভাৱে দুৰ্বল হোৱা কাৰণে আধুনিক আৰু

যন্ত্ৰ নথকাৰ বাবে কিছুমান সামগ্ৰী কলিকতাৰ পৰা আনিবলগীয়া হয়। যেনে—মাৰকেছ, যিপিছ, গিটাৰ, ঝিকি, হাৰমণিয়াম আদি।

**• সোণাৰীসকলৰ সমস্যা আৰু সংকট ঃ**

সাপটগ্ৰাম অঞ্চলৰ সোণাৰীসকল পঁচিশ বছৰ ধৰি এই কামটো কৰি আছে। তেওঁলোকে এই কামটো কৰি জীৱিকা অৰ্জন কৰে। সোণাৰীসকলে কলিকতাৰ পৰা সোণবোৰ কিনি আনি ইয়াত বিক্ৰী কৰে। কিন্তু আজিকালি সোণৰ ব্যৱসায় কৰাৰ উপৰি চাকৰি, অন্যান্য ব্যৱসায় আদি বিভিন্ন ধৰণৰ কাম কৰি জীৱিকা অৰ্জন কৰে, কিয়নো সাপটগ্ৰাম অঞ্চলত সোণৰ দোকান বহুত হোৱাৰ বাবে তেওঁলোকৰ উপাৰ্জন অলপ কমি গৈছে।

**• কঁহাৰসকলৰ সমস্যা আৰু সংকট ঃ**

সাপটগ্ৰাম অঞ্চলৰ কঁহাৰসকলক বণিক বুলি কোৱা হয়। তেওঁলোকে কাঁহ-পিতলৰ বাচন বনোৱাৰ উপৰি সোণাৰীৰ কাম কৰাও দেখা যায়। কঁহাৰসকলে কাঁহৰ সামগ্ৰীসমূহ তৈয়াৰ কৰোঁতে বহুত কষ্ট কৰিবলগা হয়। কিন্তু বৰ্তমান সময়ত অধিক উন্নত মানৰ যন্ত্ৰৰ সহায়ত এই সামগ্ৰীসমূহ তৈয়াৰ কৰিব পাৰি। এই অঞ্চলৰ কঁহাৰসকলে অৰ্থনৈতিকভাৱে দুৰ্বল হোৱাৰ বাবে এই উন্নত মানৰ মেচিন কিনিব নোৱাৰে। মাত্ৰ এটা কঁহাৰ পৰিয়ালৰ ঘৰত এই মেচিনটো আছে। বৰ্তমান সময়ত প্লাষ্টিক, কাচ, চীনামাটিৰ সামগ্ৰীৰে বজাৰত ভৰি পৰাৰ ফলত মানুহে কম মূল্যতে পোৱা এই সামগ্ৰীসমূহ বাদ দি কাঁহৰ বাচন-বৰ্তন কিনিবলৈ অনিহা প্ৰকাশ কৰে।

**• শিপিনীসকলৰ সমস্যা আৰু সংকট ঃ**

সোণাময়ী গাঁৱৰ মহিলা আৰু ছোৱালীসকলে আগৰে পৰা বয়ন শিল্পৰ লগত জড়িত হৈ আছে। তেওঁলোকে আৱশ্যকীয় কানি-কাপোৰ নিজে বৈ লয় আৰু উচিত মূল্য পালে তেওঁলোকে এই কাপোৰ বিক্ৰী কৰে। পাটানী, গামোছা, মেখেলা-চাদৰ আদি কাপোৰবোৰ বিক্ৰী কৰি তেওঁলোকে লাভৱান হোৱা দেখা যায়। কিন্তু আজিকালি চিত্ৰৰঞ্জন তাঁতশাল আৰু ইলেক্ট্ৰনিক তাঁতশাল অহাৰ পিছত আমাৰ ঘৰুৱা তাঁতশালৰ উৎপাদন আৰু চাহিদা কমি গৈছে। চিত্ৰৰঞ্জন তাঁতশাল আৰু ইলেক্ট্ৰনিক তাঁতশালত এদিনতে বহুকেইখন কাপোৰ তৈয়াৰ কৰিব পাৰি কিন্তু ঘৰুৱা তাঁতশালত সৰু গামোছা হলে এখন নাইবা দুখনহে তৈয়াৰ কৰিব পাৰি আৰু সময়ৰো বেছি প্ৰয়োজন হয়। শিপিনীসকলে কাপোৰবোৰত হাতেৰে ফুল তোলোতে কষ্ট হয় আৰু সময়ো বেছি লাগে আৰু চিত্ৰৰঞ্জন তাঁতশাল আৰু ইলেক্ট্ৰনিক তাঁতশালত জেকাৰৰ সহায়ত কম সময়ৰ ভিতৰতে তোলা হয়। বাহিৰৰ পৰা কাপোৰবোৰ অহাৰ ফলত ঘৰুৱা কাপোৰবোৰৰ চাহিদা কমি গৈছে কাৰণ বাহিৰৰ কাপোৰবোৰ অলপ কম দামতে কিনিবলৈ পোৱা যায়।

**• বাঢ়ৈসকলৰ সমস্যা আৰু সংকট ঃ**

ৰাৱনটাৰী গাঁৱৰ লোকসকলে এই হস্ত শিল্পটোৰ লগত জড়িত। তেওঁলোকে বাঁহেৰে বিভিন্ন সামগ্ৰী নিৰ্মাণ কৰি বজাৰত বিক্ৰী কৰে। বাঁহৰ সামগ্ৰীসমূহ নিৰ্মাণ কৰোঁতে বহু কষ্ট কৰিবলগা হয়, কিন্তু কষ্টৰ তুলনাত তেওঁলোকে উচিত মূল্য নাপায়। বৰ্তমান সময়ত প্লাষ্টিকৰ পাচি, চালনি আদি বস্তুবোৰ অহাৰ ফলত বাঁহৰ চাহিদা অলপ কমি গৈছে।

**• কাঠমিস্ত্ৰীসকলৰ সমস্যা আৰু সংকট ঃ**

ৰাৱনটাৰী গাঁৱৰ কিছুসংখ্যক লোক এই হস্তশিল্পটোৰ লগত জড়িত। তেওঁলোকে কাঠৰ বিভিন্ন সামগ্ৰী তৈয়াৰ কৰি বজাৰত বিক্ৰী কৰে আৰু লাভৱান হোৱা দেখা যায়। কিন্তু বৰ্তমান সময়ত ষ্টিলৰ বিছনা, আলনা, আলমাৰি আৰু প্লাষ্টিকৰ মেজ, চকী আদি বস্তুবোৰ অহাৰ ফলত কাঠৰ বস্তুবোৰৰ চাহিদা কমি গৈছে। কাৰণ কাঠৰ বস্তুবোৰতকৈ ষ্টিল বা প্লাষ্টিকৰ বস্তুবোৰৰ দাম কম। ●

# শিশুৰ অধিকাৰ আৰু ভাৰতবৰ্ষৰ আইনী ব্যৱস্থা

## এক পৰ্যালোচনা

**মণিৰা আখটাৰ, ৰেজাজুল হক, আশ্ৰাফুল ফকিৰ, ৰাহুল হক**
স্নাতক দ্বিতীয় ষাণ্মাসিক
ৰাজনীতি বিজ্ঞান বিভাগ

শিশুৰ অধিকাৰ বুলি ক'লে সাধাৰণতে জাতি, ধৰ্ম, ভাষা, বৰ্ণ, লিংগ নিৰ্বিশেষে বিশ্বৰ প্ৰতিগৰাকী শিশুকে মৰ্যাদাপূৰ্ণ শাৰীৰিক আৰু মানসিক সুযোগ-সুবিধা প্ৰদান কৰা আৰু লগতে উপযুক্ত খাদ্য, বাসস্থান আৰু চিকিৎসা সেৱা, শিক্ষা লাভৰ সুযোগ-সুবিধা প্ৰদান কৰাৰ লগতে সকলো ধৰণৰ শোষণ অথবা অত্যাচাৰৰ পৰা শিশুসকলক সুৰক্ষিত কৰি ৰখাকে বুজায়।

শিশুৰ অধিকাৰ হৈছে মানৱ অধিকাৰৰ এটি প্ৰধান অংগ। প্ৰত্যেক শিশুৰ অভিভাৱকে তত্ত্বাৱধানৰ দায়িত্ব গুৰুত্ব সহকাৰে লোৱা উচিত যাতে শিশুসকল কোনোধৰণৰ শাৰীৰিক আৰু মানসিক নিৰ্যাতনৰ বলি নহয়। প্ৰত্যেক শিশুৰে জীৱনৰ অধিকাৰ আছে। জন্ম লাভৰ পিছতে শিশুৰ পঞ্জীকৰণ কৰা আৰু জন্মৰে পৰা এটা নাম লাভ কৰা আৰু জাতীয়তা লাভৰ অধিকাৰ থাকিব। শিশুৰ সকলো ধৰণৰ পৰিচয় বিশেষকৈ জাতীয়তা, নাম আৰু পৰিয়ালৰ সম্পৰ্কৰ আইনে দিয়া ধৰণে সংৰক্ষণ কৰাৰ




অধিকাৰ শিশুসকলৰ থাকিব। শিশুসকলৰ বাবে বাধ্যতামূলক আৰু বিনামূলীয়া প্ৰাথমিক শিক্ষাৰ ব্যৱস্থা গ্ৰহণ কৰিব লাগিব। শিশুক সচেতনতাৰ শিক্ষাৰে ডাঙৰ-দীঘল হোৱাত সহায় কৰিব লাগে যাতে শিশুসকলে ভৱিষ্যতে মানৱসেৱা আৰু ৰাষ্ট্ৰ বিকাশৰ ক্ষেত্ৰত অৰিহণা যোগাব পাৰে।

**শিশু অধিকাৰৰ ঐতিহাসিক পটভূমি ঃ**

এই পৃথিৱীত জন্ম গ্ৰহণ কৰা প্ৰতিটো শিশুৰে জীৱন ধাৰণৰ অধিকাৰ আছে। মৰ্যাদাপূৰ্ণ জীৱন বুলিলে আমি এনেকুৱা জীৱনক বুজো য'ত শিক্ষা, স্বাস্থ্য, খাদ্য, মানসিক আৰু শাৰীৰিক সা-সুবিধাৰ ব্যৱস্থা আছে। কিন্তু বৰ্তমান বিশ্বত লক্ষ্য কৰিলে দেখা পোৱা যায় যে সকলো শিশুৰ বাবে এইটো সম্ভৱপৰ হৈ উঠা নাই। ইয়াৰ আঁৰত লুকাই থকা আচল কাৰণটো হৈছে দৰিদ্ৰতা আৰু কিছুমান সামাজিক সমস্যা। এই দৰিদ্ৰতাৰ বাবে বিশ্বৰ লাখ লাখ শিশুৱে অনাহাৰত জীৱন কটাবলগীয়া হৈছে। ফলত সেই শিশুসকলে নিচেই কম বয়সতে বিভিন্ন কাম কৰিবলৈ লয় আৰু আন কিছুমান পশুৰ নিচিনা মানুহে সেই শিশুসকলৰ দৰিদ্ৰতাৰ সুযোগ গ্ৰহণ কৰি বিভিন্ন কামত জোৰ কৰি কাম কৰিবলৈ বাধ্য কৰায়। কিছুমান শিশুক আকৌ ড্ৰাগছৰ ব্যৱসায় আদি কাৰ্যত লিপ্ত কৰে আৰু কিছুমানে কন্যাশিশুক দেহ ব্যৱসায়ৰ দৰে কামত জড়িত কৰায়।

বৰ্তমান বিশ্বৰ বিভিন্ন প্ৰান্তত মানৱ অধিকাৰ উলংঘন হোৱাটো এটা জ্বলন্ত সমস্যা। আজিৰ শিশু হ'ল কাইলৈৰ নাগৰিক। কিন্তু কিছুমান অনুন্নত আৰু উন্নয়নশীল ৰাষ্ট্ৰই শিশুসকলক বিভিন্ন কষ্টকৰ আৰু বেয়া ধৰণৰ কামত ব্যৱহাৰ কৰি শিশুৰ মানৱ অধিকাৰ উলংঘন কৰা পৰিলক্ষিত হয়। ৰাষ্ট্ৰসংঘৰ এটা সমীক্ষা মতে পৰিয়ালৰ দ্বাৰা পৰিত্যক্ত হৈ প্ৰায় দহ কোটি শিশুৱে হাড়ভঙা পৰিশ্ৰম কৰিবলগীয়া হয়। অথবা বিভিন্ন অপৰাধমূলক বা ভীক্ষাবৃত্তিত লিপ্ত হ'বলগা হয়। পাঁচ কোটিতকৈও অধিক শিশুৱে অস্বাস্থ্যকৰ আৰু অসুৰক্ষিত পৰিবেশত কাম কৰে। ছয় বছৰ বয়সৰ পৰা এঘাৰ বছৰ বয়সৰ ভিতৰত প্ৰায় তিনি কোটি শিশুৱে পঢ়াশালি আধাতে এৰিবলগা হয়। প্ৰতিবছৰে প্ৰায় চাৰি কোটি শিশু মৃত্যুমুখত পৰে। বেছিভাগ শিশুৱে সামাজিক আৰু অৰ্থনৈতিক নিষ্পেষণৰ বলি হ'বলগা হয়।

এই সকলোবোৰ কথা ভাবি-চিন্তি ৰাষ্ট্ৰসংঘই কিছুমান ঘোষণা পত্ৰ গ্ৰহণ কৰিছে। আন্তৰ্জাতিক ক্ষেত্ৰত ৰাষ্ট্ৰসংঘৰ দ্বাৰা মানৱ অধিকাৰৰ সাৰ্বজনীন ঘোষণাপত্ৰ গৃহীত হোৱাৰ পৰাই শিশুৰ অধিকাৰবোৰে গুৰুত্ব লাভ কৰিছে। আন্তৰ্জাতিক পৰ্যায়ত ঘোষণা কৰা দুখন উল্লেখযোগ্য ঘোষণা পত্ৰ হ'ল—

(১) ১৯২৪ চনত গৃহীত জেনেভা ঘোষণা পত্ৰ (The Geneva Declaration of the Rights of the Child, 1924)। এই ঘোষণাপত্ৰত কোৱা হৈছে যে শিশুসকল সকলো প্ৰকাৰৰ শোষণৰ পৰা মুক্ত হ'ব লাগিব, ভোকাতুৰ শিশুৰ বাবে আহাৰ,

ৰুগীয়া শিশুৰ বাবে সাহাৰ্য, অপৰাধী শিশুক সংশোধন, শিশুসকলৰ ব্যক্তিত্ব বিকাশ সাধন কৰাৰ উপৰি মানৱ সম্পদ হিচাপে গঢ় দিয়া নীতিসমূহ এই পত্ৰত উল্লেখ আছে।

(২) মানৱ অধিকাৰ সম্পৰ্কীয় ভিয়েনা ঘোষণাপত্ৰ ১৯৯৩ (The Vienna Declaration on Human Rights,1993) শিশুৰ অধিকাৰ ৰক্ষণা-বেক্ষণৰ ক্ষেত্ৰত ভিয়েনা ঘোষণা পত্ৰ অনুসৰি সকলো ৰাষ্ট্ৰই শিশুৰ অধিকাৰ ৰক্ষাৰ ক্ষেত্ৰত শিশুক শোষণ কৰা, শিশুক কষ্টকৰ শ্ৰমদানত জড়িত কৰা, বিক্ৰী কৰা, অবৈধ কাৰ্যত লিপ্ত কৰা, অপ্ৰয়োজনীয়ভাৱে গালি-গালাজ কৰা এই প্ৰতিবন্ধকতাসমূহ দূৰ কৰিব লাগে।

শিশু অধিকাৰ খৰ্ব কৰা আটাইতকৈ ডাঙৰ কাৰণটো হৈছে শিশুক যৌন নিৰ্যাতন, শোষণ আৰু যৌন ব্যৱসায়ত জড়িত কৰোৱা। বহুক্ষেত্ৰত আৰ্থিক দুৰাৱস্থা, সামাজিক জ্ঞানৰ অভাৱ আদিয়েই শিশু নিৰ্যাতনৰ মূল কাৰণ। আকৌ শিশু শ্ৰমিক ব্যৱস্থাইও শিশু অধিকাৰ ৰক্ষণা-বেক্ষণৰ ক্ষেত্ৰত প্ৰতিবন্ধকতাৰ সৃষ্টি কৰিছে। ই এক বৃহৎ প্ৰত্যাহ্বান বুলি চিনাক্ত কৰা হৈছে। মুঠতে ভিয়েনা ঘোষণা পত্ৰই শিশুৰ সম্পূৰ্ণ সুৰক্ষা প্ৰদানৰ বাবে আহ্বান জনাইছে আৰু শিশুৰ অধিকাৰ সম্পৰ্কে ৰাষ্ট্ৰসকলক সোঁৱৰাই দিছে আৰু ৰাষ্ট্ৰসংঘই সময়ে সময়ে কিছুমান সিদ্ধান্ত, ঘোষণা পত্ৰ আৰু বিভিন্ন প্ৰট'কলৰ জৰিয়তে শিশুৰ অধিকাৰসমূহ ৰক্ষা কৰি আহিছে।

**শিশুৰ অধিকাৰ আৰু ৰাষ্ট্ৰসংঘৰ ব্যৱস্থাৱলী** (Children Rights and the Provisions of U.N.O.) ঃ

শিশুৰ অধিকাৰক প্ৰকৃত মানৱ অধিকাৰৰ অংশ হিচাপে লোৱাৰ ক্ষেত্ৰত ৰাষ্ট্ৰসংঘৰ চনদত উল্লেখ থকাৰ উপৰি ৰাষ্ট্ৰসংঘই ১৯৫৮ চনত 'শিশুৰ অধিকাৰৰ ঘোষণা পত্ৰ' গ্ৰহণ কৰে। শিশুৰ অধিকাৰক স্বীকৃতি দিয়াৰ ক্ষেত্ৰত ৰাষ্ট্ৰসংঘই দহটা নীতিৰ ওপৰত গুৰুত্ব দিয়ে। শিশুৰ অধিকাৰ হিচাপে স্বীকৃতি প্ৰদান কৰা নীতিসমূহ হ'ল—

(১) জাতি, ধৰ্ম, বৰ্ণ, লিংগ নিৰ্বিশেষে বিশ্বৰ প্ৰত্যেক শিশুকে মৰ্যাদাপূৰ্ণভাৱে শাৰীৰিক আৰু মানসিক বিকাশৰ বাবে সুযোগ-সুবিধা প্ৰদান কৰা।

(২) যিকোনো এখন দেশৰ নাগৰিকত্ব লাভ কৰা।

(৩) যাতে বিশ্বৰ প্ৰতিগৰাকী শিশুৱে উপযুক্ত খাদ্য, বাসস্থান, চিকিৎসা আদি সেৱা লাভৰ অধিকাৰ পায়।

(৪) কোনো ধৰণৰ জাতি, ধৰ্ম, বৰ্ণ আদিৰ ভেদাভেদ নথকাকৈ শিক্ষা লাভৰ অধিকাৰ।

(৫) সকলো ধৰণৰ শোষণ, অত্যাচাৰৰ পৰা নিজকে সুৰক্ষা প্ৰদান কৰাৰ অধিকাৰ।

(৬) পৰ্যাপ্ত পৰিমাণৰ জিৰণিৰ সুবিধাৰ অধিকাৰ

(৭) উপযুক্ত পৰিবেশ লাভৰ অধিকাৰ

(৮) প্ৰতিগৰাকী শিশুৰ নিজৰ নিজৰ স্বাস্থ্য ৰক্ষা কৰাৰ অধিকাৰ।

(৯) খেলা-ধূলাৰ জৰিয়তে শাৰীৰিক উৎকৰ্ষ সাধনৰ অধিকাৰ।

(১০) অভিজ্ঞতা আহৰণৰ দ্বাৰা মানসিক বিকাশৰ অধিকাৰ।

UNICEF ৰ গঠন ঃ UNICEF ৰ সম্পূৰ্ণ নামটো হ'ল United Nations International Children's Emergency Fund. UNICEF হৈছে ৰাষ্ট্ৰসংঘৰ আন্তৰ্জাতিক শিশুৰ জৰুৰীকালীন পুঁজিৰে বিকাশ কৰা, যাক ১৯৪৬ চনত ১১ ডিচেম্বৰত নিউয়ৰ্কত ৰাষ্ট্ৰসংঘৰ সহায়ত পূৰ্ণ সংস্থাপন প্ৰশাসনে দ্বিতীয় বিশ্বযুদ্ধৰ সময়ত উন্নত ৰাষ্ট্ৰবোৰক আৰু ক্ষতিগ্ৰস্ত ৰাষ্ট্ৰবোৰৰ শিশুসকলৰ কল্যাণৰ বাবে

ৰাষ্ট্ৰসংঘই এটা পৃথক পুঁজি গঠন কৰে।

ৰাষ্ট্ৰসংঘৰ ৪১ খন সদস্য ৰাষ্ট্ৰই পৰিচালনা কৰিব লগা UNICEF ৰ কাৰ্যনিৰ্বাহক সমিতিখন ৰাষ্ট্ৰসংঘৰ অৰ্থনৈতিক আৰু সামাজিক পৰিষদৰ দ্বাৰা নিৰ্বাচিত কৰা হ'ব। এই সমিতিখনৰ প্ৰধান লক্ষ্য হৈছে শিশুসকলক যাতে ৰাষ্ট্ৰৰ বিকাশৰ কামত ব্যৱহাৰ কৰিব পৰা যায়, তাৰ বাবে উপযুক্তভাৱে গঢ়ি তোলা। ইয়াৰ ৰাষ্ট্ৰবোৰৰ সামাজিক আৰু অৰ্থনৈতিক ক্ষেত্ৰত UNICEF-এ শিশুসকলক বিকাশ লাভত সহায় কৰিব।

ওপৰত উল্লেখ কৰা কনভেনচনবোৰৰ উপৰি আৰু কিছুমান কনভেনচন আছে। এই কনভেনচনবোৰ তলত দিয়া হ'ল—

**আন্তৰ্জাতিক শিশুবৰ্ষ, ১৯৭৯** (International Year of the Child, 1979)ঃ

১৯৭৬ চনৰ ২১ ডিচেম্বৰত ৰাষ্ট্ৰসংঘৰ সাধাৰণ সভাত গৃহীত প্ৰস্তাৱ মতে ১৯৭৯ চনটোক আন্তৰ্জাতিক শিশুবৰ্ষ হিচাপে ঘোষণা কৰা হয়।

**শিশু অধিকাৰৰ সিদ্ধান্ত, ১৯৮৯** (Convention on the Rights of the child, 1989)ঃ

১৯৮৯ চনৰ ২০ নৱেম্বৰ তাৰিখে ৰাষ্ট্ৰসংঘৰ সাধাৰণ সভাই শিশুৰ অধিকাৰক সিদ্ধান্ত হিচাপে গ্ৰহণ কৰে। এই সিদ্ধান্ত মতে, ৰাষ্ট্ৰসংঘৰ চনদ, মানৱ অধিকাৰৰ সাৰ্বজনীন ঘোষণা, সামাজিক, অৰ্থনৈতিক আৰু সাংস্কৃতিক অধিকাৰ আন্তৰ্জাতিক চুক্তিপত্ৰ, ১৯৫৯ চনৰ শিশুৰ অধিকাৰ সম্পৰ্কীয় ঘোষণা পত্ৰ আদিৰ ভিত্তিত গ্ৰহণ কৰা হৈছে।

১৯৯০ চনৰ ২ ছেপ্টেম্বৰ তাৰিখৰ পৰা কাৰ্যকৰী হোৱা চুক্তি পত্ৰখনৰ ২০০৩ চনৰ নৱেম্বৰ মাহলৈকে ১৯২ খন ৰাষ্ট্ৰই স্বাক্ষৰ কৰে।

**ল'ৰা-ছোৱালীৰ জীৱন ধাৰণ, সংৰক্ষণ আৰু বিকাশ সম্পৰ্কীয় বিশ্ব ঘোষণা, ১৯৯০** (The World Declaration of Children, 1990)ঃ

শিশুৰ অধিকাৰ সম্পৰ্কীয় বিশ্ব ঘোষণাৰ ১৯৯০ চনত হোৱা সন্মিলনত ১০ দফীয়া কৰ্মসূচী অন্তৰ্ভুক্ত কৰি শিশুবিলাকৰ অধিকাৰক সুৰক্ষা প্ৰদান কৰিছে।

**শিশু অধিকাৰ উলংঘা কৰাৰ বিভিন্ন কাৰকসমূহ** (Violation of Child Rights)ঃ

বৰ্তমান গোটেই বিশ্বতে শিশুৰ অধিকাৰ উলংঘা কৰাটো এটা গুৰুত্বপূৰ্ণ বিষয়। যিবোৰ অধিকাৰ ৰাষ্ট্ৰসংঘই তথা দেশৰ সংবিধানে শিশুৰ বাবে সন্নিবিষ্ট কৰিছে সেই অধিকাৰসমূহ যেতিয়া খৰ্ব হয় তেতিয়া শিশু অধিকাৰ উলংঘা হোৱা বুলি ধৰা হয়। শিশু অধিকাৰসমূহ সুৰক্ষিত কৰি ৰাখিবৰ বাবে বিভিন্ন আইনী ব্যৱস্থা আৰু নীতি গ্ৰহণ কৰা হৈছে। বৰ্তমান সমাজত বিভিন্নধৰণে শিশুৰ অধিকাৰ উলংঘিত হোৱা দেখা যায়, তাৰ ভিতৰত প্ৰথমতে, আমি ক'ব পাৰোঁ, শিশু শ্ৰমিকৰ কথা যি এছিয়া মহাদেশৰ ভিতৰত ভাৰতবৰ্ষত ইয়াৰ সংখ্যা আটাইতকৈ বেছি। কিছুমান শিশুৱে পেটৰ ভোকৰ তাড়ণাত শাৰীৰিক শ্ৰম বিক্ৰী কৰি হ'লেও জীয়াই থকাৰ প্ৰয়াস কৰিবলগা হৈছে। ছয় বছৰ বয়সৰ পৰা চৈধ্য বছৰ বয়সৰ এইসকল শিশুৱে বিভিন্ন কল-কাৰখানা, উদ্যোগ, ফেক্টৰী আদি বিপদজ্জনক ঠাইত কাম কৰিবলগীয়া হৈছে আৰু কিছুমান অসৎ লোকে এই শিশুসকলক অপহৰণ কৰি বা আন যিকোনো প্ৰকাৰে বিভিন্ন ধৰণৰ ব্যৱসায় যেনে-ভীক্ষা, দেহ ব্যৱসায় আদি কৰোৱায়। বৰ্তমান সময়ত সমাজত শিশু শ্ৰম ব্যৱস্থাটো আটাইতকৈ জ্বলন্ত সমস্যা হিচাপে মূৰ দাঙি উঠিছে। দ্বিতীয়তে আমি ক'ব পাৰোঁ যে আমাৰ সমাজত বাল্যবিবাহৰ প্ৰচলন এতিয়াও বিশেষকৈ অশিক্ষিত আৰু গাঁও অঞ্চলত দেখিবলৈ

পোৱা যায়। শিশুসকলক অতি কম সময়ত বিয়া পাতি দিয়ে ফলত বিভিন্ন অশান্তি আৰু সমস্যাৰ সৃষ্টি হয়। যেনেকৈ এটা পূৰঠ নোহোৱা বীজে কেতিয়াও ভাল ফল দিব নোৱাৰে, সেইদৰে বাল্য বিবাহে পৰৱৰ্তী সময়ত ভাল ফল দেখুৱাব নোৱাৰে। তৃতীয়তে, আমি ক'ব পাৰোঁ শিশু সৰবৰাহ। মহিলাৰ লগতে শিশুৰ সৰবৰাহ শিশুৰ মানৱ অধিকাৰৰ প্ৰতি এটা কঠিন প্ৰত্যাহ্বান। এইটোও ভাৰতবৰ্ষৰ এটা ডাঙৰ সমস্যা। চতুৰ্থতে, আমি ক'ব পাৰোঁ কন্যা শিশুৰ প্ৰতি অৱহেলা। ভাৰতীয় সমাজত এইটো এটা ডাঙৰ সমস্যা। সমাজত সাধাৰণতে লক্ষ্য কৰিলে দেখা যায় যে কন্যাশিশু বিলাক অৱহেলিত। লিংগ বৈষম্যৰ নামত কন্যা শিশুক মানসিকভাৱে নিৰ্যাতন কৰা দেখা যায়। গৰ্ভস্থ সন্তানৰ লিংগ নিৰ্ণয় কৰি যদি কন্যা সন্তান বুলি নিশ্চিত হয় তেতিয়া এনে কন্যা সন্তানক জোৰ কৰি গৰ্ভপাত কৰি হত্যা কৰা হয়। পঞ্চমতে, শিশুক বেশ্যাবৃত্তিত নিয়োগ কৰা দেখা যায়। বিশেষকৈ কলিকতা, মুম্বাই, দিল্লী, হাৰিয়ানা আদি ৰাজ্যত কন্যা শিশুক জোৰ জুলুমভাৱে বেশ্যাবৃত্তিত নিয়োগ কৰা হয়। এনেকৈ জোৰ জুলুমভাৱে বেশ্যাবৃত্তিত নিয়োগ কৰাটো এটা চৰম অপৰাধ। শিশুৰ মানৱ অধিকাৰ উলংঘনৰ ই চৰম উদাহৰণ। ষষ্ঠতে, বিভিন্ন ক'লা ব্যৱসায়ত শিশুক নিয়োগ কৰা হয়। মুম্বাই, দিল্লী আদি মহানগৰীত শিশুসকলক বিভিন্ন ধৰণৰ আণ্ডাৰৱৰ্ল্ড ব্যৱসায় আদিত নিয়োগ কৰা হয়। ড্ৰাগছৰ দৰে অবৈধ ব্যৱসায়ত এনে শিশুসকলক নিয়োগ কৰা হয়।

এনেদৰে শিশুৰ অধিকাৰ উলংঘন নহ'বৰ বাবে সংবিধানে কিছুমান আইন আৰু নীতিৰ ব্যৱস্থা কৰিছে। সংবিধানৰ উপৰি আন কেতবোৰ আইনগত ব্যৱস্থাৰ দ্বাৰাও শিশুৰ অধিকাৰ, বিশেষকৈ শিশু শ্ৰমিকৰ সমস্যাক নিৰ্মূল কৰাৰ ব্যৱস্থা লোৱা হৈছে। প্ৰাক্ স্বাধীন কালত ১৯৩৮ চনত শিশুৰ নিযুক্তি আইনৰ জৰিয়তে (Employment of Children Act, 1938) শিশু শ্ৰমিকক শোষণৰ পৰা ৰক্ষা কৰাটো নিশ্চিত কৰা হৈছিল। ১৯৮৬ চনত এই আইনখনৰ সলনি শিশু শ্ৰমিক নিষেধ আৰু নিয়ন্ত্ৰণ আইন (Child Labour Prohibition and Regulation Act, 1986) কৰা হয়। ইয়াৰ উপৰি আন কিছুমান আইনতো শিশু শ্ৰমিকৰ নিৰাপত্তাৰ ব্যৱস্থা কৰা পৰিলক্ষিত হয়।

১৯৭৮ চনৰ ২২ আগষ্টত ভাৰতবৰ্ষৰ ৰাষ্ট্ৰীয় শিক্ষানীতি (National Policy for Chidren) গ্ৰহণ কৰা হয়। এই নীতি অনুযায়ী জন্মৰ পূৰ্বে আৰু জন্মৰ পিছত শিশুৰ বৌদ্ধিক, মানসিক, সামাজিক, শাৰীৰিক উৎকৰ্ষ সাধনৰ বাবে সকলো ব্যৱস্থা গ্ৰহণ কৰা। ২০০৬ চনত শিশুসকলক গৃহভৃত্য হিচাপে নিয়োগ কৰা আইনগতভাৱে নিষিদ্ধ কৰাৰ বাবে গৃহভৃত্য নিয়োগ নিষিদ্ধ আইন (Domestic Servant Prevention Act.) বলবৎ কৰা হৈছে। সেইদৰে সংবিধানতো ২৪ নং অনুচ্ছেদত কোৱা হৈছে যে চৈধ্য বছৰ বয়সৰ তলত শিশুক বিপদজনক কামত সোমোওৱাটো নিষিদ্ধ কৰা হৈছে। ৮৬ তম্ সংবিধান সংশোধনীমতে ২১ (ক) অনুচ্ছেদত কোৱা হৈছে যে ৬ ৰ পৰা ১৪ বছৰ বয়সৰ সকলো শিশুৰ বাবে বিনামূলীয়া আৰু প্ৰাথমিক শিক্ষাৰ ব্যৱস্থা কৰিব লাগিব। ইয়াৰোপৰি ৬ ৰ পৰা ১৪ বছৰ বয়সৰ শিশুসকলক শিক্ষাৰ সুবিধা প্ৰদান কৰাটো পিতৃ-মাতৃ আৰু অভিভাৱকসকলৰ মৌলিক কৰ্তব্য। এই আইন আইন হৈয়ে আছে। এতিয়াও এই আইন অনুসৰি ঠিকমতে কাম হোৱা নাই। এতিয়াও ভাৰতত বিভিন্ন ৰূপত শিশুৰ মানৱ অধিকাৰ ভয়াৱহ ৰূপত উলংঘন হোৱাটো পৰিলক্ষিত হৈছে।

ভাৰতীয় সংবিধানত শিশুৰ অধিকাৰ (Child Right in Indian Constitution) ঃ প্ৰাক্ স্বাধীনতাৰ যুগত বৃটিছসকলে শিশুৰ অধিকাৰ ৰক্ষাৰ্থে

বিশেষভাৱে মনোনিবেশ কৰিছিল। ইংৰাজসকলে শিশুৰ অধিকাৰ ৰক্ষাৰ্থে প্ৰণয়ন কৰা আইনসমূহৰ ভিতৰত আছিল বিবাহ প্ৰতিৰোধী আনি, ১৯২৯, শিশু আইন ১৯৩৩, শিশু নিয়োগ আইন ১৯২৮ আদি। ভাৰতীয় প্ৰেক্ষাপটত শিশুৰ অধিকাৰ ৰক্ষাত ভাৰতীয় সংবিধানৰ অৱদান মন কৰিবলগীয়া। ভাৰতবৰ্ষত শিশুৰ অধিকাৰক যথাযথ মৰ্যাদা দি ভাৰতীয় সংবিধানত শিশুৰ ৰক্ষাৰ্থে বিশেষ ব্যৱস্থা গ্ৰহণ কৰা হৈছে। ভাৰতীয় সংবিধানত উল্লিখিত বিশেষকৈ মৌলিক অধিকাৰ ৰাষ্ট্ৰৰ নিৰ্দেশাত্মক নীতিত শিশুৰ প্ৰায়বিলাক অধিকাৰ ৰক্ষণাবেক্ষণৰ ব্যৱস্থা গ্ৰহণ কৰা হৈছে।

ভাৰতৰ শিশু শ্ৰমিক সম্পৰ্কীয় প্ৰথমখন আইন গৃহীত কৰা হৈছিল ১৯৩৮ চনত। এই আইনখনত ১৪ বছৰ বয়সৰ তলৰ সকলো শিশুক কোনো কৰ্মক্ষেত্ৰত জড়িত হোৱাত বাধা প্ৰদান কৰা হৈছে। ভাৰতীয় সংবিধানৰ ১৩ (iii) নং অনুচ্ছেদ মতে মহিলা আৰু শিশুৰ উন্নতিৰ বাবে বিশেষ ব্যৱস্থা গ্ৰহণৰ দায়িত্ব চৰকাৰক অৰ্পন কৰা হৈছে। ভাৰতীয় সংবিধানৰ ২৩ নং অনুচ্ছেদত উল্লেখ কৰা মতে মহিলা আৰু শিশুৰ সৰবৰাহ ৰোধ কৰাৰ বাবে চৰকাৰে কঠোৰ আইন প্ৰণয়ন কৰাটো বাধ্যতামূলক। সংবিধানৰ ২৪ নং অনুচ্ছেদ অনুসৰি ১৪ বছৰৰ তলৰ শিশুক বিপদজনক কামত খটুওৱা নিষিদ্ধ কৰা হৈছে। সংবিধানৰ ৩৯ (i) নং অনুচ্ছেদত কোৱা হৈছে যে ৰাষ্ট্ৰই শিশুৰ উন্নতিৰ বাবে চৰকাৰী নীতি প্ৰণয়ন কৰিব। তেনেদৰে সংবিধানৰ ৩৯ (v) নং আৰু ২৯ (vi) নং অনুচ্ছেদ অনুসৰি শিশুৰ স্বাস্থ্য আৰু মৰ্যাদাসম্পন্ন বিকাশৰ বাবে ৰাষ্ট্ৰই নীতি প্ৰণয়ন কৰা বাধ্যতামূলক। ৮৬ তম্ সংবিধান সংশোধন অনুসৰি ২১ (i) অনুচ্ছেদত উল্লেখ কৰা মতে ছয় বছৰৰ পৰা চৈধ্য বছৰ বয়সলৈ সকলো শিশুৰ বাবে বিনামূলীয়া আৰু বাধ্যতামূলক প্ৰাথমিক শিক্ষাৰ ব্যৱস্থা কৰিব লাগিব। তাৰোপৰি ছয়ৰ পৰা চৈধ্য বছৰ বয়সৰ শিশুসকলক শিক্ষাৰ সুবিধা প্ৰদান কৰাটো পিতৃ-মাতৃ আৰু অভিভাৱকসকলৰ মৌলিক কৰ্তব্য।

সংবিধানৰ উপৰি আন কেতবোৰ আইনগত ব্যৱস্থাৰ দ্বাৰাও শিশুৰ অধিকাৰ বিশেষকৈ শিশু শ্ৰমিক সমস্যাক নিৰ্মূল কৰাৰ ব্যৱস্থা লোৱা হৈছে। প্ৰাক্ স্বাধীনতা কালতেই ১৯৩৮ চনত শিশুৰ নিযুক্তি আইনৰ জৰিয়তে শিশু শ্ৰমিকক শোষণৰ পৰা ৰক্ষা কৰাটো নিশ্চিত কৰা হৈছিল। পৰৱৰ্তী সময়ত ১৯৮৬ চনত এই আইনখনৰ সলনি শিশু শ্ৰমিক আইন প্ৰণয়ন কৰা হয়। ১৯৭৪ চনৰ ২২ আগষ্টত ভাৰতবৰ্ষত ৰাষ্ট্ৰীয় শিশু নীতি গ্ৰহণ কৰা হয়। এই নীতি অনুসৰি জন্মৰ পূৰ্বে আৰু জন্মৰ পিছত শিশুৰ সামাজিক, বৌদ্ধিক, মানসিক আৰু শাৰীকি উৎকৰ্ষ সাধনৰ বাবে যথাসম্ভৱ সকলো ব্যৱস্থা গ্ৰহণ কৰা। ২০০৬ চনত শিশুসকলক গৃহভৃত্য নিয়োগ নিষিদ্ধকৰণ আইন বলবৎ কৰা হৈছে। (POCSO) The Protection of Children From Sexual ofences Act. 2012) শিশুৰ অধিকাৰক বিশেষ সুৰক্ষা দিয়াৰ বাবে ভাৰতবৰ্ষত POCSO আইনখন গৃহীত কৰা হয়। The Protection of Children From Sexual ofences Act. 2012 অৰ্থাৎ যৌন অপৰাধৰ পৰা শিশুসকলক সুৰক্ষা প্ৰদান কৰাৰ আইন, ২০১২, এই আইনখন ২০১২ চনৰ ১৯ জুন তাৰিখে গ্ৰহণ কৰা হয় আৰু কাৰ্যকৰী কৰা হয়। শিশু দিৱসৰ দিনা অৰ্থাৎ ১৪ নৱেম্বৰ তাৰিখে এই আইনখন জম্মু-কাশ্মীৰৰ বাহিৰে সমগ্ৰ ভাৰততে কাৰ্যকৰী কৰা হৈছিল। আইনখন বিশেষকৈ শিশুসকলক বিভিন্ন যৌন অপৰাধমূলক কামৰ পৰা ৰক্ষা কৰিবলৈ অনা হৈছিল। POCSO Act. খন কাৰ্যকৰী কৰাৰ কাৰণসমূহ হ'ল, প্ৰথমতে ওঠৰ বছৰ বয়সতকৈ কম বয়সৰ শিশুক যিকোনো ধৰণৰ যৌন নিৰ্যাতনৰ পৰা সুৰক্ষা প্ৰদান কৰা, দ্বিতীয়তে এই

আইনখনৰ আগত বিশেষকৈ শিশু সুৰক্ষাৰ বাবে কোনো বিশেষ আইন নাছিল। সেই কাৰণেও এই আইনখন গৃহীত কৰা হৈছে। তৃতীয়তে এই আইনখন বলবৎ কৰাৰ আন এটা কাৰণ হৈছে ভাৰতবৰ্ষই (UN Convention on the Rights of the Children in 1992) ১৯৯২ চনত ৰাষ্ট্ৰসংঘত শিশুৰ অধিকাৰ সংক্ৰান্ত সিদ্ধান্তত চহী কৰিছিল। এই সিদ্ধান্তৰ জৰিয়তে কোৱা হৈছে যে শিশুৰ যৌন নিৰ্যাতন, যৌন শোষণ আদিৰ লগত জড়িত ঘটনাবোৰৰ তথ্য সোনকালে সংগ্ৰহ কৰিব লাগে আৰু দোষীক কঠোৰ শাস্তি প্ৰদান কৰিব লাগে। চতুৰ্থতে দোষীক এনেকুৱা কঠোৰ শাস্তি প্ৰদান কৰিব লাগে যাতে পৰৱৰ্তী সময়ত কোনেও সেই কামটো কৰিবলৈ সাহস নকৰে। পঞ্চমতে, আই পি চিৰ বিভিন্ন ধাৰাত শিশুৰ যৌন নিৰ্যাতনৰ বিচাৰ কৰা হৈছিল কাৰণ ধাৰা ৩৭৫ ধৰ্ষণ ইত্যাদিৰ সৈতে সম্পৰ্কিত।

কিন্তু দেখা যায় যে IPC ধাৰাসমূহ বিভিন্ন সমস্যাত ভূগে যেনে—

IPC ধাৰা ৩৭৫ ল'ৰা শিশুক ৰক্ষা নকৰে আৰু মাত্ৰ পৰম্পৰাগত যৌন অপৰাধকহে ৰক্ষা কৰে।

IPC ধাৰা ৩৭৭ আৰু IPC ধাৰা ৩৫৪ ধাৰাই 'Unnatural Ofencess' আৰু 'Modesty' নিৰ্ধাৰণ নকৰে।

পিছত তেওঁলোকে উপলব্ধি কৰিলে যে IPC ধাৰাৰ দ্বাৰা শিশুৰ অধিকাৰ সম্পূৰ্ণৰূপে সুনিশ্চিত কৰিব নোৱাৰি। সেইকাৰণে তেওঁলোকে অনুভৱ কৰিলে যে শিশুৰ অপৰাধৰ বিৰুদ্ধে এখন সুস্পষ্ট আইনৰ প্ৰয়োজন। সেইবাবে POCSO Act খন অনা হৈছিল আৰু এয়াই নহয় POCSO ৰ সৈতে সম্বন্ধিত এখন বিশেষ আদালতৰো ব্যৱস্থা কৰা হৈছিল। এই আইনখন কাৰ্যকৰী কৰাৰ আচল উদ্দেশ্য হৈছে শিশুসকলৰ যৌন নিৰ্যাতন, যৌন শোষণ, পৰ্ণগ্ৰাফী আদিৰ পৰা ৰক্ষা কৰা। এই আইনখন ২০১৯ চনত সংশোধনী কৰা হয়। এই আইনখনৰ বৈশিষ্ট্য কিছুমান হ'ল—

এই আইন মতে ওঠৰ বছৰ বয়সৰ তলৰ ল'ৰা-ছোৱালী সকলো শিশুক অন্তৰ্ভুক্ত কৰিছে। ইয়াত লিংগৰ ভিত্তিত কোনো বৈষম্য কৰা হোৱা নাই।

যৌন অপৰাধত তেতিয়া জটিলতা আহিব যেতিয়া পীড়িত শিশুজনে মানসিকভাৱে অসুস্থ বা কোনো বিশ্বস্ত ব্যক্তি যেনে—পৰিয়ালৰ কোনো ব্যক্তিৰ দ্বাৰা বা ডাক্তৰ, শিক্ষক অথবা পুলিচ অফিচাৰ আদিৰ দ্বাৰা কাৰ্যটো সংঘটিত হয়। POCSO আইনখনত IPC ৰ তুলনাত উচ্চতৰ শাস্তিৰ বিধান আছে কাৰণ ইয়াত শিশুসকলে চিকাৰ হৈ আহিছে। গতিকে ক'ব পাৰোঁ যে এই আইনখন বিশেষকৈ শিশুক যৌন অপৰাধৰ পৰা সুৰক্ষাৰ বাবে তৈয়াৰ কৰা হৈছে।

শিশুৰ অধিকাৰ বুলিলে শিশুৰ কিছুমান মৌলিক অধিকাৰক বুজায় য'ত এখন দেশৰ প্ৰতিটো শিশুৰ অধিকাৰ থকা উচিত। এই অধিকাৰ জাতি, ধৰ্ম, বৰ্ণ, ভাষা আদি নিৰ্বিশেষে সকলো শিশুৰ বাবে উপলব্ধ হ'ব। বিশ্বৰ প্ৰায় সকলো দেশেই শিশুৰ অধিকাৰক লৈ সচেতন হৈ উঠিছে আৰু এই পদক্ষেপত সৰ্বাত্মক প্ৰচেষ্টা চলাই গৈ আছে। ভাৰত চৰকাৰেও এই দিশত প্ৰশংসনীয় কাম কৰি আছে। ইয়াৰ সকলোতকৈ উপযুক্ত উদাহৰণ হৈছে প্ৰাথমিক শিক্ষা বিনামূলীয়া আৰু বাধ্যতামূলক কৰা। শিশু অপৰাধৰ বাবে ফৌজদাৰী আইন পৰিণত কৰা ভাৰত চৰকাৰৰ আন এটি মহৎ কাম। গতিকে আমাৰ দায়িত্ব যে শিশুৰ অধিকাৰবোৰক সমৰ্থন কৰা আৰু মানি চলা উচিত। ভাৰতীয় সংবিধানত সন্নিৱিষ্ট থকা শিশুসকলৰ লগত জড়িত কিছুমান মৌলিক অধিকাৰ হ'ল শিক্ষাৰ অধিকাৰ, জীৱন ৰক্ষাৰ অধিকাৰ, মত প্ৰকাশৰ অধিকাৰ, স্বাধীনতা আৰু আত্ম পৰিচয়ৰ অধিকাৰ। ●

# অসম আৰক্ষীৰ ভূমিকা আৰু তাৎপৰ্য


**জয়দ্বীপ নাথ**

**চুলেমান আহমেদ**

স্নাতক দ্বিতীয় ষাণ্মাসিক, ৰাজনীতি বিজ্ঞান বিভাগ


অসমত আধুনিক পুলিচ প্ৰশাসন ব্যৱস্থাটো বৃটিছ সকলৰ আমোলত সূচনা হৈছিল। ১৮২৬ চনত ইয়াণ্ডাবু সন্ধি অনুসৰি বৃটিছে অসম অধিকাৰ কৰে। অধিকাৰ কৰাৰ পিছত কালক্ৰমত বৃটিছসকলে অসমত পুলিচ চকী স্থাপন কৰাৰ লগতে স্থায়ী আৰক্ষী বাহিনীৰ সৃষ্টি কৰে। বৃটিছ চৰকাৰে আৰক্ষী ব্যৱস্থাটো পৰিচালনা কৰাৰ বাবে ১৮৬২ চনত বৃটিছে একোজন দাৰোগাৰ অধীনত একোখন জিলাৰ পুলিচ বাহিনী গঠন কৰিছিল। সেই সময়ত অসমত এঘাৰখন পুলিচ জিলা আছিল। সেই জিলা কেইখন হ'ল—গোৱালপাৰা, কামৰূপ, দৰং, নগাঁও, শিৱসাগৰ, লক্ষীমপুৰ, গাৰো পাহাৰ, কাছাৰ আৰু চিলেট। বৃটিছে অসমখন অধীনলৈ নিয়াৰ পিছত অসমৰ শাসন ব্যৱস্থাটোত বহুতো অসুবিধা দেখিছিল। এই অসুবিধাবোৰ দূৰ কৰাৰ অৰ্থে আৰু বৃটিছৰ শাসন ব্যৱস্থাটো শক্তিশালী ৰূপত পৰিচালনাৰ বাবে এই আৰক্ষী ব্যৱস্থাটো প্ৰতিষ্ঠা কৰিছিল। এই আৰক্ষী ব্যৱস্থাটো

প্ৰতিষ্ঠা কৰাৰ এইটোৱেই মূল কাৰণ বুলি ক'ব নোৱাৰি। বৃটিছে আৰক্ষী ব্যৱস্থাটো গোটেই অসমত বহুলভাৱে প্ৰতিষ্ঠাৰ কৰাত বহুতো পদক্ষেপ লৈছিল। তাৰে ১৮৩৫ চনত 'কাছাৰ লেভী' নামৰ এটা সু-সংগঠিত আৰু বিভিন্ন পদবীৰে সমৃদ্ধ ৭৫০ জনীয়া বাহিনী গঠন কৰা হৈছিল। এই বাহিনীটো গঠন কৰিছিল নগাঁও জিলাৰ সেই সময়ৰ চিভিল চাৰ্ভিচ অফিচাৰ মি. গ্ৰেঞ্জ নামৰ বিষয়াজনে। ১৮৩৮ চনত 'যোৰহাট মিলিচিয়া' গঠন কৰা হৈছিল, সীমান্ত অঞ্চল পহৰা দিয়াৰ বাবে। পৰৱৰ্তী সময়ত ইয়াক 'কাছাৰ লেভী'ৰ লগত সংযুক্ত কৰি দিয়া হয়। ১৮৮৩ চনত এই কাছাৰ লেভীক 'ফ্ৰণ্টিয়াৰ পুলিচ' নামেৰে নামকৰণ কৰা হয়। ১৯২০ চনত ইয়াকেই 'আছাম ৰাইফলছ' হিচাপে পুনৰ নামকৰণ কৰা হয়।

**অসম আৰক্ষীৰ ইতিহাস ঃ**

আৰম্ভণিৰ পৰা ক'বলৈ গ'লে—অসমখন শাসন কৰিছিল বহুতো ৰাজবংশই। বিশেষকৈ অসমৰ বেছিভাগ ঠাই আহোম আৰু কোঁচ ৰাজবংশই শাসন কৰিছিল। তেওঁলোকৰ শাসন ব্যৱস্থাটো আছিল নিজাববীয়া। কিন্তু যেতিয়া বৃটিছসকলে অসমখন নিজৰ অধীনত লৈছিল তেতিয়া দেখিছিল যে কোঁচ ৰাজবংশীসকলৰ শাসন ব্যৱস্থাটো বেলেগ আছিল। আহোমসকলৰ শাসন ব্যৱস্থাটো বেলেগ আছিল আৰু এই শাসন ব্যৱস্থাটোত বৃটিছসকলে বহুত সমস্যা দেখা পাইছিল। তেতিয়া বৃটিছসকলে উপলব্ধি কৰিছিল যে তেওঁলোকৰ শাসন ব্যৱস্থাটোক যদি শক্তিশালী কৰিব লাগে তেতিয়াহ'লে এই ব্যৱস্থাটোক পৰিৱৰ্তন কৰিব লাগিব। যাৰ ফলশ্ৰুতিত অসম আৰক্ষী বাহিনী বা পুলিচ বাহিনীটোৰ সৃষ্টি কৰিছিল। তেওঁলোকৰ শাসন ব্যৱস্থাটোক পৰিচালনা কৰিবৰ বাবে এই আৰক্ষী বাহিনীটোক চাৰিটা শাখাত বিভক্ত কৰিছিল। ভাগ চাৰিটা হ'ল—

১। চিভিল পুলিচ —এওঁলোকৰ দায়িত্ব আছিল জিলাবিলাকত আইন ভালদৰে পালন হৈ আছে নে নাই আৰু ক'ৰবাত অপৰাধ হৈ আছে নেকি সেইবিলাক চোৱা-চিতা কৰা।

২। ফ্ৰণ্টিয়াৰ পুলিচ — এওঁলোকৰ দায়িত্ব আছিল অসমৰ সীমান্ত অঞ্চল পহৰা দিয়া। এওঁলোকক অৰ্ধ সামৰিক বাহিনী বুলিও ক'ব পাৰি।

৩। মিউনিচিপাল পুলিচ — এওঁলোকৰ দায়িত্ব আছিল চহৰবিলাকত আইন মানি চলিছে নে নাই আৰু আইন প্ৰচলিত হৈছে নে নাই তাকে চোৱা চিতা কৰা। পিছত এই বাহিনীটোক চিভিল পুলিচৰ লগত মিলাই দিছিল।

৪। ৰুৰেল পুলিচ — এওঁলোকৰ দায়িত্ব আছিল গাঁও অঞ্চলৰ আইন ভালদৰে প্ৰচলিত হৈছে নে নাই তাকে চোৱা চিতা কৰা।

১৮৯১ চনত ফ্ৰণ্টিয়াৰ পুলিচ নামটো পৰিৱৰ্তন কৰি সশস্ত্ৰ পুলিচ হিচাপে নামকৰণ কৰিছিল। যাৰ দায়িত্ব আছিল সীমান্ত অঞ্চল পহৰা দিয়া। ৰুৰেল আৰু মিউনিচিপাল পুলিচক গাঁৱত আইন ভালদৰে প্ৰচলিত হৈছে নে নাই সেইটো চোৱা চিতা কৰাৰ উপৰি আৰু বহুতো গুৰুত্বপূৰ্ণ দায়িত্ব অৰ্পন কৰিছিল।

ইয়াৰ পাঁচ বছৰ পিছত এপ্ৰিল মাহত ১৮৮৫ চনত ৰেলৱে পুলিচ গঠন কৰিছিল। এই ৰেলৱে ব্যৱস্থাটো চোৱা চিতা কৰাৰ বাবে এজন হেড কনিষ্টবল আৰু চাৰিজন কনিষ্টবলক নিয়োগ কৰিছিল। ১৯১২ চনত অসম এখন নতুন প্ৰদেশৰ ৰূপত অস্তিত্ব লাভ কৰিছিল। তেতিয়া উত্তৰ-পূৰ্বাঞ্চলৰ গোটেইবিলাক ঠাই চোৱা চিতাৰ বাবে এটা নতুন সামৰিক বাহিনীৰ সৃষ্টি কৰিছিল আৰু সেই বিভাগৰ অধিকাৰীবিলাকৰ সকলোৱে ক্ষমতা সমানেই আছিল আৰু এই ব্যৱস্থাটো চৰকাৰৰ হাতত



অৰ্পন কৰিছিল।

১৯১৩ চনত The Criminal Investigation Department নামৰ বিভাগ এটা নিৰ্মাণ কৰিছিল। যাৰ কাম আছিল বুদ্ধিমত্তাৰে চৰমপন্থী ক্ৰিয়াকলাপ কমোৱা। এই বিভাগৰ প্ৰথম বিশেষ পুলিচ অধীক্ষক হিচাপে এ. ই. এইচ. চেটল ৰৰ্থক নিযুক্তি দিছিল। যেতিয়া এই বিভাগৰ কাৰ্যকলাপ বৃদ্ধি পালে এই কাৰ্যকলাপ বিলাক সুচাৰুৰূপে সমাধান কৰিবৰ বাবে ১৯৩৫ চনত এটা নতুন পদবী ডেপুটি জেনেৰেল অৰ পুলিচ গঠন কৰিছিল আৰু ১৯৭৪ চনত চি.আই.ডি.ৰ মুখ্য কাৰ্যালয় শ্বিলঙৰ পৰা গুৱাহাটীলৈ স্থানান্তৰিত কৰিছিল।

১৯২৯ চনত অসম চিভিল পুলিচে এখন কমিটী গঠন কৰিছিল। সেই কমিটীৰ চেয়াৰমেন আছিল চৈয়দ মহম্মদ চাদুল্লা আৰু তেওঁৰ লগত কেইজনমান সসদ্যও আছিল। এই কমিটীৰ উদ্দেশ্য আছিল অসমৰ আৰক্ষী ব্যৱস্থাৰ ওপৰত অধ্যয়ন কৰা আৰু পৰ্যবেক্ষণ কৰা। তেওঁলোকে অধ্যয়ন আৰু পৰ্যবেক্ষণ কৰি কেইটামান সিদ্ধান্ত দিছিল।

১। তেওঁলোকে পৰ্যবেক্ষণ কৰি কৈছিল যে পুলিচ আৰু জনতাৰ মাজত সম্পৰ্ক ভাল নাছিল। পুলিচে জনতাৰ ওপৰত অত্যাচাৰ কৰিছিল।

২। তেওঁলোকে সিদ্ধান্ত দিছিল যে অদক্ষতা আৰু দুৰ্নীতি দূৰ কৰিবলৈ হ'লে শিক্ষিত যুৱকসকলক নিযুক্তি দিব লাগিব আৰু দৰমহা বৃদ্ধি কৰিব লাগিব।

৩। তেওঁলোকৰ মতে, ইউনিফৰ্মবিলাক পুৰণিকলীয়াৰ পৰা পৰিৱৰ্তন কৰি আধুনিক ইউনিফৰ্মৰ ব্যৱস্থা কৰিব লাগে।

স্বাধীনতাৰ পিছত অসম আৰক্ষী ব্যৱস্থাত বিশেষকৈ দুটা প্ৰভাৱ পৰিছিল।

১। বৃটিছ অধিকাৰীবিলাক উচ্চ পদৰ পৰা আঁতৰি যোৱাৰ ফলত যোগ্য ব্যক্তিৰ অভাৱ হৈছিল। কাৰণ তেওঁলোক উচ্চ শিক্ষিত আৰু

অভিজ্ঞতাসম্পন্ন আছিল।

২। অসম পুলিচৰ দক্ষতাৰ অভাৱৰ ফলত 'অসম ৰাইফলচ্' অসম পুলিচৰ পৰা বিভক্ত হৈছিল।

কিন্তু বৰ্তমান দেখিবলৈ পোৱা যায় যে অসম আৰক্ষীয়ে বহুত উন্নতি কৰিছে। অসম আৰক্ষীৰ কথা যদি আমি ভালদৰে অৱতাৰণা কৰোঁ তেতিয়া দেখিবলৈ পাওঁ যে বৃটিছৰ দিনৰ পৰা এতিয়ালৈ অসম আৰক্ষী ব্যৱস্থাটো সুচাৰুৰূপে শৃংখলাবদ্ধভাৱে চলি আহিছে।

**অসম আৰক্ষীৰ গাঁথনি ঃ**

বৰ্তমান সময়ত যদি আমি অসম আৰক্ষীৰ গাঁথনিৰ বিষয়ে আলোচনা কৰিবলৈ যাওঁ তেতিয়া আমাক প্ৰথমতে চৰকাৰৰ পদবী ব্যৱস্থাটোক চাব লাগিব। অসম আৰক্ষীৰ প্ৰথম পদটো হ'ল DGP–Director General of Police. এই পদত অধীনস্থ মানুহজন বহুত ক্ষমতাৰ অধিকাৰী হয়। এখন ৰাজ্যত এইটো পদ এটাই থাকে আৰু এই পদত থকা মানুহজনৰ হাতত গোটেই ৰাজ্যৰ আৰক্ষী ব্যৱস্থাটো ন্যস্ত থাকে। তাৰ তলৰ পদটো ADGP–Additional Director General of Police. যাৰ ক্ষমতা DGP তকৈ কম থাকে। তাৰ পিছৰ পদটো হৈছে IGP–Inspector General of Police. এই পদত ন্যস্ত থকা মানুহজন প্ৰশাসনিক ব্যৱস্থাটো চোৱা-চিতা কৰে আৰু ৰাষ্ট্ৰীয় কোনো আইন চলাবৰ বাবে আদেশ দিব পাৰে। তাৰ তলৰ পদটো হ'ল—DIGP–Deputy Inspector General of Police. এই পদবীত থকা মানুহজনৰ ক্ষমতাৰ কথা উল্লেখ কৰিবলৈ হ'লে ক'ব পাৰি যে, তেওঁ যিখন ঠাইত কৰ্মৰত হৈ থাকে সেই ঠাইত সকলো সময়তে নিৰীক্ষণ কৰিব পাৰে আৰু নিৰীক্ষণ কৰাৰ পাছত তেওঁ যদি দেখে আইন উলংঘা হৈছে, তেতিয়া তেওঁ আইন উলংঘা কৰাজনক কঠোৰ শাস্তিৰ বিহিব পাৰে। তাৰ তলৰ আন এটা উল্লেখযোগ্য পদ হ'ল SSP–Senior Superintendent of Police. এই পদত ন্যস্ত থকা মানুহজন এখন ডাঙৰ চহৰৰ মুখ্য আৰক্ষী হিচাপে কৰ্মৰত হয়। তাৰ তলৰ আন এটা পদ হ'ল—SP–Superintendent of Police. এই পদবীত কৰ্মৰত মানুহজনৰ হাতত এখন জিলাৰ প্ৰশাসনিক দায়িত্ব ন্যস্ত থাকে। তেওঁ এখন জিলাৰ মুখ্য আৰক্ষী হিচাপে কাম কৰে। তেওঁৰ তলৰ আন এটা পদ হ'ল—Addl. SP–Additional Superintendent of Police. এই পদত অধীনস্থ ব্যক্তিজন SP ৰ তুলনাত অলপ কম ক্ষমতাশালী হয়। তাৰ তলৰ আন এটা উল্লেখযোগ্য পদ ASP–Assistant Superintendent of Police. সাধাৰণতে এখন জিলাত ASP তিনিজন বা চাৰিজন থকা দেখা যায়। তেওঁলোক SP ৰ সহায়ক হিচাপে কাম কৰে। তাৰ তলৰ আন এটা পদ হ'ল DSP–Deputy Superintendent of Police. তাৰ তলৰ আন এটা পদ হ'ল Inspector. তাৰ তলৰ আন এটা পদ হ'ল SI-Sub-Inspector. এই পদত ন্যস্ত থকা ব্যক্তিজনে আইন অনুসৰি Charge Sheet দাখিল কৰিব পাৰে। তেওঁলোকে এখন Out Post ৰ মুখ্য পদবী হিচাপে কাম কৰে। তাৰ তলৰ পদটো হ'ল ASI–Assistant Sub-Inspector. তেওঁলোক SI ৰ সহায়ক ৰূপে কাম কৰে। তাৰ তলৰ পদবোৰ ক্ৰমে Head Constable, Senior Constable and Constable.

অসম পুলিচৰ বহুত শাখা আৰু সেই শাখাবোৰ তলত আলোচনা কৰা হ'ল—

1. Assam Police Radio Organisation (APRO)
2. The Bureau of Investigation (EO)
3. Battalions
4. Border
5. Police Commissionerate
6. Special Task Force
7. Criminal Investigation Department

8. Railway Police
9. Village Defence Organization
10. Special Branch
11. Assam Police Housing Corporation Ltd.
12. C.M.S. Special Vigilance Cell
13. Commando
14. River Police
15. Training Institute
16. Mounted Police.

অসম আৰক্ষীৰ আন এটা গুৰুত্বপূৰ্ণ অংশ হ'ল প্ৰশিক্ষণ। কাৰণ প্ৰশিক্ষণৰ অবিহনে কোনো ব্যক্তি অনুশাসনৰ বিষয়ে শিকিব নোৱাৰে আৰু আৰক্ষী ব্যৱস্থাত নিজে যদি অনুশাসন বৰ্তাই ৰাখিব নোৱাৰে তেতিয়া জনসাধাৰণক ভাল বেয়া বা আইন মানি চলিবৰ বাবে পদক্ষেপ ল'ব নোৱাৰিব। অসমৰ কেইখনমান প্ৰশিক্ষণ প্ৰতিষ্ঠান হ'ল—

(i) পুলিচ ট্ৰেইনিং কলেজ (PTC), দেৰগাঁও, গোলাঘাট।

(ii) অসম পুলিচ ট্ৰেইনিং চেণ্টাৰ (APTC), দেৰগাঁও, গোলাঘাট।

(iii) ৰিক্ৰুট ট্ৰেইনিং স্কুল (RTC), দেৰগাঁও, গোলাঘাট।

(iv) বেসিক ট্ৰেইনিং চেণ্টাৰ (BTC), দেৰগাঁও, গোলাঘাট।

**অসম আৰক্ষীৰ তাৎপৰ্য ঃ**

আৰক্ষীসকলে আইন শৃংখলা মানি চলি জনসাধাৰণৰ মংগলৰ বাবে কাম কৰি আহিছে। বৰ্তমান সময়ত অসম আৰক্ষীয়ে অধিক তৎপৰতাৰে জনতাৰ উন্নতিৰ হকে কাম কৰা দেখা যায়। চাবলৈ গ'লে আগৰ সময়ত অসম আৰক্ষী প্ৰশাসন ইমান আধুনিক নাছিল কিন্তু বৰ্তমান সময়ত আৰক্ষীক আধুনিকীকৰণ কৰা হৈছে আৰু বহুত আধুনিক অস্ত্ৰ-শস্ত্ৰৰ সমাৱেশ আগৰ সময়ত উপযুক্ত নিযুক্তিৰ অভাৱ দেখা গৈছিল। কিন্তু বৰ্তমান সময়ত খালী পদ ওলোৱাৰ লগে লগে স্বচ্ছতাৰ নীতি পালন কৰি উপযুক্ত নিযুক্তিৰ ব্যৱস্থা কৰা হৈছে। যিহেতু আৰক্ষী প্ৰশাসন জনসাধাৰণৰ কল্যাণৰ বাবে থকা এক ব্যৱস্থা, সেয়েহে, বৰ্তমান অসম আৰক্ষীয়ে কেনেধৰণৰ কাম কৰি আছে তাৰ এটা উদাহৰণ তলত দাঙি ধৰা হ'ল—

উদাহৰণ হিচাপে আমি অসমৰ এজন জনপ্ৰিয় আৰক্ষী অধীক্ষক (Superintendent of Police) Anand Mishra ৰ কথা ক'ব পাৰোঁ। তেওঁ যি সময়ত ধুবুৰী জিলাত এচ. পি. পদত যোগদান কৰিছিল, তেতিয়া জনসাধাৰণৰ হিতৰ কাৰণে বহুতো কাম কৰা আমি দেখিবলৈ পাওঁ। তেওঁ বহুত অবৈধ সংগঠন আৰু জনতাৰ অহিত কৰিব বিচৰা বিভিন্ন কাৰ্যকলাপ প্ৰতিৰোধ কৰাৰ ব্যৱস্থা কৰিছিল। তেওঁ জনসাধাৰণৰ লগত সু-সম্পৰ্ক বজাই ৰাখি, আইনৰ আওতাত থাকি সকলোবিলাক কাম কৰিছিল। সেই কাৰণে, তেওঁ যুৱ প্ৰজন্মৰ মাজত অধিক জনপ্ৰিয় হৈ পৰিছিল। তাৰ পিছত তেওঁ নগাঁও জিলাৰ আৰক্ষী অধীক্ষক হিচাপে কৰ্মত যোগদান কৰে আৰু যোগদান কৰাৰ পিছত তেওঁ লক্ষ্য কৰিছিল যে তাত ড্ৰাগছৰ প্ৰচুৰ পৰিমাণে অবৈধ বেহা-বেপাৰ চলি আছিল। তেতিয়া তেওঁ এই অবৈধ বেহা-বেপাৰসমূহ উৎখাত কৰাৰ বাবে যথেষ্ট তৎপৰতা দেখুৱাইছিল। যাৰ ফলত নগাঁও জিলাত ড্ৰাগছৰ অবৈধ বেহা-বেপাৰ বহু পৰিমাণে কমি আহিছে।

বৰ্তমান সময়ত অসম আৰক্ষীয়ে বহুত ভাল কাম কৰি গৈ আছে। উল্লেখযোগ্য হিচাপে গৰুৰ চোৰাং বেহা-বেপাৰ আদি ৰোধ কৰাৰ ক্ষেত্ৰত সচেতন হৈছে। ইয়াৰোপৰি উগ্ৰপন্থীৰ বিভিন্ন কাৰ্য কলাপৰ পৰা অসমখনক ৰক্ষা কৰি আছে। গড়ৰ খৰ্গৰ অবৈধ বেহা-বেপাৰ প্ৰতিৰোধ কৰিবলৈও

সক্ষম হোৱা দেখা যায়।

কভিডৰ সময়ত যেতিয়া অসমত এক ভয়াৱহ অৱস্থাৰ সৃষ্টি হৈছিল তেতিয়াও অসম আৰক্ষীয়ে নিজৰ দায়িত্ব পালনত কুণ্ঠাবোধ কৰা নাছিল। মহামাৰীৰ সময়ত অসম আৰক্ষীসকলে কভিডৰ চিকিৎসাৰ বাবে ব্লাড প্লাজমা দান কৰিছিল। মহামাৰীৰ সময়ত যেতিয়া হাস্পতালত বিছনাৰ অভাৱ হৈছিল তেতিয়া অসম আৰক্ষীয়ে পোৱা চৰকাৰী বিছনাবিলাক হাস্পতালত ব্যৱহাৰৰ কাৰণে দিছিল। যেতিয়া কভিড মহামাৰীৰ সময়ত গোটেই ভাৰতবৰ্ষৰ লগতে অসমতো লকডাউন আছিল তেতিয়া জনসাধাৰণৰ বহুতো জৰুৰী সামগ্ৰীৰ প্ৰয়োজন হৈছিল। কিন্তু লকডাউন প্ৰট'কলৰ কাৰণে মানুহে ঘৰৰ পৰা বাহিৰলৈ ওলাব পৰা নাছিল। তেতিয়া অসম আৰক্ষীয়ে নিজৰ স্বাস্থ্যৰ প্ৰতি ভ্ৰূক্ষেপ নকৰি সেই প্ৰয়োজনীয় সামগ্ৰীবিলাক বিশেষকৈ ঔষধ পাতি বয়োজ্যেষ্ঠ লোকসকলক ঘৰতে যোগান ধৰাৰ ব্যৱস্থা কৰিছিল আৰু এনেদৰে মন কৰিলে দেখা যায় যে অসম আৰক্ষী প্ৰশাসনে বিভিন্ন সমাজ সেৱা আগবঢ়াই আহিছে।



**সমালোচনা ঃ**

১। কোনো সময়ত অসম আৰক্ষীয়ে নিজৰ ক্ষমতা অবৈধভাৱে প্ৰয়োগ কৰা দেখা যায়। কেতিয়াবা অপ্ৰয়োজনীয়ভাৱে জনসাধাৰণক শাস্তি দিয়া দেখা যায়। তাৰে এটা উদাহৰণ হ'ল এনকাউণ্টাৰ।

২। আৰক্ষীৰ নিযুক্তিৰ সময়ত বহুতো অসুবিধা দেখা পোৱা যায়। উদাহৰণ স্বৰূপে কেতিয়াবা নিযুক্তি পৰীক্ষাৰ প্ৰশ্নকাকত ফাদিলহোৱা দেখা যায়। কেতিয়াবা চাকৰি দিয়াৰ প্ৰলোভন দি দুৰ্নীতিত লিপ্ত হোৱা দেখা যায়।

৩। কেতিয়াবা আৰক্ষীয়ে কামত অৱহেলা কৰা দেখা যায়। কেতিয়াবা ক'ৰবাত অপৰাধ সংঘটিত হ'লে খবৰ দিয়াৰ পাছতো আৰক্ষী উপযুক্ত সময়ত উপস্থিত নহয়। ফলত অপৰাধীয়ে অপৰাধ কৰিবলৈ সক্ষম হয় বা ৰাইজে নিজেই আইন হাতত তুলি লোৱা দেখা যায়।

গতিকে এই সকলোবোৰ আলোচনাৰ অন্তত আমি ক'ব পাৰোঁ যে জনসাধাৰণৰ হিতৰ কাৰণে এই প্ৰশাসনিক ব্যৱস্থাটো তৈয়াৰ কৰা হৈছে। আমি যদি আগৰ সময়ৰ আৰক্ষী ব্যৱস্থা আৰু বৰ্তমান সময়ৰ আৰক্ষী ব্যৱস্থাটো তুলনা কৰি চাওঁ আগৰ তুলনাত বৰ্তমান অসম আৰক্ষী ব্যৱস্থা যথেষ্ট উন্নত মানৰ হৈছে। আগৰ সময়ত অসম আৰক্ষীৰ বহুতো সমস্যা দেখা গৈছিল। যেনে—অসম আৰক্ষীৰ সংখ্যা বহুত কম আছিল যাৰ ফলত অসমত অপৰাধৰ সংখ্যা বৃদ্ধি পাইছিল। আগৰ সময়ত প্ৰশিক্ষণৰ ব্যৱস্থাটো ইমান আধুনিক নাছিল আৰু আধুনিক অস্ত্ৰ-শস্ত্ৰৰ অভাৱ আছিল। কিন্তু বৰ্তমান সময়ত এই সমস্যাসমূহ কমি গৈ আছে। বৰ্তমান সময়ত অসম আৰক্ষীৰ আধুনিক অস্ত্ৰ-শস্ত্ৰৰ ইমান অভাৱ দেখা পোৱা নাযায়। ফলশ্ৰুতিত অসম আৰক্ষীয়ে নিষ্ঠাৰে নিজৰ দায়িত্ব পালন কৰিব পাৰিছে। অসম আৰক্ষীয়ে নিষ্ঠাৰে নিজৰ দায়িত্ব পালন কৰি যোৱাৰ বাবেই অসমৰ জনসাধাৰণৰ অসুবিধাসমূহ নিৰ্মূল হৈ গৈ আছে।●



# রবীন্দ্র সৃষ্টিতে পরিবেশ চিন্তা

ড° চৈতালী ভৌমিক
সহকারী অধ্যাপিকা, সাপটগ্ৰাম মহাবিদ্যালয়

*আমার সোনার বাংলা, আমি তোমায় ভালোবাসি*
*চিরদিন তোমার আকাশ, তোমার বাতাস, আমার প্রাণে বাজায় বাঁশি।।*[১]

সুজলা সুফলা শস্য শ্যামলা এই বিশ্বপ্রকৃতিতে রবীন্দ্রনাথ ঠাকুর বড় ভালোবাসতেন। আজীবন এই মধুময় বিশ্বপ্রকৃতির রূপসৌন্দর্যে তিনি মুগ্ধ ছিলেন। আমাদের এই মাটির মা, আমাদের এই আপনাদের পৃথিৱী, এর সোনার শস্যক্ষেত্রে....আমি এই পৃথিবীকে ভারী ভালোবাসি।'[২] সেইসঙ্গে বিশ্বকবি শুধু যে প্রকৃতির রূপ রস, সৌন্দর্য নিয়েই মেতে ছিলেন তা কিন্তু নয়, একই সঙ্গে প্রকৃতি পরিবেশ রক্ষা বা সংরক্ষণ করার ব্যাপারেও সর্বদা চিন্তিত ছিলেন। তিনি জানতেন সুস্থ পরিবেশের উপরই নির্ভৰ করে প্রাণের ইস্তত্ব, তার বৃদ্ধি বিকাশ। এমনকি মানব জীৱনেও এর প্রভাব যথেষ্ট। মানুষের জীবনে আনন্দ বিধানের জন্য, প্রাণের পতি সঞ্চারে সুস্থ পরিবেশ প্রয়োজনীয়।

*আমার মুক্তি আলোয় আলোয় এই আকাশে*
*আমার মুক্তি ধূলায় ধূলায় যাসে যাসে।।*[৩]

কিন্তু রবীন্দ্রনাথ ঠাকুরের চিরপরিচিত এই বিশ্বপ্রকৃতি আজ বিপর্যস্ত। অরণ্যধ্বংস, ভূমিক্ষয়, কৃত্রিম রাসায়নিক প্রয়োগ, জীবকূলের অবক্ষয়, শিল্পায়ন, যন্ত্রশক্তির অপরিমিত ব্যৱহার ফলে পরিবেশ আজ সম্পূর্ণ দূষিত। এরই পরিণতি জলবায়ু পরিবর্তন। খরা, বন্যা, বিশ্ব উষ্ণায়নের মতো নানা সমস্যা।

প্রাচীন যুগে বৈদিক ঋষিরা তাদের লেখনীতে বিশেষভাবে মনু তাঁর বিখ্যাত 'মনুসংহিতা' গ্রন্থে, কৌটিল্যের 'অর্থশাস্ত্র'তে বৃক্ষরোপন, জল সংরক্ষণ, পশু পালন ইত্যাদি বিষয় আলোচিত হয়েছে।

*যস্যাং বৃক্ষা বনস্পত্যা ধ্রুবাস্তিষ্ঠন্তি বিশ্বহা।*
*পৃথিবীং বিশ্বধায়সং ধৃতামচ্ছাবদামসি।। (অথর্ববেদসংহিতা ১২/১/২৭)*

বিশ্বকবি পরবর্তীকালে তাঁরে সাহিত্যসৃষ্টির মধ্যদিয়ে প্রকৃতিকে রক্ষণাবেক্ষণের দিকটিকেও যথার্থ ভাবে ভুলে ধরেছেন।

*নমো নমো নম সুন্দরী মম জননী রঙ্গভূমি।*
*গঙ্গার তীর স্নিগ্ধ সমীর, জীবন জুড়ালে তুমি।*
*অবাবিত মাঠ, গগনললাট চুমে তব পদভূমি,*
*ছায়া সুনিবিড় শান্তির নীড় ছোট ছোট*
*গ্রামগুলি... ।*[৪] *(দুই বিঘা জমি)*

বিশ্বকবি বারে বারে ফিরে আসেন মাটির টানে। 'মাতার কাছে ছোটো ছেলে যেমন আবদার করে, মাটির কাছে আমরা তেমনি বরাবর আবদার করিয়া আসিয়াছি। কত হাজার বছৰ ধরিয়া এই মাটি আমাদের দারি মিটাইয়া আসিয়াছে।'[৫] কবির কেবলই ইচ্ছা, 'ফিরে চল, ফিরে চল, ফিরে চলো মাটির টানে।' কারণ 'গ্রামছাড়া এই রাস্তা মাটির পথ আমাৰ মন ভুলায় রে। তত্রর মেতে হবে, আজ ধানের ক্ষেতে রৌদ্রছায়ায়, লুকোচুরির খেলা রে ভাই, লুকোচুরির খেলা।'

আবার শুধু এখানেই শেষ নয় কবি বসুন্ধরার বিস্তীর্ণ প্রাণধারার মধ্যে বিলীন হয়ে থাকতে চান, তিনি নিজেও এই প্রাণধারারই অংশ। কবিতার ভাষায়,

*আমারে ফিরায়ে লহো অয়ি বসুন্ধরে,*
*কোলের সন্তানে তব কোলের ভিতরে*
*বিপুল অঞ্চলতলে।*[৬]

কবি নিজের সঙ্গে বিশ্বপ্রকৃতির এক অবিচ্ছিন্ন যোগ, তখন মাটিকে আর মাটি বলে মনে হয়নি।

*হই যদি মাটি, হই যদি জন*
*হই যদি তৃণ, হই ফুলফল।*
*জীবসাথে যদি ফিরি ধরাতল, কিছুতেই নাই ভাবনা*
*যেথা যাব সেথা অসীম বাধনে অন্তবিহীন আপনা।*[৭]

'বৃক্ষবন্দনা' কবিতায় তিনি গাছকে বলেছেন আদিপ্রাণ। এই গাছকে রক্ষা করতে হবে। কবি ছুটে যান গাছের আশ্রয়ে। মানুষের বন্ধু গাছই আমাদের নরম আশ্রয়, যুগ যুগ ধরে সেই আমাদের শান্তির বাণী শোনায় ঃ

*তাই আসি তোমার আশ্রয়ে শান্তিদীক্ষা লভিবারে,*
*শুনিতে মৌনের মহাবাণী।*[৮]

তাঁর 'ছিন্নপত্রে' রয়েছে, তিনি প্রথম জমেছিলেন বৃক্ষ হয়েই। তখন আমি এই পৃথিবীর নূতন মাটিতে কোমা থেকে এক প্রথম জীবনোচ্ছাসে গাছ হয়ে পল্লবিত হয়ে উঠেছিলুম।'[৯]

কিন্তু সভ্যতার অগ্রগতির সঙ্গে সঙ্গে নগরাঞ্চল, শিল্পালয় গড়ে ওঠায়, পৃথিবীর অধেকেরত বেশী বন ভূমি ধ্বংস হয়ে গেছে। খাদ্যের উৎস, অর্থনৈতিক উন্নয়ন, পরিবেশের ভারসাম্য রক্ষার্থে বনাঞ্চলের গুরুত্ব মানুষ ভুলতে বসেছে। 'সভ্যতার

প্রতি' কবিতায় কবি বলেছেনে ঃ

*দাও ফিরে সে অরণ্য লও এ নতার*
*লও যত লৌহ লোষ্ট্র কাষ্ঠ ও প্রস্তুর*
*হে নব সভ্যতা। নিষ্ঠুর সর্বগ্রাসী,*
*দাও সেই তপোবন পুণ্যচ্ছায়ারাশি...*[১০]

উন্নয়নের নামে, ভোগের বশবর্তী হয়ে মানুষ অৰণ্য ধ্বংসের যজ্ঞে যেতে উঠেছে। এর মঙ্গল গ্রীস্মের প্রখরতা বৃদ্ধি, খরা, বন্যার মতো সমস্যা মানুষের জীবনে সংকট নিয়ে এসেছে। রবীন্দ্রনাথ টাকুরের গান দারুণ অগ্নিবাণে রে, প্রখর তপনতাপে আকাশ তৃষাম কাঁপে, চক্ষে আমার তৃষা ওগো ইত্যাদিতে গরমের প্রখরতা চোখে পড়ে। তীব্র দাহ সহ্য করে কবি বৈশাখকে আহ্বান করেছেন,

*এসো, এসো, এসো হে বৈশাখ*
*তাপমনিশ্বাসবায়ে মুমুর্ষরে দাও উভায়ে,*
*বৎসরের আবর্জনা দূর হয়ে যাক।*[১১]

রবীন্দ্রনাথ প্রকৃতির প্রতি সচেতন হয়ে গাছ লাগানোর একটি উৎসবের সূচনা করেছিলেন।

*ময়েবিজয়ের কেতন উড়াও শূন্যে,*
*হে প্রবল প্রাণ।*
*ধূলিছে ধন্য করো...........পূণ্যে*
*হে কোমল প্রাণ।*[১২]

আবার বিশ্বকবি জলসংরক্ষণ নিয়েও চিন্তিত ছিলেন। আজকের ভারতবর্ষ ভীষণ জনসংকটের মুখে। জলের সঙ্গে মানুষের যোগ অবিচ্ছেদ্য। মনে পড়ে কবির সহজ পাঠের সেই কবিতা,

*আমাদের ছোটনদী চলে আঁকে বাঁকে*
*বৈশাখ মাসে তার হাঁটু জন থাকে।।*[১৩]

নদীর এই সৌন্দর্য তার গতিময়তা আজ অবরূদ্ধ। আমাদের মাতৃভূমিকে সুজলা সুফলা বলে স্তব করা হয়েছে। কিন্তু এই দেশেই, যে জন পবিত্র করে সে স্বয়ং হয়েছে অপবিত্র, পঞ্চবিলীন যে করে আরোগ্যবিধান সেই আজ রোগের আকর। অথচ একদিন দেনো জল ছিল প্রচুর আজ গ্রামে গ্রামে পাঁকের তলা. কবরস্থ মৃত জলাশয়গুলি তার প্রমাণ দিছে।'[১৪]

তিনি বর্ষাকে আহ্বান করেছেন ধরিত্রীকে জলপূর্ণ করার জন্য তাঁর কবিতায়—

*ওই আছে ওই অতি ভৈরব হরষে*
*জলসিঞ্চিত ক্ষিতি সৌরভরভসে*
*ঘন গৌরবে নবযৌবনা বরষা।*[১৫]

তার গান, 'ঘরঘর বরিষে বারিধারা', 'আজি ঘরো ঝরো মুখর বাদরদিনে' ইত্যাদিত উল্লেখযোগ্য।

অৰশ্যে সেইসংঙ্গে বর্ষার বিধ্বংসী লীলা বন্যাকে প্রতিরোধ করার প্রসঙ্গ বাদ যায়নি।

*বজ্রমাণিক দিয়ে গাঁথা, আষাঢ় তোমার মালা।*
*তোমার শ্যামল শোভার বুকে বিদ্যুতেরই জ্বালা।।*
*সবুজ সুধার ধারায় প্রাণ এনে দাও তন্তধারায়,*
*বামে বাম ভয়ঙ্করী বন্যা মরণ-ঢালা।।*[১৬]

কবি জলংসরক্ষণের জন্য পুকুর খনন, জলাশয় প্রতিষ্ঠা করেছিলেন। 'মুক্তধারা' নাটকে তিনি নদীবাধের প্রতিবাদ করেছিলেন। কবির কাছে নদী মানে অখণ্ড প্রবাহ মানতা, নদী মানে সভ্যতা।

*হে বিরাট নদী*
*অদৃশ্য নিঃশব্দ তব জল*
*অবিচ্ছিন্ন অবিরল*
*চলে নিরবধি।*
*শুধু ধাও, শুধু ধাও, শুধু চেপে ধাও*
*উদ্দাম উধাও*
*ফিরে নাহি চাও* [১৭]

কবি বিশ্বপ্রকৃতির গাছপালা, নদী, অরণ্য ইত্যাদির সঙ্গে কীট-পতঙ্গ, পশু-পাখিদের নিয়েত চিন্তি ছিলেন। এবা মুক্ত প্রাণের প্রতীক। পরিবেশেষ ক্রমবিবর্তনে, ভারসাম্য বজায় রাখতে এদেৰ ভূমিকাও উল্লেখযোগ্য। কবির নানা সৃষ্টিরাজিতে নানা জীৱকূলের দেখা যেনে। জোনাকী, মৌমাখি,

ময়ূর, হংসবলাকা, হীরণ এদেৰ অনেকে গানে, কবিতায় দেখা যেলে। তারা মনের আনন্দে ঘুড়ে বেড়ায়।

সেইসঙ্গে পাখিদের বন্দীদশা, খাঁচার পাখির চরম অসহায়তাও তাঁর রচনায় ধরা পরেছে। বর্তমান বৈজ্ঞানিক জীবন অভিজ্ঞতা প্রকৃতিকে দাসে পরিণত করে জীবর অস্তিত্বকে ভীষণ সংকটের মুখে পৌছে দিয়েছে, তাই খাঁচাৰ পাখি বনের পাখির ডাক শুনতে পায়না।

খাঁচাৰ পাখি ছিল সোনার খাঁচাটিতে, বনের পাখি ছিল বনে।

এমনি দুই পাখি দোঁহারে ভালোবাসে, তবুও কাছে নাহি পায়।[১৮]

পশু রক্ষণাবেক্ষণের জন্য কবি বলিদান প্রথাকেও নিষিদ্ধ করেছিলেন। বিসর্জন নাটক তার জ্বলন্ত উদাহরণ। প্রাণীহত্যা ধর্মের নামে হলেও কবির তাতে সায় ছিল না। অনধিকার প্রবেশ গল্পে জয়কালী দেবী শূকরছানাকে আশ্রয় দিয়েছিলেন।

এছাড়া রবীন্দ্রনাথ ঠাকুরের পরিবেশ ভাবনাৰ অন্যতম স্থল হলো তাঁর প্রাণের শান্তিনিকেতন।

আমাদের শান্তিনিকেতন আমাদের সব হতে আপন।

তার আকাশ-ভরা কোলে মোদের দোলে হৃদয় দোলে।[১৯]

চৰ ফাল্গুন ১০২২/১৯১৬ এর একটি চিঠিতে কবি লিখেছেন, 'বৎসরের একদিন বৃক্ষরোপনের উৎসব করিবে।...প্রত্যেক কূটিরের আঙিনায় দুই-চারটি বেলফুল গোলাপ ফুলের গাছ লগাইতে পারিলে গ্রামগুলি সুন্দর হইয়া উঠিবে।' শান্তিনিকেতনে নানাদিকে সজাগ দৃষ্টি ৰাখতেন রবীন্দ্রনাথ। কবি নিজেই বিদ্যালয়ের শিক্ষানীতি নির্ধারণ করে দিয়েছিলেন এভাবে—তরুলতা, পশু পক্ষী ও বিশ্বপ্রকৃতির বিচিত্র ব্যপার সম্বন্ধে অভিজ্ঞতা লাভ, বাসস্থান সুন্দর, সুশৃঙ্খল ও স্বাস্থ্যকর, হলকর্ষণ, বসন্তোৎসব সবই তো ছিলো প্রকৃতিরই উৎসব, পরিবেশের বন্দনা।

প্রকৃতির অংশ মানুষ, প্রকৃতির উর্দ্ধে না উঠে, প্রকৃতির নিয়মকে মেনে নিয়েই সুস্থভাবে বাঁচতে পারবে। মানুষ সহ সমগ্র প্রকৃতিকে চেতনাময় মনে করে কীট-পতঙ্গ থেকে শুরু করে আকাশ বাতাস, নদী, পাহার, অরণ্য সমস্ত একত্রেই বিশ্ব সংহতির ধারক ও বাহক। কবি বিশ্বপ্রকৃতির সমস্ত কিছুর মধ্যে এক ভারসাম্য পূর্ণ সহাবস্থান, সম্প্রীতি, সুসামঞ্জস্য দেখবে আগ্রহী ছিলেন।●

**তথ্যপঞ্জী ঃ**


রবীন্দ্রনাথ ঠাকুর ঃ গীতবিতান, পৃষ্ঠা ২৪৩
ড° নিমাইচন্দ্র পাল ঃ ছিন্নপত্র রবীন্দ্রজীৱনকোষ, পৃষ্ঠা ১৪০-১৪১
রবীন্দ্রনাথ ঠাকুর ঃ গীতবিতান, পৃষ্ঠা ৩৬৮
রবীন্দ্রনাথ ঠাকুর ঃ সঞ্চয়িতা, পৃষ্ঠা ১৭৫
রবীন্দ্রনাথ ঠাকুর ঃ ভূমিলক্ষ্মী, পল্লী প্রকৃতি, পৃষ্ঠা ৩৬
রবীন্দ্রনাথ ঠাকুর ঃ বসুন্ধরা, সঞ্চয়িতা, পৃষ্ঠা ১৩৮
রবীন্দ্রনাথ ঠাকুর ঃ প্রবাসী, সঞ্চয়িতা, পৃষ্ঠা ৩৪১
রবীন্দ্রনাথ ঠাকুর ঃ বৃথবন্দনা, সঞ্চয়িতা, পৃষ্ঠা ৪৪৮
ড° নিমাইচন্দ্র পাল ঃ ছিন্নপত্র রবীন্দ্রজীৱনকোষ, পৃষ্ঠা ১৫০
রবীন্দ্রনাথ ঠাকুর ঃ রবীন্দ্র রচনাবলী, তৃতীয় খণ্ড, পৃষ্ঠা ১৮
রবীন্দ্রনাথ ঠাকুর, গীতবিতান, পৃষ্ঠা ১১১১
তদেব, ১৫৩৭
রবীন্দ্রনাথ ঠাকুর ঃ জলোৎসর্গ, পল্লী প্রকৃতি, পৃষ্ঠা ১৬২
রবীন্দ্রনাথ ঠাকুর ঃ রবীন্দ্র রচনাবলী, সহজপাঠ, পৃষ্ঠা
রবীন্দ্রনাথ ঠাকুর ঃ বর্ষামঙ্গল, সঞ্চয়িতা, পৃষ্ঠা ২১৬
রবীন্দ্রনাথ ঠাকুর ঃ গীতবিতান, পৃষ্ঠা ১১৫৫
রবীন্দ্রনাথ ঠাকুর ঃ চঞ্চলা, সঞ্চয়িতা, পৃষ্ঠা ৩৯৯
রবীন্দ্রনাথ ঠাকুর ঃ গীতবিতান, পৃষ্ঠা ১৬১৮
তদেব, পৃষ্ঠা ১৪২৫

# Anti Defection Law and Its Effects on Politics in India

**Moksedul Rahman, Rejaul Islam Laskar, Akanksha Roy**
B.A. 2nd Semester, Dept. of Political Science

Anti-Defection law is a constitutional provision that prevents elected members from joining another political party. The Anti-Defection law was enacted to ensure that a party member does not violate the mandate of the party and in case the member does so then he/she will lose his/her membership of the house. This law sought to limit such frequent defection in India. In 1985 the 10th schedule of the 52nd amendment to the constitution of India was passed by the parliament of India to acheive this. The act provided that an elected member of parliament or a state legislature shall be liable to disqualification on grounds of defection if he decides to voluntarily give up membership of his original party. Further the anti-defection law made exemptions from certain categories of members. Thus a nominated member cannot be disqualified on the grounds of defection, if he joins any political party within six months of the nomination as a member. The Act vested the final authority to decide whether a person has incurred disqualification on ground of defection with the house and their decision in this regard was made final. The enactment of anti defection law was hailed by most of the political parties who looked upon it as an important step in the direction of cleaning up the Indian political life.

Modern democracies are primarily party democracies, exist with the core objective of capturing power. The normal mode of functioning of party democracies is that the political party in power strives to remain in power and the political party or parties strives to attain power. But violating this usual mode driven by only motivation of capturing or sharing political power has become a practice in Indian politics. This has created severe strain and

thus many scholars have opined that the greatest strain on the Indian democracy is the politics of defection.

**History of Anti-defection Law :**

Defection politics in India started after fourth General Election held in 1967. Thereafter it continues to draw serious attention of the people prior to this the political leader, like Dr. Raghu Vira, Ashok Mehta were also defected from their parties. Dr. Raghu Vira left the Congress party in 1961 because of differences with Jawaharlal Nehru over China Policy and joined Jana Sangh like Ashok Mehta . Another politician who left his party which was Praja Socialist Party and joined Indian National Congress in 1969. But at that time such instances were very few. That's why the problem was not really serious. After 1967 Such instances were gradually grown up because of some incidents like Hariyana MLA Ghaya Lal who swichted party thrice in a day in 1967. Between March and December 1967 out of total membership of about 3450 state legistators about 320 changed their loyalities. Leaving aside the state of Kerala, Tamil Nadu, Maharashtra and Nagaland the problem of defection was existing almost everywhere. This politics of defections began to be called as 'aya Ram and gaya Ram'. In 1971 general election were held for parliament and in 1972. Some of the states went to the polls. As a result of this election Congress party headed by Srimati Indira Gandhi got a massive mandate and for some time it appeared as if there would be no defection, because the turn coats would not feel attracted to go out of Congress but the process of defection still continued. In November 1972, the former Orissa Chief Minister Biju Patnayak revived his Utkal Congress.

Again in 1974 defection politics was seen in Manipur where Manipuri People's Party and Manipur Hills Union jointly owned majority in the assembly. But just after four months latter party decided to leave the government and joined Progressive Democratic Front. In 1977 the Janata Dal at the centre had the opportunity to form a govt. Protested against Prime Minister Indira Gandhi's declaration of an internal state of emergency in the country. Indian voters voted in favour of the Janata Dal and formed government of the Janata Dal. But after this election, the defection of the party took a serious turn. Again in this election Janata Dal won 2/3 of the seats in the house. But the



withdrawl of Charan Singh and six of his followers from the Janata Government led to the fall of the Moraroji government. After the fall of this government, Charan Singh became the Prime Minister of India and the Congress acted out of assurances of support for the government from outside. However the Congress withdrew its support to the government and the Charan Singh's cabinet collapsed without facing the Lok Sabha.

Bhajan Lal, a member of the Janata Dal at the time, left the party with 37 members to join the Congress in 1980 and was given the opportunity to serve as the Chief Minister of Haryana. Again as a result of the disagrement among the members, 12 members of Kashmir withdrew their support for Dr. Forooq Abdullah and supported G.M. Shah. G.M. Shah became the Chief Minister of Kashmir by the support of Congress. The member left one party for personal gain and joined another party and this arrangement created political instability in the country. Therefore, in order to maintain political stability by stopping defections, the government had to think of enacting anti defection laws. An anti-secession Bill was introduced during the Janata government. But it was pushed back by some member of his own party. The need for Anti secession legislation was felt during the rule of Prime Minister Indira Gandhi. However no such bill was introduced during her tenure. Finally on Anti defection law was passed during the Rule of Prime Minister Rajiv Gandhi. The bill was introduced in the Lok Shabha on January, 25, 1985 and then the bill was sent for the president's signature after it was passed by both the houses and as soon as it was signed by the president the Anti defection bill became law.

**Measures of Anti-Defection Law :**

Various measures had been taken to prevent defection from politics. In 2003 the 91st amendment passed to the constitution of India. This amendment strengthened the act by adding provisions for disqualification of defectors and banning them from being appointed as minister for a period of time. Such provisions like-

(a) The constitution was amended to prevent elected MLAs and MPs from changing parties. This was done because many elected representatives were indulging in defection, in order to become ministers or for each rewards.

(b) Now the law says that if any MLA or MP change parties, he / she will lose seat in the legistature.

(c) The new law has brought defection down and has made dissent even more difficult. Now MLAs and MPs have to accept whatever party leaders say.

**Significance of Anti defection Law :**

After the fifth general election of 1971 the system of defection has been gradullay grown up. Therefore, in order to maintain political stability by stopping defection, the government had to think of enacting an anti defection law. After the adoption of the act, some changes comes in Indian politics, such as the anti defection law has provided stability in politics of the country. Along with it has prevented ruling parties from indulging in horse trading that was seen before the law.

Para 6 of the anti defection schedule 1985 lays down that if any question arises as to whether a member of a house has become subject to disqualification the question shall be referred for the decision of the chairman or as the case may be the speaker of such house and his decision shall be final provided that where the question which has arisen is as to whether the chairman or the speaker of a house has become subject to such disqualification. The question shall be referred for the decision of such member of the house as house may elect and his decision shall be final.

The Anti defection law provided that

disqualification on ground of defection shall not apply in the case of splits and in mergers of the legislature parties. Thus a split is deemed to have occurred when a group of members consisting of not less than one third of the total membership of a legislature party either breaks away from their original party or abstains from voting or votes against the whip issued by the party. Likewise 'merger' is deemed to have taken place if and only if not less than two third members of a legislature party break away from the original party and decided to merge with another party or opts to function as a separate group in the house.

**Contemprory Defection :**

In contemprory times the politics of defection is still continuing. For example in Assam the minster of Congress Dr. Himanta Biswa Sharma left his party because of political disagreement with the former chief minister of Congress party Tarun Gogoi in 2014 and after that he joined the Bharatiya Janata Party in 2015. Another example in Maharashtra that there was an allied government name Maha Vikas Aghadi with three political parties Congress, NCP and Shiv Sena. But one of the leaders of Shiv Sena Eknath Shinde requested Uddhav Thakeray, former Chief Minister of Maharashtra to break the Maha Bikas Aghadi alliance. But Uddhav Thakeray didnot accept his request. Therefore, he left his party along with other 39 MLAs due to ideological differences and unfair tratment by Congress and NCP. They stayed in Assam for a period of time. Because of their defection the Uddhav Thakeray Government had collapsed. After that they returned to Maharashtra and formed a new government along with BJP and Eknath Shinde became the Chief Minister of Maharashtra.

**Criticism of Anti Defection Law :**

The Anti-Defection Law of 1985 was a great step taken a went a long way in curbing defections, yet it faces numorous criticism.

In the first instance the law attaches too much importance to the parliamentary wings of the political parties and completely ignores their organisational wings.

Secondly, the decision of disqualification rests with presiding officer who himself is a member of a political party and he/she may not act as a natural being. Moreover there is no time limit to make such a decision.

Thirdly, the provision of anti-defection laws are quite irrational in so far as these provisions are not applicable if one third of the members leave the one party to join another party. Because when one-third members of any party leave its original party after got elected, then it will be treated as betrayal. Moreover, when a small number of members split that becomes defection but if large numebr of members do the same thing that becomes irrational.

Further the law does not provide an incentive for an MP or MLA to examine an issue in depth before defection. Thus it affects a nation building or development process. The noble purpose of anti-defection law is to bring stability to government. But the law allows political parties to disqualify legislators for voting against the party. Political stability is essential for the progress of the country.

After examining the issues critically and analysing the present scenario it can be concluded that anti-defection law needed to be amended in consonance with current facts and circumstances. Since the anti defection law passed, it aimed at curbing political defection and has succeeded in a reasonable way but due to some of its shortcomings it has not been able to achieve what it has aimed at. The problem of governments' inslability and money power use in politics still dominant even after implementation of anti-defection law. Moreover the decision making power of speaker needs to be reviewed as well as the decision maker must be a non-political person. ●

# সাপটগ্ৰাম অঞ্চলৰ কৃষি ব্যৱস্থা ঃ পৰম্পৰা আৰু পৰিৱৰ্তন

**অনামিকা বৰ্মন**
স্নাতক ষষ্ঠ ষাণ্মাসিক, অসমীয়া বিভাগ

**সাপটগ্ৰাম অঞ্চলৰ পৰিচয় আৰু ইয়াৰ কৃষি ব্যৱস্থা ঃ**

সাপটগ্ৰাম অঞ্চলটো ধুবুৰী জিলাৰ অন্তৰ্গত। এই সাপটগ্ৰাম নামটোৰ আঁৰত কিছু ঐতিহ্য জড়িত হৈ আছে। এই অঞ্চলৰ বৃদ্ধ, বয়োজ্যেষ্ঠ মানুহবিলাকৰ মতে সাতখন গাঁও একেলগ কৰি 'সপ্তগ্ৰাম' নাম দিয়া হৈছিল। পিছত সময়ৰ বিৱৰ্তনৰ ফলত 'সপ্তগ্ৰাম' নামটো পৰিৱৰ্তিত হৈ 'সাপটগ্ৰাম' নাম ৰূপে জনাজাত হয়। প্ৰথম অৱস্থাত সাপটগ্ৰাম অঞ্চলখনত বেছিভাগ মুছলমান মানুহৰ বসতিৰ স্থান আছিল আৰু কিছু পৰিমাণে কলিতা আৰু বঙালী সম্প্ৰদায়ৰ লোক বসবাস কৰিছিল। এনেকৈয়ে বিস্তৃতি লাভ কৰি আহি বৰ্তমান এই অঞ্চল প্ৰায়বোৰ সম্প্ৰদায়ৰ লোকৰে বসতিৰ স্থান হৈ পৰিছে। বৰ্তমান এই অঞ্চলটোত মুঠ ৩০ খন গাঁও আছে আৰু এই অঞ্চলৰ তিনিখন গাঁও পঞ্চায়তত দহখনকৈ গাঁও অন্তৰ্ভুক্ত হৈ আছে।

যেনে তিনিখন গাঁও পঞ্চায়ত ঃ
(১) সোণাময়ী
(২) শালটাৰী
(৩) কদমতোলা

(১) সোনাময়ী গাঁও পঞ্চায়তৰ ১০ খন গাঁও হ'ল—
ক) সোণাময়ী (প্ৰথম আৰু দ্বিতীয় খণ্ড)
খ) ভালুকমাৰী
গ) ভেলাকবা
ঘ) ৰাঙাপানী (প্ৰথম আৰু দ্বিতীয় খণ্ড)
ঙ) শান্তিপুৰ (প্ৰথম আৰু দ্বিতীয় খণ্ড)
চ) ৰাৱনটাৰী
ছ) হৰলটাৰী

(২) শালটাৰী পঞ্চায়তত অন্তৰ্ভুক্ত ১০ খন গাঁও হ'ল—
ক) শালটাৰী (প্ৰথম আৰু দ্বিতীয় খণ্ড)
খ) খুদনামাৰী
গ) ভেৰভেৰী
ঘ) বৰুৱাপাৰা
ঙ) হেলাগাড়ী
চ) কদুলতটাৰী (প্ৰথম আৰু দ্বিতীয় খণ্ড)
ছ) চৰুৱাভিটা
জ) হাতিদুৰা

(৩) কদমতোলাৰ অন্তৰ্গত ১০ খন গাঁও হ'ল—
ক) দাউতপাৰা
খ) ধৰ্মপুৰ
গ) কদমতলা
ঘ) চেঁচাপানী
ঙ) বামুণকুৰা
চ) বৰকুটি
ছ) সুৰিপাৰা
জ) বেলটাৰী
ঝ) ওদলাৰতল
ঞ) ধনপুৰ

সাপটগ্ৰাম অঞ্চলত বিভিন্ন সম্প্ৰদায়ৰ লোকে বসবাস কৰে। যেনে—মুছলমান, বঙালী, বিহাৰী, নাথ যোগী, ৰাজবংশী, কলিতা, ব্ৰাহ্মণ আদি। এই অঞ্চলৰ লোকসকলে ভিন ভিন ধৰণে জীৱন নিৰ্বাহ কৰা দেখা যায়। কিছুমানে ব্যৱসায়, কিছুমানে চাকৰি আদি বিভিন্ন ধৰণে জীৱিকা নিৰ্বাহ কৰে। কিন্তু এই অঞ্চলৰ বেছিভাগ মানুহেই কৃষিৰ ওপৰত নিৰ্ভৰশীল। তেওঁলোকৰ জীৱিকাৰ প্ৰধান আহিলা কৃষি। তেওঁলোকে কৃষিকেই জীৱনৰ প্ৰধান বৃত্তি হিচাপে গ্ৰহণ কৰিছে। এই অঞ্চলত প্ৰায় ২০ শতাংশ লোক চাকৰিয়াল আৰু ৮০ শতাংশই কৃষিজীৱী।

সাপটগ্ৰাম অঞ্চলৰ উত্তৰে ৰে'লপথ, পূব দিশত লীলানন্দ আশ্ৰম, লস্কা নৈ অৱস্থিত, দক্ষিণ আৰু পশ্চিমে সোণকোষ নৈ।

সাপটগ্ৰাম অঞ্চলৰ লোকসকলে বিভিন্ন ধৰণৰ খেতি কৰা দেখা যায়। এই অঞ্চলৰ লোকসকলৰ প্ৰধান খেতি ধান। ধান খেতিৰ উপৰি আৰু বেলেগ বেলেগ খেতিও কৰা পৰিলক্ষিত হয়। যেনে-সৰিয়হ, মৰাপাট, গম, তিল ইত্যাদি।

অসমৰ আন আন অঞ্চলৰ লোকসকলৰ দৰে সাপটগ্ৰাম অঞ্চলৰো কৃষি ব্যৱস্থা একে যদিও কিছু কিছু ক্ষেত্ৰত অমিল থকা দেখা যায়। এই অঞ্চলৰ কলিতা, মুছলমান আৰু ৰাজবংশী সমাজৰ লোকসকলৰ কৃষি ব্যৱস্থাত কিছু পৰিৱৰ্তন হোৱা দেখা যায়। যেনে—কলিতাসকলে 'গছা দিয়া' কাৰ্যক ৰাজবংশীসকলে 'গছ-দিয়া' বুলি কয়।

ইয়াৰ উপৰি আগেয়ে প্ৰচলিত খেতি সম্পৰ্কীয় বহুতো কাৰ্য বৰ্তমান নোহোৱা হৈ পৰিছে। আগৰ দিনত গৰুক হালবোৱা আৰু মৰণা মৰাৰ ক্ষেত্ৰত

ব্যৱহাৰ কৰা হৈছিল কিন্তু আজিকালি ইয়াৰ পৰিৱৰ্তে টেক্টৰৰ সহায়ত মাটি চহোৱা কামটো সম্পন্ন কৰা হয়। মৰণা মৰা কামটোক আজিকালি বিভিন্ন ধান উলিওৱা মেচিনৰ দ্বাৰা কৰা হয়। সাপটগ্ৰাম অঞ্চলত ইয়াৰ কিছু প্ৰভাৱ পৰা দেখা যায়। বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ ন ন আৱিষ্কাৰৰ ফলত অসমৰ বেছিভাগ কৃষকে এই পন্থাক আঁকোৱালি লৈছে। ইয়াৰ দ্বাৰা কৃষকসকলৰ সময় আৰু পৰিশ্ৰম কম হোৱা দেখা যায়। আগৰ পৰম্পৰাক অটুট ৰাখি আজিও এই (সাপটগ্ৰাম) অঞ্চলৰ লোকসকলে আগৰ নিয়ম-নীতিৰে খেতিৰ কাম কৰা পৰিলক্ষিত হয়।

**সাপটগ্ৰাম অঞ্চলৰ কৃষি পদ্ধতি ঃ**

- **ধান খেতি ঃ**

অসমীয়া মানুহৰ প্ৰধান শস্য হ'ল-ধান। কৃষিজীৱী মানুহবোৰে ধানখেতি কৰি এবছৰৰ আহাৰ যোগাৰ কৰে। কৃষিজীৱী লোকসকলৰ জীৱিকাৰ একমাত্ৰ উপায় হ'ল ধানখেতি। সাপটগ্ৰাম অঞ্চলৰ লোকসকলে দুই প্ৰকাৰৰ ধান খেতি কৰা দেখা যায়। যেনে— আহু ধান আৰু শালি ধান।

মাঘ মাহত আহু ধান আৰু জেঠত শালি ধানৰ খেতি কৰা হয়। ইয়াৰ উপৰি সাপটগ্ৰাম অঞ্চলত 'বৰো' ধান খেতি কৰাও পৰিলক্ষিত হয়। এবছৰত তিনিবাৰ ধানখেতি কৰা অসমৰ আন আন অঞ্চলৰ দৰে সাপটগ্ৰামো অন্যতম। কাৰণ সকলো মানুহৰেই দিন-ৰাতি দুয়ো সাজতে ভাত খোৱা অভ্যাস আছে। ব'হাগ, জেঠ মাহত ওখ ঠাইত মাটি বোকা কৰি কঠীয়া সিঁচে। পিছত বছৰৰ খেতিৰ বাবে ৰখা ধানৰ বিধানকে বীজ বা কঠীয়া বোলে। বোকা মাটিত বীজ ঘনকৈ সিঁচি দিয়াৰ আগতে বীজৰ ধানবোৰ ডাঙৰ পাত্ৰত পানীত তিয়াই দুই-তিনি দিন মুকলি ঠাইত ৰাখি গজালি মেলাই লোৱা হয়। গজালি মেলা বীজবোৰ বোকা মাটিত ঘনকৈ সিঁচি পোন্ধৰ-বিশ দিন ৰখাৰ পিছত ছয় বা দহ ইঞ্চি ওখ হয়।

**ধানখেতি কৰাৰ পৰম্পৰাগত নিয়ম ঃ**

ধান খেতি পৃথিৱীৰ বহুতো মানুহৰ প্ৰধান আহাৰৰ খেতি। বিশেষকৈ গাঁৱলীয়া মানুহৰ প্ৰধান আহাৰ বুলি ক'লে তেওঁলোকে ধানলৈ আঙুলিয়াই দিয়ে। এই ধানখেতি কৰাৰ কিছুমান পৰম্পৰাগত নিয়ম আছে। খৰধৰকৈ বা তৎক্ষণাত ধান খেতি কৰিব নোৱাৰি। ইয়াৰ বাবে আগৰে পৰা কিছুমান পৰম্পৰাগত নিয়ম বন্ধা আছে। যেনে—জেঠত শালি ধান ৰোৱাৰ প্ৰথম দিনা বিভিন্ন সম্প্ৰদায়ৰ লোকসকলে বেলেগ বেলেগ ধৰণে নিয়ম কৰা দেখা যায়। সেইদিনা কলিতাসকলে কঠীয়াৰ লগতে কিছুমান গছ ৰোৱা দেখা যায়। যেনে—কলপুলি, কলা কচু এই দুবিধ গছ তেওঁলোকে কঠীয়াৰ লগতে ৰুই দিয়ে। এনে কৰিলে ধানখেতি ভাল হয় বুলি তেওঁলোকে বিশ্বাস কৰে। এই অনুষ্ঠানটিক কলিতাসকলে 'গছা দিয়া' বুলি কয় আৰু ৰাজবংশীসকলেও এই 'গছা দিয়া' অনুষ্ঠানটোক পালন কৰে যদিও তেওঁলোকৰ নিয়মবোৰ অলপ পৃথক। তেওঁলোকে প্ৰথম দিনা কঠীয়াৰ লগতে— কলা কচু, মৰাপাট, কলপুলি আদিবোৰ দিন বিশ্বকৰ্মাৰ নাম লৈ খেতি আৰম্ভ কৰে।

ইয়াৰ উপৰিও সাপটগ্ৰাম অঞ্চলৰ কলিতাসকলে ধান পকিলে 'আগ আনা' বুলি এটা অনুষ্ঠান পালন কৰা দেখা যায়। সেইদিনা পৰম্পৰাগতভাৱে চলি অহা নিয়ম অনুসৰি ঘৰৰ ডাঙৰ বা সৰু ল'ৰাই গা-পা ধুই নতুন বস্ত্ৰ পৰিধান কৰি মূৰত পাগুৰি বান্ধি নতুন গামোচা আৰু কাঁচি লৈ পথাৰলৈ যায় আৰু একে উশাহতে ধানৰ থোক কাটি গামোচাৰে মেৰিয়াই মূৰত লৈ পিছফালে নোচোৱাকৈ ঘৰলৈ বুলি যাত্ৰা কৰে। এই নিয়ম ৰাজবংশী আৰু

মুছলমানসকলৰ মাজত প্ৰচলন নাই। ৰাজবংশীসকলে লক্ষ্মী পূৰ্ণিমাৰ দিনা পথাৰৰ পৰা এগোছি ধান আনি লক্ষ্মীদেৱীৰ চৰণত দিয়ে আৰু কোনো অমংগল নোহোৱাকৈ যাতে ধান কাটি আনিব পাৰে তাৰ কামনা কৰে। ৰাজবংশীসকলৰ ক্ষেত্ৰত ধান অনাৰ কোনো নিয়ম নাই। ঘৰৰ যিকোনো তিৰোতা, ছোৱালী, ল'ৰাই ধান আনিব পাৰে।

শালিধান ৰোৱাৰ সময়ত কিছুমান নিয়ম কৰাৰ দৰে এই অঞ্চলৰ আহু ধানৰ খেতি কৰাৰো প্ৰচলন আছে। আহু ধানৰ খেতি মাঘ-ফাগুন মাহত কৰা হয়। ইয়াৰ বাবে মাটি বোকা কৰি ল'ব নালাগে। এই খেতি ওখ ঠাইত কৰা হয়। ৰাজবংশী লোকসকলে এই ধান ছটিওৱাৰ সময়ত কিছুমান নিয়ম পালন কৰি আহিছে। তেওঁলোকে ধান ছটিওৱাৰ দিনা ৰাতিপুৱা গা-পা ধুই পবিত্ৰ বস্ত্ৰ পিন্ধি অৰ্থাৎ (ধুই-পখালি লোৱা কাপোৰ) পাচিত ধান লৈ পথাৰলৈ যায়। ছটিওৱাৰ সময়ত পানী লাও, এগিলাচ পানী, সেন্দুৰ, গাখীৰ, চাকি আদি সামগ্ৰীৰ প্ৰয়োজন হয়। এনে কৰিলে শস্য ভাল আৰু কোনো পোক-পৰুৱা নোহোৱাকৈ যাতে বাঢ়ি যাব পাৰে তাৰে কামনা কৰা হয়।

এইবোৰৰ উপৰি ৰাজবংশী সম্প্ৰদায়ৰ লোকসকলে ধান খেতিত বিভিন্ন ধৰণৰ ধ্বংসকাৰী পোক-পৰুৱা মাৰি পেলাবৰ বাবে কাতি বিহুৰ দিনা পথাৰত চাকি-বন্তি জ্বলায়। সাপটগ্ৰাম অঞ্চলৰ লোকসকলৰ বিশ্বাস যে চাকিৰ পোহৰত ক্ষতিকাৰক কীট-পতংগবোৰ ধ্বংস হয়। ইয়াৰ উপৰি 'দীপাৱলী'ৰ দিনত পথাৰত চাকি দিয়া হয়। ভালে-কুশলে পথাৰৰ ধানবোৰ যাতে গৃহস্থই ঘৰলৈ আনিব পাৰে সেইকাৰণে প্ৰাৰ্থনা জনোৱা হয়।

ধান খেতিৰ উপৰি সাপটগ্ৰাম অঞ্চলৰ মানুহবোৰে শীতকালত ৰবি শস্য যেনে—আলু, জলকীয়া, পানী লাও, বেঙেনা, কচু, লফা, পালেং, মূলা, গাজৰ, ওলকবি, বন্ধাকবি, ফুলকবি ইত্যাদিৰ খেতি কৰে।

গ্ৰীষ্মকালত খেতি কৰা শাক-পাচলি—জিকা, ভোল, তিঁয়হ, বীণ, চাল কোমোৰা, মিঠা লাও ইত্যাদি।

**• পশু পালন ঃ**

খেতিৰ এটা উল্লেখযোগ্য দিশ হ'ল—পশু পালন। খেতি বুলি কোৱাৰ লগে লগে পশু পালনৰ কথাটোও সোমাই পৰে। সাপটগ্ৰাম অঞ্চলত ৰাজহুৱা আৰু ব্যক্তিগত এই দুয়ো প্ৰকাৰে পশু পালন কৰা দেখা যায়। অঞ্চলটোৰ লোকে ব্যক্তিগতভাৱে বিভিন্ন পশু পালন কৰে যেনে-গৰু, ছাগলী, কুকুৰা, হাঁহ, পাৰ চৰাই, ভেৰা আদি। ইয়াৰ উপৰি ৰাজহুৱাভাৱে কিছুমান ডেকা আৰু বয়োজ্যেষ্ঠ মানুহে কুকুৰাৰ ফাৰ্ম, হাঁহৰ ফাৰ্ম আদি খোলা দেখা যায়। এনে ফাৰ্মবোৰ বিশেষকৈ মুছলমানপ্ৰধান অঞ্চলত কৰা দেখা যায়।

অসমীয়া কৃষিজীৱী মানুহবোৰৰ ঘৰত গৰুৰ এক গুৰুত্বপূৰ্ণ স্থান আছে। সাপটগ্ৰাম অঞ্চলৰ কৃষকসকলৰ ঘৰত গৰু আৰু ছাগলী থাকেই। ৰাজবংশী, কলিতা, নাথ লোকসকলৰ ঘৰত বিশেষকৈ—পাৰ চৰাই, হাঁহ, গৰু, ছাগলী আদি পোহপাল দিয়া দেখা যায়। গৰু পোহপালৰ ক্ষেত্ৰত পুৰুষৰ ভূমিকা মন কৰিবলগীয়া। কাৰণ ইয়াক কৃষি কাৰ্যত ব্যৱহাৰ কেৱল পুৰুষসকলেই কৰে। সেইদৰে মহিলাসকলেও ঘৰতে বহি টকা উপাৰ্জন কৰা এটা অন্যতম আহিলা হ'ল—পশু পালন। ইয়াৰ জৰিয়তে মহিলাসকলে নিজে টকা উপাৰ্জন কৰিব পাৰে। যেনে—কুকুৰা আৰু হাঁহ পালন কৰি সেইবোৰৰ কণীবোৰ বিক্ৰী কৰি টকা আয় কৰিব পাৰি। সেইবোৰ জীৱ-জন্তুৰ ক্ষেত্ৰত কিন্তু নাৰী

অথবা মহিলাসকলৰ গুৰুত্ব অধিক। সেয়েহে পশু পালনকো খেতিৰ ভিতৰত স্থান দিয়া হয়।

**• মৎস্য পালন ঃ**

খেতিৰ এটা উল্লেখযোগ্য দিশ হ'ল মৎস্য পালন। মৎস্য পালন কৰিও কিছুমান মানুহে জীৱিকা নিৰ্বাহ কৰা দেখা যায়। সাপটগ্ৰামৰ কিছু কিছু অঞ্চলত এই ব্যৱস্থা দেখিবলৈ পোৱা যায়। এই কামটো কৰিবলৈ নিৰ্দিষ্ট কোনো বয়স নালাগে। যিকোনো বয়সৰ মানুহেই এই কামটো কৰিব পাৰে। মহিলাৰ দ্বাৰাও এই কাম কৰা হয়। দহ-বাৰ জন মানুহে একেলগ হৈ (প্ৰয়োজন সাপেক্ষে মানুহৰ সংখ্যা কম-বেছিও হ'ব পাৰে) এই কাৰ্য সম্পন্ন কৰে।

মৎস্য পালনৰ বাবে এডোখৰ ঠাই বাচি ল'ব লাগে। ঠাইখনত সদায় ৰ'দ পৰি থাকিব লাগিব। ছাঁ থকা ঠাইত এই কাম কৰিব নোৱাৰি। ইয়াৰ বাবে মাটিডোখৰ খান্দি অলপমান পুখুৰীৰ নিচিনা কৰি ল'ব লাগে। যদিও পুখুৰীৰ দৰে ইমান খান্দিব নালাগে। প্ৰায় চাৰি ফুট পাঁচ ফুট গাঁত খান্দিব লাগে। বাৰিষা কালত এই কাম সম্পাদন কৰা হয়। বাৰিষা কাল অহাৰ লগে লগে গাঁতবোৰ পৰিষ্কাৰ কৰি লোৱা হয় কাৰণ বৰষুণ পৰিলে গাঁতবোৰত পানী জমা হ'ব আৰু তেতিয়া সেই পানীত বিভিন্ন প্ৰজাতিৰ মাছ এৰি দিব পাৰিব। কেৱল বৰষুণৰ ওপৰত ভিত্তি কৰি এই কাম আৰম্ভ কৰা নহয়। বিভিন্ন ধৰণৰ মেচিনৰ দ্বাৰা গাঁতবোৰত পানীৰ যোগান ধৰা হয়। যাতে এৰি দিয়া মাছবোৰ জীয়াই থাকে। শুনিবলৈ যিমান সহজ বুলি ভবা যায়, প্ৰকৃততে ই ইমান সহজ নহয়। ইয়াৰ বাবে একান্ত পৰিশ্ৰম আৰু ধৈৰ্যৰ প্ৰয়োজন। সময়ে সময়ে লেতেৰা পানীবোৰ গাঁতটোৰ পৰা উলিয়াই দিয়া হয় আৰু নতুন পৰিষ্কাৰ পানীৰ যোগান ধৰা হয়। আৰু তাৰ লগতে গাঁতবোৰৰ চাৰিওফালে পৰিষ্কাৰ কৰি ৰাখিব লাগে। তাৰোপৰি পুষ্টিকৰ খাদ্যৰ লগতে বিভিন্ন ধৰণৰ ভিটামিনো দিয়া দেখা যায়, যাতে মাছবোৰ সোনকালে ডাঙৰ আৰু সু-স্বাস্থ্যকৰ হয়। খাদ্য যেনে—উঁই হাফলু। গমৰ বাকলি, বৰলৰ টোপ, গাহৰিৰ পায়খানা ইত্যাদি।

**কৃষিকাৰ্যত ব্যৱহৃত সা-সঁজুলি ঃ**

কৃষি কাৰ্য কৰোঁতে বহুতো ধৰণৰ সা-সঁজুলিৰ ব্যৱহাৰ কৰা হয়। তলত সেই বিষয়ে আলোচনা কৰা হ'ল—

**• এহাল গৰু ঃ**

কৃষকে খেতি কৰিবৰ বাবে প্ৰথমতে দৰকাৰ হয় মাটি বা ভূমি আৰু বলধ গৰু এহাল। সাপটগ্ৰাম অঞ্চলৰ কৃষকসকলে আন আন অঞ্চলৰ দৰে গৰুৰে হাল বাই খেতি কৰে। হিন্দু লোকসকলে কেৱল বলধ গৰুৰে হাল বায় কিন্তু মুছলমান সমাজত কিছুমানে গাই গৰুৰেও হাল বোৱা দেখা যায়।

**• নাঙল ঃ**

কাঠেৰে তৈয়াৰী এবিধ সঁজুলি হ'ল নাঙল। ইয়াত এখন চোকা ফাল থাকে। ফালখন লোৰে তৈয়াৰ কৰা হয়। নাঙলৰ আন অংগ হ'ল নাঙলৰ মুঠি, নাঙলৰ ডিলা। ইয়াৰ উপৰি লোৰে নিৰ্মিত ফাল আৰু ফালৰ কাঠি থাকে।

**• জোঙাল (যুঁৱলি) ঃ**

যুঁৱলি বাহ বা কাঠেৰে তৈয়াৰ কৰা হয়। যুঁৱলিৰ দুফালে দুটা খিলা থাকে। এই খিলা দুটাৰ সহায়ত গৰু হালৰ ডিঙিৰ ওপৰত যুঁৱলিখন খাপ খাই থাকে। খিলা দুডাল গৰুহালৰ গলত ৰচীৰে বন্ধা থাকে আৰু মৈ দিয়াৰ সময়ত ৰচীডাল মৈৰ লগত সংলগ্ন কৰি দিয়া হয়।

**• মৈ ঃ**

মৈ বাঁহেৰে তৈয়াৰ কৰা এবিধ সঁজুলি, মৈ কৃষি কাৰ্যত ব্যৱহৃত এবিধ অতি প্ৰয়োজনীয় সঁজুলি।

মৈত এডাল ৰচী থাকে। চহামাটি সমান কৰিবলৈ মৈৰ ব্যৱহাৰ কৰা হয়। সাধাৰণতে মৈ ভলুকা বাঁহেৰে তৈয়াৰ কৰা হয়। তাৰ ফলত মৈখন মজবুত হয়।

**• গৰুৰ গাড়ী ঃ**

গৰুৰ গাড়ী কৃষি কাৰ্যৰ বাবে অতি প্ৰয়োজনীয়। গাড়ীখন সাধাৰণতে কাঠেৰে তৈয়াৰ কৰা হয়। খেতি পথাৰত বিভিন্ন ধৰণৰ লাগতিয়াল বস্তু অনা-নিয়া কৰাৰ বাবে অতি প্ৰয়োজনীয়। যদিও আজিকালি বিজ্ঞান আৰু প্ৰযুক্তি বিদ্যাৰ যুগ, সাপটগ্ৰাম অঞ্চলত এই গৰু গাড়ীৰ প্ৰচলন আজিও বিদ্যমান।

**• কাৰালী (ওখোন-আখোন) ঃ**

ই বাঁহেৰে তৈয়াৰী। ইয়াক ভলুকা বাঁহেৰে তৈয়াৰ কৰা হয়। বাঁহৰ আগটো ৰচীৰে এদিন বান্ধি থোৱা হয় আৰু পিছত বাঁহডাল জুইত তপতাই নিৰ্দিষ্ট গঢ় দি বগলীৰ ঠোঁটৰ নিচিনাকৈ বনোৱা হয়। জুইত তপতোৱাৰ আগতে বাঁহডাল কচুৰ পাতেৰে মেৰিয়াই লোৱা হয়। এইবিধ সঁজুলি সাধাৰণতে মৰণা মৰাৰ সময়ত ব্যৱহাৰ কৰা হয়।

**• কোদাল (কোৰ) ঃ**

কোৰ লোৰে তৈয়াৰ কৰা হয়। সাধাৰণতে ইয়াত এটা বাঁহৰ নাল থাকে। কোনোৱে কাঠৰো নাল লগায়। কিন্তু বেছিভাগ মানুহেহৈ বাঁহেৰে নাল লগায়। কোদালৰ দুটা ভাগ আছে—সৰু কোদাল আৰু বৰ কোদাল। মাটি খান্দিবলৈ ইয়াক ব্যৱহাৰ কৰা হয়।

**• খন্তা ঃ**

খন্তা লোৰে তৈয়াৰ কৰা হয়। খন্তাত এডাল বাঁহৰ মাৰি (ডাৰি) লগোৱা থাকে। প্ৰধানকৈ শাক-পাচলি খেতি কৰাৰ সময়ত জেওৰা দিওঁতে কিছুমান বাঁহৰ খুটি গাঁতত পুতি জেওৰাখন ওপৰত দিব লাগে আৰু এই গাঁতবোৰ খান্দোতে খন্তাৰ ব্যৱহাৰ কৰা হয়।

**• কাঁচি ঃ**

কাঁচিখন লোৰ দ্বাৰা নিৰ্মিত। ধান বা ৰবি শস্য কাটিবৰ বাবে কাঁচিৰ প্ৰয়োজন হয়। ই অৰ্ধচন্দ্ৰাকৃতিৰ। ঠিক দ্বিতীয় তৃতীয় জোনৰ দৰে। কাঁচিত সাধাৰণতে সৰু সৰু কিছুমান ধাৰ থাকে। সেয়েহে নিজৰ গাৰ ফালে টানিলেহে ই কাটে। কাঁচিখন ধৰিবৰ বাবে কাঠৰ এটা নাল লগৰো হয়।

**• পাচুন (খণ্টি) ঃ**

খণ্টি লোৰে তৈয়াৰ কৰা হয়। সাপটগ্ৰাম অঞ্চলৰ লোকসকলে খণ্টিক পাচুন বোলে। খণ্টিবোৰ সাধাৰণতে চাৰিকোণীয়া আৰু তিনিকোণীয়া আকৃতিৰ হয়। এইবিধ সঁজুলি খেতি পথাৰ নিৰাওঁতে ব্যৱহাৰ হয়।

**• কুস্মি (দৌলবাৰি) ঃ**

দৌলবাৰি বাঁহ আৰু কাঠেৰে তৈয়াৰ কৰা হয়। ইয়াত বাঁহৰ এটা সৰু আৰু মিহি টুকুৰাৰে নাল লগোৱা হয়। কৃষকে খেতি পথাৰৰ চপৰা মাটি ভাঙিবলৈ দৌলবাৰি ব্যৱহাৰ কৰে। সাপটগ্ৰাম অঞ্চলৰ কৃষকসকলে ইয়াক কুস্মি বোলে।

**• ভাৰ ভাৰাটি (বাংকা) ঃ**

বাংকা বাঁহেৰে তৈয়াৰ কৰা হয়। এই সঁজুলি ভলুকা বাঁহেৰে তৈয়াৰ কৰে। ইয়াৰ দুটা মূৰ থাকে। মূৰ দুটা জোঙা আকৃতিৰ হয়। গৰুগাড়ী নাথাকিলে খেতি পথাৰৰ পৰা ধানৰ আটি আৰু ৰবি শস্য আদি ঘৰলৈ আনিবলৈ বাংকাৰ ব্যৱহাৰ কৰা হয়। বৰ্তমান ইয়াৰ প্ৰচলন কমি গৈছে যদিও কিছু কিছুৱে আজিও বাংকাত ধান অনা দেখা যায়।

**• হাতচিনী (বিৰিয়া) ঃ**

কাঠ আৰু বাঁহেৰে এইবিধ সঁজুলি তৈয়াৰ কৰা হয়। কৃষকসকলে হাল বাবৰ সময়ত জাবৰ-জোথৰ পৰিষ্কাৰ কৰিবলৈ বিৰিয়াৰ ব্যৱহাৰ কৰে।

**• পাট (ৰনিয়া) ঃ**

ৰনিয়া কাঠেৰে তৈয়াৰ কৰা হয়। ইয়াৰ দ্বাৰা ৰ'দত মেলি দিয়া ধান, তিল, সৰিয়হ, গম আদি শস্যবোৰ এঠাইত গোটাবলৈ ব্যৱহাৰ কৰে।

ইয়াৰ উপৰিও খেতি কৰিবলৈ জুলা চালনি, ডাল (ডালা), পাচি আদিবোৰ সঁজুলিৰ প্ৰয়োজন। এইবিলাকবাঁহেৰে তৈয়াৰ কৰা সঁজুলি ধান, চাউল, মাহ জাতীয় শস্য কঢ়িয়াবলৈ ব্যৱহাৰ কৰা হয়।

**সাপটগ্ৰাম অঞ্চলৰ কৃষিভিত্তিক উৎসৱ অনুষ্ঠান ঃ কৃষি কাৰ্যৰ আৰম্ভণিৰ পূৰ্বে পালন কৰা উৎসৱ অনুষ্ঠান ঃ**

গাঁৱলীয়া চহা জনজীৱনৰ একমাত্ৰ জীৱিকাৰ উৎস হ'ল কৃষি। কৃষিৰ দ্বাৰা গাঁৱৰ সাধাৰণ দুখীয়া লোকে দুবেলা দুমুঠি ভাত খাবলৈ পায়।

সাপটগ্ৰাম অঞ্চলত কৃষিকাৰ্য আৰম্ভ হোৱাৰ পূৰ্বে কিছুমান নিয়ম-নীতি পালন কৰা দেখা যায়। তলত সেই বিষয়ে আলোচনা কৰা হ'ল—

**• হালযাত্ৰা ঃ**

খেতি কৰাৰ উদ্দেশ্যে প্ৰথম যিদিনা পথাৰত হাল নিয়া হয় তাকে হাল যাত্ৰা বোলে। সাপটগ্ৰাম অঞ্চলৰ কৃষকসকলে বুধবাৰে হালযাত্ৰা কৰে কাৰণে এই অঞ্চলৰ কৃষকসকলৰ এফাঁকি প্ৰবচন আছে—

*'চাসায় কয় বুধবাৰ*
*পাঁজি পুথি নাচায় আৰ।'*

অৰ্থাৎ হালযাত্ৰাৰ কাৰণে বুধবাৰে দিনটোৱেই শ্ৰেষ্ঠ। কোনো পুথি-পাঁজি চাই হালযাত্ৰা কৰিব নালাগে। হালযাত্ৰাৰ দিনা কৃষকজনে পুৱাই উঠি নাখাই নবৈ হালোৱা সাজ পিন্ধি পথাৰলৈ যায় আৰু ভক্তি সহকাৰে পূবৰ পৰা পশ্চিমলৈ বুলি হালযাত্ৰা কৰে। কিন্তু এই অঞ্চলৰ হিন্দু সম্প্ৰদায়ৰ মানুহখিনিৰ হালযাত্ৰাৰ এটা নিয়ম আছে। তেওঁলোকে অমাৱস্যা, পূৰ্ণিমা, মহাপুৰুষৰ জন্ম, মৃত্যু তিথি, মা-দেউতাৰ বছৰেকীয়া তিথিত হালযাত্ৰা নকৰে। এনেধৰণৰ নিয়মবোৰ মুছলমান সম্প্ৰদায়ৰ ক্ষেত্ৰত নাই।

**• বিচন পাৰা (বীজ সিঁচা বা কঠীয়া পৰা) ঃ**

সাপটগ্ৰাম অঞ্চলৰ কৃষকসকলে সাধাৰণতে শালি আৰু আহু ধানৰ খেতি কৰে। শালিধানৰ বীজ সিঁচে জেঠ মাহত আৰু আহু ধানৰ বীজ সিঁচে মাঘ-ফাগুন মাহত। এই বীজ পাৰিবলৈ যোৱাৰ আগতে কৃষকসকলে স্নান কৰি ভক্তি সহকাৰে দেৱী লখিমীৰ নাম লৈ বীজ ছটিয়ায়। পক্ষৰ কোনো কথা ইয়াত নাথাকে। কেৱল বীজ সিঁচে মহেন্দ্ৰক্ষণ বা অমৃতযোগ সমুপস্থিত হ'লে। বুধবাৰে বিচন পাৰাৰ প্ৰশস্ত কাম বুলি ভাবে।

**• গছা দিয়া (গুছি দিয়া) ঃ**

খেতিৰ উদ্দেশ্যে প্ৰথম দিনা কঠীয়া ৰোৱাকে 'গছা দিয়া' বোলে। কলিতাসকলে ইয়াক 'গছা দিয়া', ৰাজবংশীসকলে 'গছ দিয়া' নামেৰে কয়। এই অনুষ্ঠান কৰোঁতে কলিতাসকলে কলৰ পুলি, ক'লা কচু আদিবোৰ বস্তু কঠীয়াৰ লগত ৰুই দিয়ে। আৰু ৰাজবংশীসকলে ক'লা কচু, মৰাপাট, কলৰ পুলি আদি দি প্ৰথম কঠীয়াৰ গোছ দিয়ে। এই অনুষ্ঠানটোকে 'গছা দিয়া' বুলি কোৱা হয়।

ইয়াৰ উপৰিও নাথসকলৰ ক্ষেত্ৰত কিছু পাৰ্থক্যই দেখা দিয়ে। নাথ সম্প্ৰদায়ৰ লোকসকলে পুথি পাঁজি চাই 'গছা দিয়া' দিন ঠিক কৰে। ৰাজবংশী আৰু কলিতাসকলৰ ক্ষেত্ৰতো এই নিয়ম প্ৰযোজ্য। গছা দিয়া লোকজন নাবালকে হওক বা সাবালকে হওক, পুৰুষে হওক বা মহিলাই হওক এই লৈ নাথসকলৰ মাজত কোনো ধৰাবন্ধা নিয়ম নাই। কিন্তু ৰাজবংশীসকলৰ মাজত কেৱল নাবালক ল'ৰা-ছোৱালীয়ে এই অনুষ্ঠান কৰিব পাৰে। মুঠতে গৃহস্থৰ ঘৰৰ মানুহ হ'ব লাগিব। নাথ আৰু কলিতাসকলৰ মাজত যিজন মানুহে গছা দিয়ে তেওঁ উপবাসে থাকি গা পা ধুই পৰাপক্ষত নতুন কাপোৰ পিন্ধি পথাৰলৈ যায়। গছা দিবলৈ প্ৰস্তুত কৰা কলাপুলি বা হেলসী পুলি এটা পুতি থাপনা পাতি লোৱা হয়। ইয়াৰ পিছত ধূপ-ধূনা জ্বলাই পূজা কৰা হয়। কোনো অঞ্চলত গৰুকো ফোঁট দি আৰতি কৰি লোৱা হয়। ইয়াৰ

পিছত মনোনীত মানুহজনে প্ৰথমে বেদীৰ কাষত আই লখিমীৰ নাম কৰি কঠীয়া ৰোৱা আৰম্ভ কৰে।

**কৃষিকাৰ্যৰ সামৰণিৰ স্তৰৰ উৎসৱ-অনুষ্ঠান ঃ**

সাপটগ্ৰাম অঞ্চলৰ কৃষিজীৱী লোকসকলে কৃষিকাৰ্য সামৰণিৰ স্তৰত কিছুমান উৎসৱ-অনুষ্ঠান পালন কৰা দেখা যায়। যেনে—হাল উঠা, আগ অনা, আগ ধৰা, কাঁচি গেলা (কাঁচি উঠা), নেৱা খাৱা (ন খোৱা), মৰণা মৰা ইত্যাদি।

**• হাল উঠা ঃ**

সাপটগ্ৰাম অঞ্চলৰ কৃষকসকলে ৰোৱা গাৰা শেষ হোৱাকে হাল উঠা বোলে। কঠীয়া ৰোৱা কামটো সেইদিনা অলপ বেলেগকৈ কৰিব লাগে। কঠীয়া ৰোৱা শেষ হোৱাৰ পিছত অৰ্থাৎ শেষৰটো দিনত কঠীয়া ৰোৱা নহয়। হাল উঠাৰ দিনা বোৱাৰীসকলে হাতত যিখিনি কঠীয়া লয় সেইখিনি নোৰোৱাকৈ আহিব নোৱাৰে আৰু কঠীয়া ৰোৱা শেষ হোৱাৰ পিছত পথাৰৰ পানীৰে হাত ভৰি ধুই ঘৰলৈ আহিব লাগে। পথাৰৰ বোকা মাটি ঘৰলৈ আনিব নাপায় বুলি কোৱা হয়।

**• আগ অনা ঃ**

এই আগ অনা অনুষ্ঠানটো সাপটগ্ৰাম অঞ্চলৰ কলিতাসকলৰ ক্ষেত্ৰত প্ৰযোজ্য। ৰাজবংশী আৰু বাকী সম্প্ৰদায়ৰ লোকসকলে এই নিয়ম নকৰে। কলিতাসকলে ধান কটাৰ লগে লগে এই অনুষ্ঠানটো পালন কৰে। এটা ভাল দিন বাৰ চাই কলিতাসকলে বিশেষ নিয়মেৰে পথাৰৰ পৰা এমুঠি ধানৰ শিহ বা ধানসহ ঘৰলৈ অনা ব্যৱস্থাটোক আগ অনা বুলি কোৱা হয়। কলিতাসকলে শুভ দিন সোমবাৰ আৰু বৃহস্পতিবাৰে ঘৰৰ সৰু বা ডাঙৰ ল'ৰা আগ অনাৰ বাবে মনোনীত কৰে। অমাৱস্যা আৰু পূৰ্ণিমা তিথিত এই অনুষ্ঠান কৰা নহয়। তিৰোতা বা ছোৱালীয়ে আগ অনা নিষেধ। মনোনীত মানুহজনে ৰাতিপুৱা গা পা ধুই নতুন গামোচা পিন্ধি মূৰত পাগুৰি বান্ধি হাতত গামোচা, কাঁচি আৰু কলৰ পাত লৈ আগ আনিবলৈ যায়। পথাৰত গৈ এগুচি ধান একে উশাহতে কাটি কলপাত আৰু গামোচাত মেৰিয়াই মূৰত লৈ পিছফালে নোচোৱাকৈ আৰু কাৰো লগত কথা নপতাকৈ ঘৰলৈ আহিব লাগে। এনেদৰে আগ আনি ভঁৰালত থোৱা হয়। সেইদিনা গৃহস্থই ঘৰৰ বস্তু অইনক নিদিয়ে। এনে কৰিলে লখিমী ঘৰৰ পৰা ওলাই যায় বুলি কোৱা হয়।

**• গাতা ধৰা বা হাউলি দিয়া (সাউৰি দিয়া) ঃ**

যেতিয়া খেতিয়কৰ ধান কাটিবলৈ বহুত বাকী থাকে আনহাতে সোনকালে ধান নাকাটিলে ধানবোৰ নষ্ট হোৱাৰ উপক্ৰম হয় তেতিয়া সেই খেতিয়কজনে তেওঁৰ লগত আন কেইজনমান লোকক ধান কাটি দি সহায় কৰিবলৈ মাতে আৰু ইয়াৰ সলনি কোনো টকা-পইচা দিয়া নহয় তাৰ বিনিময়ত এসাঁজ খাবলৈ মাতে। তাকে হাউলি দিয়া বোলে। ইয়াক কিছুমানে ধাতা ধৰা আন কিছুমানে আকৌ সাউৰি দিয়া বোলে। এই পৰ্বৰ দ্বাৰা খেতিয়কৰ কৰ্ম প্ৰেৰণা বঢ়োৱাৰ লগতে খেতিয়কসকলৰ মাজত পাৰস্পৰিক সহযোগিতাও বাঢ়ে।

**• কাচি তোলা (কাঁচি উঠা) ঃ**

ধান কটা শেষ হোৱাৰ দিনাক 'কাঁচি উঠা' বোলে। ইয়াক জীয়াল উঠোৱাও বোলে। ভাল দিন-বাৰ চাই জীয়াল উঠোৱা হয়। যিজন মানুহে জীয়াল তোলে তেওঁ গা-পা ধুই পথাৰলৈ সেৱা জনাই কেইগছমান ধান কাটি এটা মুঠা বান্ধে। তাৰ পিছত পুনৰ সেৱা কৰি ঘৰলৈ আহে। কোনো কোনোৱে সেইদিনা পিঠা খায় আৰু জীয়াল তোলাজনে প্ৰথম পিঠা খায় বুলি জনা যায়।

**• মৰণা মৰা ঃ**

মৰণা মৰাৰ নিয়ম অসমৰ প্ৰায় সকলো অঞ্চলতে

দেখা যায়। সেইদৰে সাপটগ্ৰাম অঞ্চলতো মৰণা মৰাৰ নিয়ম পালন কৰা দেখা যায়। ঘৰৰ বাহিৰৰ ডাঙৰ চোতালত ধানৰ আঠিবোৰ সজাই থৈ পিছত ঈশ্বৰৰ নাম লৈ গৰুক আঠিৰ ওপৰত উঠাই দিয়া হয়। আগতে এনেদৰে মৰণা মৰা হৈছিল কিন্তু বৰ্তমান সময়ত বিজ্ঞানৰ ন ন আৱিষ্কাৰৰ ফলত কিছুমান গাড়ীৰে মৰণা মৰা কামটো কৰিলে সময়ৰ অপচয় আৰু পৰিশ্ৰম কম হয়। প্ৰথম অৱস্থাত গৰুৰেই মৰণা মৰা হৈছিল যদিও বিজ্ঞানৰ নতুন নতুন আৱিষ্কাৰৰ পাছতো সাপটগ্ৰাম অঞ্চলত মৰণা মৰা প্ৰথাটো দেখিবলৈ পোৱা যায়।

**• নয়া খায়া (ন-খোৱা) ঃ**

নতুন চাউলেৰে যিদিনা প্ৰথম পায়স বনাই ভগৱানক দি নিজে খোৱা হয় তাকে ন খোৱা বোলে। অতি প্ৰাচীন কালৰে পৰা অসমৰ বিভিন্ন অঞ্চলৰ দৰে এই অঞ্চলৰ হিন্দু লোকসকলেও এই অনুষ্ঠান পালন কৰি আহিছে। এই উৎসৱ আঘোন মাহৰ এটা ভাল দিন চাই খোৱা হয়। ন চাউলৰ পায়স বনাই প্ৰথমতে ভগৱানক অৰ্পন কৰা হয়। তাৰ পিছত সেই পায়সখিনি ঘৰৰ সকলোকে দিয়া হয়। সেইদিনা সাধ্য অনুসাৰে মাছ-মাংস আদিৰে ভালদৰে এসাঁজ খোৱা হয়। ইয়াকে ন খোৱা বোলে।

**কৃষিকাৰ্যৰ উন্নতি কামনা কৰি পালন কৰা উৎসৱ-পাৰ্বন ঃ**

কৃষিকাৰ্যৰ উন্নতি কামনা কৰি পালন কৰা উৎসৱ-পাৰ্বনবোৰ হ'ল—কাতিপূজা (কাতিবিহু), পুমুনা (ভোগালী বিহু), লক্ষ্মী পূজা, কালীপূজা ইত্যাদি।

**• কাতিপূজা (কাতিবিহু) ঃ**

কাতিবিহুক কঙালী বিহু বোলে। কাতি মাহত খেতি পথাৰ লগপহকৈ বাঢ়ে। এই বিহুত অভাৱ অনাটনে কৃষকসকলক জুৰুলা কৰে বাবে এই বিহুক কাতি বিহু বোলে। কাতি মাহত খেতি লহপহকৈ বাঢ়ে অৰ্থাৎ গৰ্ভধাৰণ কৰে। সেয়ে কীট-পতংগই যাতে ধান নষ্ট কৰিব নোৱাৰে তাৰ কাৰণে খেতি পথাৰত চাকি দিয়া দেখা যায়। সাপটগ্ৰাম অঞ্চলৰ হিন্দুসকলে বিশ্বাস কৰে যে চাকি জ্বলাই দি লখিমী দেৱীক মিনতি কৰা হয় যাতে খেতি নষ্ট নহয় আৰু চাকিৰ পোহৰত কীট-পতংগবোৰৰ মৃত্যু হয় বুলিও কোৱা হয়।

**• পুমুনা (ভোগালী বা মাঘ বিহু) ঃ**

ভোগালী বা মাঘবিহু খেতি চপোৱাৰ আনন্দ উৎসৱ। মাঘ বিহুক সাপটগ্ৰাম অঞ্চলৰ হিন্দু মানুহবিলাকে 'পুমুনা' বুলি কয়। পুহ মাহৰ সংক্ৰান্তিৰ দিনা এই উৎসৱ পালন কৰা হয়। ধানখেতিৰ উদ্দেশ্যে বিশেষকৈ ইয়াৰ নিয়ম-নীতিবোৰ পালন কৰা হয়। 'পুমুনা'ৰ দিনা গৰুবিলাকক গা ধুৱাই দি শিঙত তেল দিয়ে আৰু নতুন ধানৰ চাউলৰ গুৰি, পানী আৰু তেল মিহলাই গাত ফোঁট দিয়া হয়। কিছুমানে ইয়াৰ লগত ৰঙো মিহলাই দিয়ে। সাপটগ্ৰাম অঞ্চলৰ জনবিশ্বাস মতে গৰুহাল ভালে-কুশলে থাকিলেহে খেতি-বাতি ভাল হয়। সেয়েহে সেইদিনা গৰুক ভালদৰে ধুই-পখালি পিঠা খুওৱা হয়।

**• লক্ষ্মীপূজা ঃ**

আহিন মাহৰ লক্ষ্মী পূৰ্ণিমাৰ দিনা লক্ষ্মীপূজা কৰা হয়। এই পূজাৰ উদ্দেশ্য হ'ল পথাৰৰ ধান অৰ্থাৎ খেতি ভাল কৰা আৰু ঘৰত অভাৱ-অনাটন নোহোৱা কৰা। খেতি ভালদৰে ঘৰলৈ আনিবৰ বাবে লখিমী দেৱীক সন্তুষ্ট কৰা হয় বুলি সাপটগ্ৰাম অঞ্চলৰ লোকসকলে বিশ্বাস কৰে।

লক্ষ্মীপূজাৰ দিনা ঘৰৰ ছোৱালী বা বোৱাৰীয়ে পূজা কৰিব লাগে। কাৰণ ছোৱালীবোৰক ঘৰৰ লখিমী বুলি কোৱা হয়। সেয়েহে লখিমী পূজা লখিমীৰ দ্বাৰাই কৰা হয়। পূজাৰ দিনা বোৱাৰীজনীয়ে পথাৰৰ পৰা ধানৰ গুচি এটা আনি লক্ষ্মীৰ চৰণত দিয়ে, যাতে লখিমী আইৰ কৃপাত ধানবোৰ নষ্ট

নোহোৱাকৈ গৃহস্থৰ ঘৰলৈ আহে। এনেধৰণৰ বিশ্বাসৰ আধাৰত লক্ষ্মীপূজা কৰা হয়।

**• কালীপূজা (দীপাৱলী) ঃ**

আহিন-কাতি মাহত অমাৱস্যাৰ দিনা কালীপূজা কৰা হয়। কালীপূজাক দীপাৱলী বুলিও কোৱা হয়। কালীপূজাৰ দিনা চাৰিওফাল আলোকিত কৰি ভূত-প্ৰেতক আঁতৰাই দিয়া বিশ্বাসৰ লগতে পথাৰতো চাকি জ্বলাই ক্ষতিকাৰক জীৱাণুবোৰ নিৰ্মূল কৰাৰ উদ্দেশ্যে এই উৎসৱ পালন কৰা হয়।

**• যাত্ৰা ঃ**

সাপটগ্ৰাম অঞ্চলত 'যাত্ৰা' নামৰ এটা অনুষ্ঠানো পালন কৰা পৰিলক্ষিত হয়। দুৰ্গা পূজাৰ দশমীৰ দিনা এই উৎসৱ পালন কৰা হয়। সেইদিনা কৃষিকৰ্মৰ লগত জড়িত সকলো সা-সঁজুলি ধুই-পখালি কলপাতৰ ওপৰত থৈ সেন্দুৰৰ ফোঁট দি, তেল, ধূপ-ধূনা জ্বলাই পূজা কৰা হয়।

**সাপটগ্ৰাম অঞ্চলৰ পৰিৱৰ্তিত কৃষি ব্যৱস্থা ঃ**

বৰ্তমান বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ উন্নয়নৰ লগে লগে মানুহৰ শ্ৰম বহু পৰিমাণে লাঘৱ হোৱা পৰিলক্ষিত হৈছে। মানুহৰ দৈনন্দিন জীৱন প্ৰণালীৰ উন্নতি সাধন হৈছে। প্ৰযুক্তিৰ ব্যৱহাৰে মানুহৰ জীৱনত বিভিন্ন দিশত প্ৰভাৱ পেলাইছে। কৃষকসকলে হালমৰা বাদ দি ট্ৰেক্টৰ, পাৱাৰ ট্ৰিলাৰবোৰক আঁকোৱালি লৈছে। এইবোৰ ব্যৱহাৰ কৰি কম সময়ৰ ভিতৰত অধিক মাটি চহাব পৰা যায়। উন্নতমানৰ বীজ আৰু ৰসায়নিক সাৰৰ ব্যৱহাৰৰ ফলত আজিকালি কম মাটিত অধিক ফচল উৎপাদন কৰা হয়। আগতে সাৰৰ কথা ক'লে কৃষকসকলে কেৱল গোবৰকে বুজিছিল। কিন্তু আজিকালি বিভিন্ন ধৰণৰ সাৰৰ প্ৰভাৱত এটা সময়ৰ শস্য আন এটা সময়ত কৰিব পৰা হৈছে বা কৰাৰ বা ৰুব পৰা এটা অৱস্থা আহি পৰিছে। এই সকলোবোৰ প্ৰযুক্তিবিদ্যাৰে অৱদান বুলিব পাৰি। আজিকালি মৰণা মৰা প্ৰথাটো নাইকিয়া হৈ পৰিছে। আগৰ অৱস্থাত কৃষকসকলৰ ঘৰৰ সকলোৱে মিলি দুই তিনিহাল গৰু আৰু ম'হেৰে আগফালৰ চোতালত মৰণা মাৰিছিল। আজিকালি ই প্ৰায় নিঃশেষ হৈ পৰিছে। বিজ্ঞানৰ ন ন আৱিষ্কাৰৰ ফলত মৰণা মৰা ইমান লেহেমীয়া গতিত হোৱা কামটো আজিকালি নিমিষতে হৈ যায়। ইয়াৰ উপৰি পথাৰ নিৰোৱাৰ বাবেও কিছুমান যন্ত্ৰ ব্যৱহাৰ কৰা দেখা যায়। যাৰ ফলস্বৰূপে কৃষকৰ শাৰীৰিক কষ্ট যথেষ্ট কম হয়।

বৰ্তমান সময়ত জলসিঞ্চন ব্যৱহাৰৰ ফলত সাপটগ্ৰাম অঞ্চলৰ লোকবোৰে বছৰৰ সকলো সময়তে বিভিন্ন ধৰণৰ খেতিৰ বাবে পানীৰ যোগান ধৰিব পাৰে আৰু নিজৰ অভাৱো পূৰণ কৰিব পাৰে। আগৰ দিনত পানীৰ বাবে কেৱল বৰষুণৰ বাবে বাট চাই থাকিব লাগিছিল। কিন্তু বৰ্তমান এই সমস্যাৰ সমাধান হৈ পৰিল।

ধান অনাৰ ক্ষেত্ৰতো কিছুমানে গৰুৰ গাড়ীৰ সলনি ট্ৰেক্টৰ ব্যৱহাৰ কৰে। গৰু, ম'হ, হাঁহ, ছাগলী, ভেৰা আদি জন্তু পালনৰ ক্ষেত্ৰতো নানা আধুনিক প্ৰযুক্তি কৌশলৰ ব্যৱহাৰ কৰা হয়।

**সাপটগ্ৰাম অঞ্চলৰ কৃষি ব্যৱস্থালৈ অহা প্ৰত্যাহ্বান ঃ**

কৃষি হ'ল মানুহৰ জীৱনৰ এক অপৰিহাৰ্য অংগ। কৃষিক বাদ দি গাঁৱলীয়া লোকসকলে জীৱন নিৰ্বাহৰ কথা কল্পনাও কৰিব নেৱাৰে। কৃষিকাৰ্য এদিনতে কৰিব নোৱাৰি। ইয়াৰ বাবে কঠোৰ পৰিশ্ৰমৰ প্ৰয়োজন। কৃষি কাৰ্যৰ ক্ষেত্ৰত কৃষকসকলক বহুতো ধৰণৰ প্ৰত্যাহ্বানৰ সন্মুখীন হ'বলগীয়া হয়। এই সকলোবোৰ বাধা নেওচি কৃষকসকলে নিজৰ বাহুবলেৰে সমাধান কৰে। তলত সেই বিষয়ে আলোচনা কৰা হ'ল-

মাঘ-ফাগুন মাহত আহু ধান ছটিওৱা হয় আৰু ব'হাগ-জেঠ মাহত এই ধানবোৰ কাটিব লাগে। সেই সময়তে ধাৰাষাৰ বৰষুণ পৰি চাৰিওফালে বানপানীৰ সৃষ্টি কৰি পেলায় আৰু ধানবোৰ পানীৰ তলত পৰি নষ্ট হোৱাৰ উপক্ৰম হয়। বানপানীৰ পানী অলপ শুকুৱাৰ পিছতেই কৃষকসকলেবহু কষ্ট কৰি পানীৰ তলৰ পৰা ধানবোৰ কাটি আনে। কৃষকসকলে এবুকু আৰু একঁকাল পানীৰ মাজৰ পৰা ধানবোৰ কাটি আনি প্ৰথমতে ৰ'দত শুকুৱাই তাৰ পিছত হাতেৰে কোবাই কোবাই ধানবোৰ পৃথক কৰে। তাৰ পিছত আকৌ ধানবোৰ ৰ'দত শুকুৱাই থাকে । যিমান দিন ধানবোৰ নুশুকায় সিমান দিনলৈকে সেইবোৰক শুকুৱাই থকা হয়। এনেধৰণৰ কঠোৰ বাধাৰ সন্মুখীন হ'বলগীয়া হয় কৃষকসকলে। তেওঁলোকে বহু পৰিমাণে কষ্ট কৰি বছৰটো পাৰ কৰিবলৈ ধানৰ যোগাৰ কৰে।

বৰষুণ নিদিয়াৰ ফলতো বহু সময়ত কৃষকসকলে প্ৰত্যাহ্বানৰ সন্মুখীন হ'বলগীয়া হয়। জেঠ-আহাৰ মাহত বৰষুণ নিদিলে কৃষকসকলে কিদৰে শালি ধানৰ বীজ সিঁচিব তাৰ বাবে চিন্তিত হৈ পৰে। কাৰণ বৰষুণ নিদিলে বীজ সিঁচিব নোৱাৰিব আৰু বীজ সিঁচিব নোৱাৰিলে কঠীয়া কেনেকৈ হ'ব এই কথা ভাবিবলগীয়া হয়। আঢ্যৱন্ত ঘৰৰ মানুহৰ বিশেষ চিন্তা নাথাকে। তেঁওলোকে বিভিন্ন মেচিন, মটৰৰ যোগেদি পানীৰ যোগান ধৰে। কিন্তু দুখীয়া মানুহবোৰৰ হাতত এনে ব্যৱস্থা নথকাত তেওঁলোক অধিক চিন্তিত হৈ পৰা দেখা যায়। বহুক্ষেত্ৰত দেখা যায় যে দুখীয়া মানুহবোৰে নিজৰ ঘৰত পানী নাইবা ওচৰৰ পুখুৰী, নদ-নদীৰ পানী আনি পথাৰত দি ধানৰ বীজ সিঁচে। ইমান কষ্টৰ মাজতো তেওঁলোক হাৰ নামানি এই প্ৰত্যাহ্বানবোৰ নেওচি আগবাঢ়ি যায়।

ইয়াৰ উপৰি ধনী মানুহবোৰে বিভিন্ন ধৰণৰ ৰসায়নিক সাৰৰ প্ৰয়োগ কৰি খেতি-বাতি ভাল কৰে। কিন্তু দুখীয়া মানুহবোৰে সাধাৰণ সাৰ কিছুমান আৰু তাৰ লগতে গোবৰ পথাৰত ছটিয়ায়। বেছি পৰিমাণে ধানত সাৰ নিদিয়াৰ ফলত বিভিন্ন ধৰণৰ পোক-পৰুৱাই ধানবোৰ খাই ফোপোলা কৰি পেলায় তেতিয়া কৃষকসকলৰ মূৰত যেন আকাশ ভাঙি পৰে। কি কৰিব কি নকৰিব একোকে ভাবি নাপায়। সেই সময়ত বিভিন্ন ধৰণৰ সামাজিক লোকাচাৰমূলক অনুষ্ঠান পালন কৰে। যেনে-কাতিবিহু, লক্ষ্মী পূজা ইত্যাদি পালন কৰি আই লখিমীক প্ৰাৰ্থনা জনায়।

আদিম কালৰে পৰা কৃষি অসমীয়া সমাজৰ জীৱন ধাৰণৰ এটা এৰাব নোৱাৰা অংগ। কৃষি অবিহনে মানুহে কেতিয়াও জীয়াই থাকিব নোৱাৰে। গাঁৱলীয়া লোকসকলেই কেৱল কৃষি কৰে যদিও কৃষি সকলোৰে প্ৰয়োজন। চহৰীয়া মানুহৰ ভগৱান বুলি কৃষকসকলক ক'ব পাৰি। কাৰণ চহৰত বহি বহি হাতৰ আগত যি চাউল উপলব্ধ হয় সেই চাউলৰ আঁৰত কৃষকসকলৰ অক্লান্ত কষ্ট আৰু পৰিশ্ৰম লুকাই থাকে। গাঁৱলীয়া মানুহবোৰে কৃষি কৰাৰ ক্ষেত্ৰত বিভিন্ন ধৰণৰ আচাৰ-অনুষ্ঠান কৰা দেখা যায়। বৰ্তমানৰ যান্ত্ৰিক যুগত কাৰ্যৰ প্ৰণালী সলনি হৈছে। শিক্ষিত যুৱকচামে যন্ত্ৰ-পাতিৰে খেতি কৰিবলৈ লোৱাত অন্ধবিশ্বাস-লোকাচাৰ বা লোকবিশ্বাসসমূহ সমাজৰ পৰা নাইকিয়া হ'বলৈ ধৰিছে। কিন্তু শ্ৰমজীৱী জনসাধাৰণৰ মনৰ বতৰা আৰু সামাজিক তাৰ ছবি বুজিবলৈ হ'লে কৃষিজনিত লোকবিশ্বাস সংৰক্ষণ কৰা অতীৱ প্ৰয়োজনীয়।

বিভিন্ন জনজাতিৰে ভৰপূৰ অসমীয়া সমাজৰ সকলো স্তৰৰ কৃষিজীৱী সমাজত কৃষিৰ মূল্য যথেষ্ট পৰিমাণে আছে। সেইবাবে এইবোৰ বিষয়ত গৱেষণা কৰাৰ যথেষ্ট থল আছে। ভৱিষ্যত চামে সেয়ে কৃষিজনিত ব্যৱস্থাৰ ওপৰত অধিক গৱেষণা কাৰ্য কৰিব পাৰিব। ●

# সাপটগ্ৰাম অঞ্চলৰ মুছলমান সম্প্ৰদায়ৰ উৎসৱ-পাৰ্বনৰ এক ক্ষেত্ৰভিত্তিক অধ্যয়ন

**খাদিজা বেগম**
স্নাতক ষষ্ঠ ষাণ্মাসিক, অসমীয়া বিভাগ

**সাপটগ্ৰাম অঞ্চলৰ পৰিচয় আৰু ইয়াৰ মুছলমান সম্প্ৰদায়ৰ লোকসকল ঃ মুছলমান সম্প্ৰদায়ৰ লোকসকল ঃ**

সাপটগ্ৰাম ঠাইখন নামনি অসমৰ ধুবুৰী জিলাৰ অন্তৰ্গত এখন চহৰ। সাপটগ্ৰাম অঞ্চলটো ধুবুৰী জিলাৰ প্ৰায় উত্তৰ-পূব দিশত অৱস্থিত। এই চহৰখনৰ উত্তৰে তুলসীবিল, দক্ষিণে বগৰীবাৰী, পূবে ৰাণীগঞ্জ আৰু পশ্চিমে ভেলাকোবা। এই চহৰখন প্ৰাচীন কালৰে পৰা বহুত উন্নত। এই চহৰখনত বিদ্যালয়, চিকিৎসালয়, মহাবিদ্যালয়, পেট্ৰল পাম্প, দুটা চৰকাৰী আৰু এটা বেচৰকাৰী বেংক আছে। যাতায়াতৰ ক্ষেত্ৰতো এই চহৰখন উন্নত। ইয়াত চৰকাৰী-বেচৰকাৰী বাছ সেৱা, ৰেলসেৱা আদি আছে। সাপটগ্ৰাম চহৰৰ পশ্চিম দিশত সোণকোষ নৈ বৈ গৈছে। অসমৰ বিভিন্ন জাতি-জনজাতিৰে ভৰা এই অঞ্চলটিত বাস কৰা লোকসকল হৈছে—

মুছলমান, বেংগলী, ৰাজবংশী, নাথ যোগী, বড়ো, গাড়ো, ৰাভা, বিহাৰী আদি।

২০১১ চনৰ লোকপিয়ল মতে সাপটগ্ৰাম অঞ্চলটোত বসবাস কৰা লোকসকলৰ মুঠ জনসংখ্যা হ'ল ২৬৪২০ গৰাকী। তাৰে পুৰুষৰ সংখ্যা মুঠ ১৪৩২১ আৰু মহিলাৰ সংখ্যা ১২০৯৯ গৰাকী। সাক্ষৰতাৰ হাৰ পুৰুষৰ ৭৭.৩৩% আৰু মহিলাৰ ৬৮.৮৭%।

এই অঞ্চলত বসবাস কৰা মুছলমান লোকৰ সংখ্যা ৬৫%, বড়ো ৩.২৩%, নাথ যোগীসকল ১৫%, ৰাজবংশী ১২%, হিন্দু, বেংগলী ১০% আৰু অন্যান্য ৬.২৫%।

সাপটগ্ৰাম অঞ্চলত বসবাস কৰা বিভিন্ন জাতি-জনগোষ্ঠীৰ ভিতৰত মুছলমানসকলে অধিক স্থান দখল কৰি আছে। এওঁলোকে কৃষি কৰি জীৱিকা নিৰ্বাহ কৰে। এই অঞ্চলত কোনো উদ্যোগ-কাৰখানা নথকাৰ বাবে এই অঞ্চলৰ মুছলমান সম্প্ৰদায়ৰ লোকসকলে জীৱিকা নিৰ্বাহৰ বাবে বিদেশলৈ যোৱা দেখা যায়। সাপটগ্ৰাম চহৰৰ পাৰ্শ্ববৰ্তী কিছু গাঁৱত মুছলমানসকলে বাস কৰা অঞ্চলবোৰ হৈছে—ভেলাকোবা, বালাপাৰা, চাউগুৰী, বামুনী গাঁও, ৰাঙাপানী, দাউতপাৰা, কাপাসগোলা, ভাকুৰামাৰী আদি। এই অঞ্চলৰ মুছলমানসকলে কষ্টকৰ জীৱন নিৰ্বাহ কৰিছিল যদিও শিক্ষাৰ দিশত কিন্তু পিছপৰি থকা নাই। প্ৰাক্-বৈদিক যুগতেই আৰম্ভ হোৱা মুছলমানসকলৰ মোক্তব, মাদ্ৰাছা আদি শিক্ষা ব্যৱস্থা বৰ্তমানলৈকে অসমত তথা এই অঞ্চলত প্ৰচলিত হৈ আছে। কিন্তু বেছিসংখ্যক লোকৰ উচ্চ শিক্ষা নথকাত চৰকাৰী ক্ষেত্ৰত অগ্ৰাধিকাৰ নোপোৱাৰ ফলত মুছলমান সম্প্ৰদায়ৰ মাজত নিবনুৱা সমস্যা গা কৰি উঠা দেখা যায়। কিন্তু পূৰ্বৰ তুলনাত এওঁলোকে শিক্ষাৰ দিশত দ্ৰুতগতিত আগবাঢ়িছে।

**সাপটগ্ৰাম অঞ্চলৰ মুছলমান সম্প্ৰদায়ৰ উৎসৱ অনুষ্ঠানৰ শ্ৰেণী বিভাজন ঃ**

**• ধৰ্মীয় উৎসৱ অনুষ্ঠান ঃ**

জগতৰ প্ৰতিটো সম্প্ৰদায়ৰ নিজা নিজা ধৰ্মভিত্তিক ৰীতি-নীতি, আচাৰ-অনুষ্ঠান আদি পূৰ্বৰ পৰা প্ৰচলিত হৈ আহিছে। সেয়েহে আন আন সম্প্ৰদায়ৰ দৰে মুছলমান সম্প্ৰদায়ৰ লোকসমাজত ধৰ্ম সম্পৰ্কীয় লোকউৎসৱ সু-শৃংখলাবদ্ধভাৱে পালন কৰা হয়। সাপটগ্ৰাম অঞ্চলৰ মুছলমান সম্প্ৰদায়ৰ মাজতো তেনে উৎসৱ বিদ্যমান। সাপটগ্ৰাম অঞ্চলত প্ৰচলিত তেনে লোক উৎসৱসমূহ হ'ল—ঈদ-উল-ফিতৰ, ঈদ-উল আজাহা, মহৰম, ফাতেহা-ঈ-দজদাহম, ধৰ্ম সভা।

**• জীৱনবৃত্তৰ লগত জড়িত উৎসৱ ঃ**

প্ৰতিটো জাতি-জনজাতিৰ নিজা নিজা সংস্কৃতিত উৎসৱ-অনুষ্ঠান বেলেগ বেলেগ ধৰণৰ। সকলোৰে নিৰ্ধাৰিত কিছুমান নিয়ম থাকে যিবোৰে সাংস্কৃতিক ক্ষেত্ৰখন টনকীয়াল কৰাত অধিক গুৰুত্বপূৰ্ণ ভূমিকা বহন কৰে। সেয়েহে সাপটগ্ৰাম অঞ্চলৰ মুছলমান সম্প্ৰদায়ৰ মাজত প্ৰচলিত জীৱনবৃত্তৰ লগত জড়িত উৎসৱ-অনুষ্ঠানসমূহৰ শ্ৰেণী বিভাজন কৰি দেখুওৱা হ'ল—জন্ম সম্পৰ্কীয় লোক উৎসৱ, বিবাহ সম্পৰ্কীয় লোক উৎসৱ আৰু মৃত্যু সম্পৰ্কীয় লোক উৎসৱ।

**সাপটগ্ৰাম অঞ্চলৰ মুছলমান সম্প্ৰদায়ৰ ধৰ্মীয় উৎসৱ-অনুষ্ঠান ঃ**

**• ঈদ-উল-ফিতৰ ঃ**

'ৰমজান' মাহৰ ত্ৰিশ দিন ৰোজা ৰখাৰ পিছত ঈদ-উল-ফিতৰৰ নামাজ আদা কৰা হয়। ৰমজানৰ চন্দ্ৰ দেখা পোৱাৰ ৰাতিত চেহৰী খাই গোটেই দিনটো লঘোণে থাকি সন্ধিয়া মাগৰিবৰ আজানৰ সময়ত ইফতাৰ কৰা হয়। এনেদৰে চেহেৰী গ্ৰহণৰ পৰা আৰম্ভ

কৰি এমাহ পৰ্যন্ত লঘোণে থাকি ৰোজা ৰখা হয়। ৰমজান মাহত ৰোজা ৰাখি নিয়মিত পাঁচ ওৱাক্ত নামাজ আদায় বা পঢ়াৰ উপৰি অতিৰিক্ত ২০ ৰাকাত তাৰাবীৰ নামাজ আদা কৰা হয়। উক্ত মাহত বেছি বেছিকৈ আল্লাহৰ ইবাদত কৰা হয়, কিয়নো ৰমজান মাহৰ পূণ্যৰ সংখ্যা আন মাহতকৈ ৭০ গুণ বেছি। বেছিকৈ আল্লাহৰ ইবাদত কৰা হয় আৰু বেছিকৈ দান ক্ষয়ৰাত কৰা হয়। ৰমজান মাহত ২৯ আৰু কেতিয়াবা ৩০ টাকৈ ৰোজা ৰখাৰ পিছৰ দিনা ৰাতিপুৱা ঈদ-উল-ফিতৰৰ নামাজ আদা কৰা হয় বা পঢ়া হয়। পাঁচ বা ছখন গাঁৱৰ নাইবা ওচৰা-ওচৰি কেইখনমান গাঁৱৰ মানুহ একত্ৰিত হৈ ঈদগাহ ময়দানত যি দুই ৰাকাত নামাজ আদা কৰা হয় বা পঢ়া হয়, তাকে ঈদ-উল-ফিতৰেৰ নামাজ বুলি কোৱা হয়। ঈদৰ আগত নাইবা ঈদৰ নামাজ পঢ়াৰ আগত ফিতৰা দিয়াটো বাধ্যতামূলক।

**• ঈদ-উল-আজাহা ঃ**

আৰবী জিলহজ্জ মাহৰ ১০, ১১ বা ১২ তাৰিখৰ দিনা ঈদ-উল-আজাহাৰ দুই ৰাকাত ওয়াজিব নামাজ আদা কৰা হয়। প্ৰতি বছৰে জিলহজ্জ মাহত মুছলমানসকলে এই নামাজ আদা কৰা হয়। এই নামাজ পঢ়াৰ পিছত সামৰ্থবান ব্যক্তিসকলে কোৰবানী কৰে। ঈদ-উল-আজাহাৰ গুৰুত্বপূৰ্ণ দিশ হ'ল—হজ্জ যাত্ৰা কৰা, জাকাত প্ৰদান কৰা আৰু কোৰবানী কৰা।

**• কোৰবানী ঃ**

১০ ই জিলহজ্জ ফজৰৰ পৰা ১২ ই জিলহজ্জ সন্ধিয়ালৈকে কোৰৱানী কৰা হয়। বকৰা ঈদৰ নামাজৰ পিছত কোৰৱানী কৰা হয়। কোৰৱানীৰ পশু মানুহৰ সামৰ্থ অনুযায়ী উঁট, দুম্বা, গৰু, ম'হ, ছাগলী আদি দিয়ে। কিন্তু এটা বিষয় উল্লেখযোগ্য যে কোৰবানীৰ পশু নিখুঁত হ'ব লাগিব। সৎ উপাৰ্জনৰ ধনেৰে কোৰৱানীৰ পশু কিনিব লাগিব আৰু পোহনীয়া হ'লে অতি মৰমৰ জন্তুৰ কোৰবানী কৰিব লাগিব। কোৰবানীৰ প্ৰকৃত অৰ্থ হ'ল ত্যাগ কৰা। অৰ্থাৎ নিজৰ অন্তৰত থকা লোভ, মোহ, ক্ৰোধ, হিংসা, কামনা-বাসনা, বিদ্বেষ আদি বেয়া গুণবোৰ আল্লাহৰ ওচৰত বিসৰ্জন দি আত্মশুদ্ধিৰে নতুন জীৱনৰ পাতনি মেলা। জাতি, ধৰ্ম, বৰ্ণ নিৰ্বিশেষে সকলো বন্ধু-বান্ধৱী তথা শুভাকাংক্ষী হৈ ঈদৰ অতিথি আমন্ত্ৰণ গ্ৰহণ কৰাটো ভ্ৰাতৃত্ববোধৰ এক বাস্তৱ উদাহৰণ। কোৰবানী কৰা জন্তুৰ মাংস তিনি ভাগত ভাগ কৰি এভাগ ৰাইজৰ মাজত বিলাই দিয়া পৰম্পৰাটো অতীজৰে পৰা চলি আহিছে। বাকী দুভাগৰ এভাগ কোৰবানী কৰা মানুহজনৰ আত্মীয়-স্বজনক ভগাই দিয়া হয় আৰু বাকী থকা ভাগটো কোৰবানী কৰা মানুহজনৰ ঘৰত ৰাখে। এনেকৈয়ে সাপটগ্ৰাম অঞ্চলৰ মুছলমান সম্প্ৰদায়ৰ মানুহৰ মাজত কোৰবানীৰ প্ৰথা চলি আহিছে।

**• মহৰম ঃ**

আৰবী বছৰৰ প্ৰথম মাহ হ'ল মহৰম। মুছলমান লোকৰ বাবে মহৰম এটি উৎকৃষ্ট আৰু পূণ্যৰ মাহ। কাজিয়া, বিবাদ, যুদ্ধ-বিগ্ৰহ দূৰ কৰা এই মাহৰ এটি উল্লেখযোগ্য বৈশিষ্ট্য। এই মাহৰ গুৰুত্বপূৰ্ণ আৰু সন্মানীয় দিনটো হ'ল ১০ তাৰিখ। এই তাৰিখত মুছলমানসকলে মহৰমৰ উৎসৱ পালন কৰে।

এই মাহত মহান আল্লাহ তয়োলাই পৃথিৱী আৰু পৃথিৱীৰ প্ৰথম মানৱ আদম (আঃ) ক সৃষ্টি কৰিছিল। এই মাহত প্ৰথম পৃথিৱীত বৰষুণ হয়। মহৰম মাহত ইমান হাচান হুচেইনৰ কাৰবালাত শ্বহীদ হোৱা ঘটনাটো মন কৰিবলগীয়া। এই সকলোবোৰ বিষয়ক সামৰি লৈ আন মুছলমান সমাজত আমোদপ্ৰিয়তাৰে পালন কৰাৰ দৰে সাপটগ্ৰাম অঞ্চলৰ মুছলমান সমাজত ধুম-ধামেৰে মহৰমৰ উৎসৱ পালন কৰে।

**• ফাতিহা-ঈ-দজদাহম ঃ**

৫৭০ হিজৰী ১২ ই ৰবিউল আওয়াল মাহৰ ৰচ

তাৰিখ সোমবাৰৰ দিনা আকুল্লাৰ ঔৰসত মা আমিনাৰ গৰ্ভত পবিত্ৰ মক্কা নগৰত বিশ্বনবী অৰ্থাৎ ইছলাম ধৰ্মৰ ধাৰক হজৰত মহম্মদ মোস্তাফা (ছঃ)ৰ পৃথিৱীলৈ আগমন ঘটে। তেখেতৰ আগমনৰ পিছতেই আৰৱ ভূমিত শান্তিৰ ৰেখাপাত হ'বলৈ ধৰে। ১৪ বছৰ বয়সত সত্যৰ সন্ধানত গৰোহীড়া পৰ্বতত কঠোৰ ব্ৰত অৱলম্বন কৰে। ৪০ বছৰ বয়সত তেখেতে নবুয়ত প্ৰাপ্তি হয় বা সত্যৰ সন্ধান পায়। পিছত তেখেতে ইছলাম ধৰ্ম প্ৰৱৰ্তন কৰিবলৈ লয়। তেখেতে প্ৰৱৰ্তন কৰা ধৰ্মৰ মূলমন্ত্ৰ ঈয়া আইয়ুহান্নাছ কুবুলাইলাহা ইল্লালাহ তুকলিহন।' ইয়াৰ অৰ্থ হ'ল— হে বিশ্বৰ মানৱ জাতি তোমালোকে স্বীকাৰ কৰা যে আল্লাহৰ বাহিৰে কোনো পালনকৰ্তা নাই, মহম্মদ মোস্তাফা (ছঃ) আল্লহৰ পঠিওৱা দূত বা ৰাছুল। উক্ত বাণীৰ দ্বাৰাই বিশ্বৰ মানৱ সমাজক একতাৰ জৰিৰে বান্ধি এক আৰু নেক কৰি থৈ গৈছে।

সদৌ শেষত ৬৩ বছৰ বয়সত পবিত্ৰ মদীনা শ্বৰীফত ঠিক জন্ম হোৱাৰ দিনতেই তেখেতে ইহলীলা সম্বৰণ কৰে। গতিকে ফাতিহা-ঈ-দজদাহম হৈছে এফালে সৰ্বশ্ৰেষ্ঠ নবী পৃথিৱীলৈ আগমন হোৱাৰ আনন্দময় দিন যদিও আনফালে তেখেতে পৃথিৱী এৰি যোৱাৰ দুখ-বেদনাময় শোকাকুল পৰিৱেশ। বিশ্বনবী হজৰত মহম্মদ (ছঃ) জন্ম আৰু মৃত্যু উপলক্ষে পালন কৰা উৎসৱক ফাতিহা-ঈ-দহদাহম বুলি কোৱা হয়। এই উৎসৱত পবিত্ৰ কোৰান শ্বৰীফ ৩০ পাৰা পঢ়ি শেষ কৰা হয়। সৰ্বশেষত আল্লাহৰ ওচৰত প্ৰাৰ্থনা জনাই মিঠা, খিচিৰী আদি বিতৰণ কৰা হয়।

**• ধৰ্মসভা ঃ**

মুছলমান সমাজত ধৰ্মসভাক অতি উচ্চ স্থানত ৰখা হয়। এই ধৰ্মসভাত মহান আল্লাহৰ বাণীসমূহ ওলাম বা তালিমৰ দ্বাৰাই জনসমাজত প্ৰচাৰ কৰা হয়। এই প্ৰচাৰ কাৰ্যক দুটা ভাগত ভাগ কৰিব পাৰি। এটা হৈছে আল্লাহৰ কথা বা বাণী আনটো নবীজীৰ কথাসমূহ হাদীছুৰ মাধ্যমত প্ৰচাৰ। ইয়াৰ জৰিয়তে গোটেই বিশ্বৰ মুছলমান সম্প্ৰদায়ৰ ধৰ্মীয়, সামাজিক, নৈতিক, সাংস্কৃতিক, অৰ্থনৈতিক আৰু বাহ্যিক জীৱনত পালন কৰিবলগীয়া দিশসমূহ বিশদভাৱে আলোচনা কৰা হয়।'

ইয়াত এটা কথা উল্লেখনীয় যে মুছলমান সমাজত প্ৰচলিত ধৰ্মীয় অনুষ্ঠানসমূহ কোনো চৰকাৰী বিষয় বা চৰকাৰৰ অনুমোদনৰ দ্বাৰা পৰিচালিত নহয়, ই ৰাইজৰ দান-বৰঙণিৰ যোগেদি পৰিচালিত হয়। গতিকে এই ধৰ্মসভাৰ যোগেদি সমূহ ৰাইজ একত্ৰিত হয় আৰু তেওঁলোকৰ দান-বৰঙণিৰে মাদ্ৰাছা, মুক্তাব, মছজিদ, হুজৰী, ঈদগাহ আদি নিৰ্মাণ কৰা হয়। উক্ত অনুষ্ঠানসমূহ পৰিচালনা কৰা শিক্ষক-শিক্ষয়িত্ৰীসমূহক দৰমহাও প্ৰদান কৰা হয়। সেয়েহে মুছলমান সমাজত ধৰ্মসভাৰ গুৰুত্ব অপৰিসীম।

**সাপটগ্ৰাম অঞ্চলৰ মুছলমান সম্প্ৰদায়ৰ জীৱন বৃত্তৰ লগত জড়িত উৎসৱ অনুষ্ঠান ঃ**

**• জন্মৰ লগত জড়িত উৎসৱ অনুষ্ঠান ঃ**

মুছলমান সমাজত সন্তান জন্ম গ্ৰহণ কৰাৰ লগত সংগতি ৰাখি তেনে বিশেষ কোনো উৎসৱ পালন কৰা নহয়। কেৱল মাতৃগৰাকীৰ যত্ন লোৱা হয় যাতে তেওঁৰ গৰ্ভত থকা সন্তানৰ কোনো ক্ষতি সাধন নহয় আৰু মাতৃগৰাকীক পুষ্টিকৰ খাদ্য খুৱাবলৈ যত্ন কৰা যাতে তেওঁৰ গৰ্ভত থকা সন্তানটি সু-স্বাস্থ্যৰ অধিকাৰী হয়। কিন্তু বৰ্তমান সময়ত গৰ্ভৱতী মহিলাসকলে ডাক্তৰৰ পৰামৰ্শ লৈ তেওঁৰ গৰ্ভত থকা সন্তানটিৰ যত্ন লয়। গৰ্ভৱতী মহিলাসকলক কোনো গধুৰ বস্তু দাঙিবলৈ দিয়া নহয় বা কোনো কঠিন কাম কৰিবলৈ দিয়া নহয়। ইছলাম ধৰ্মাৱলম্বী লোকৰ মাজত প্ৰচলিত জন্ম সম্পৰ্কীয় কিছুমান উৎসসৰ অনুষ্ঠান হিচাপে জন্মৰ পাছত পালন কৰা উৎসৱ

অনুষ্ঠানৰ বিষয়ে তলত আলোচনা কৰা হ'ল—

**• জন্মৰ পিছত পালন কৰা উৎসৱ অনুষ্ঠান ঃ**

মুছলমান সমাজত সন্তান এটি জন্ম গ্ৰহণ কৰিলে তাৰ প্ৰথম কৰিবলগীয়া কামটো হ'ল—সন্তানটিৰ নাৰী কাটি সূতাৰে বান্ধি গা ধুৱাই পৰিষ্কাৰ আজান দিয়া কাৰ্য। এটা কথা উল্লেখনীয় যে অজু গোছল কৰি পবিত্ৰ হৈ পুৰুষ এজনে আজান দিয়ে। কিন্তু উক্ত স্থানত কোনো পুৰুষ উপস্থিত নাথাকিলে মহিলা এগৰাকীয়েও আজান দিয়াটো সম্পন্ন কৰিব পাৰে। আজান দিয়াৰ উদ্দেশ্য এয়ে যে সন্তানটি ভূমিষ্ঠ হোৱাৰ পিছত পৃথিৱীলৈ আহি প্ৰথম ধ্বনিটোৱেই যাতে সেই সৃষ্টিকৰ্তা মহান আল্লাহৰ নাম গুণ শুনিবলৈ পায়, যাতে অৱগত হয় যে তেওঁ এজন মুছলমান মানুহৰ ঘৰত জন্ম গ্ৰহণ কৰিছে।

ইয়াৰ পিছত মাতৃগৰাকী আৰু সন্তানটিক ৪০ দিনৰ বাবে এটি ঘৰত ৰাখি মাতৃগৰাকীক নিয়মিত পুষ্টিকৰ খাদ্য প্ৰদান কৰা হয়। দুয়োৰে ওপৰত যাতে কোনো অপদেৱতাৰ কু-দৃষ্টি নপৰে তাৰ বাবে বেজ বেজালিৰ পৰা তাবিজ-কবচ লোৱা প্ৰথা মুছলমান সমাজত দেখিবলৈ পোৱা যায়। যদিও বৰ্তমান সময়ত ইয়াৰ প্ৰভাৱ নাই বুলিয়েই ক'ব পাৰি। নাভি কটাৰ ফলত কেচুৰাটিৰ পেটত বিষ হোৱাটো স্বাভাৱিক যাৰ ফলত কেচুৰাটোৱে কান্দি উঠে আৰু মানুহে অপদেৱতাৰ কু-দৃষ্টি বুলি ভাবি বেজ-বেজালিৰ ওচৰ চপা দেখা যায়। ইয়াৰ পৰৱৰ্তী স্তৰটো হ'ল কেচুৰাটোৰ নামকৰণ।

নাম এনে এক শব্দ, যাৰ জৰিয়তে বহুতৰ মাজত এজনকহে বুজায়। এক কথাত 'নাম' এনে এটি শব্দ যাৰ দ্বাৰা ব্যক্তি, প্ৰাণী, বস্তু বা স্থানৰ সুনিৰ্দিষ্ট পৰিচয় পোৱা যায়। সন্তান এটি জন্মৰ ৭, ১৪ অথবা ২১ নাইবা আন যিকোনো সময়ত কেচুৰাটিৰ সুন্দৰ আৰু অৰ্থপূৰ্ণ নাম ৰখা হয় নাইবা ভাল ভাল কিতাপ চাই কেচুৰাটিৰ নামকৰণ কৰা হয়।

মুছলমান সমাজত পূৰ্বৰে পৰা চলি অহা এটি পৰম্পৰা হ'ল—খাৎনা বা ছুন্নত। পিতৃ-মাতৃৰ ওপৰত সন্তান এটিৰ দায়িত্ব হ'ল তেওঁৰ ল'ৰা সন্তানটি যৌৱনপ্ৰাপ্ত হোৱাৰ আগতে খাৎনা কৰাই দিয়া। ই ইছলামৰ পৰিচয় চিহ্ন। লিংগৰ ছালৰ কিছু কাটি পেলোৱাকে ছুন্নত বা খাৎনা বুলি কোৱা হয়। খাৎনাৰ লগত জড়িত আন এটি উৎসৱ হ'ল আক্বিকা। এই উৎসৱ বা অনুষ্ঠানটি বাধ্যতামূলক নহয়। যিসকল লোক আৰ্থিকভাৱে স্বাৱলম্বী তেওঁলোকে এই অনুষ্ঠানটি কৰা দেখা যায়।

**• বিবাহৰ লগত জড়িত উৎসৱ-অনুষ্ঠান ঃ**

'বিবাহ' এক সামাজিক অনুষ্ঠান। বিশ্বৰ সকলো ধৰ্মাৱলম্বী লোকৰে বিবাহ এক সু-সাংগঠনিক কাৰ্য। বংশ বিস্তাৰ নতুবা বৃদ্ধ বয়সত ইজনে-সিজনৰ সুখ-দুখৰ সমভাগী হোৱাৰ বহল অৰ্থতেই নাৰী পুৰুষৰ মাজত বিবাহ অনুষ্ঠিত হোৱা দেখা যায়। সাধাৰণতে মুছলমান সমাজ ব্যৱস্থাত এহাল নাৰী-পুৰুষক একেটা সূত্ৰতে বান্ধি ইজনে সিজনক সুখ-দুখৰ সমভাগী আৰু এজনে আনজনক স্বামী-স্ত্ৰী বুলি স্বীকৃতি দিয়া বা গ্ৰহণ কৰা সামাজিক প্ৰথাটোক বিবাহ অনুষ্ঠান বোলে। বিবাহৰ লগত জড়িত উৎসৱ অনুষ্ঠানসমূহ হ'ল—দৰা-কইনা নিৰ্বাচন অনুষ্ঠান, গাত হালধি উৎসৱ অনুষ্ঠান, কাবিন নামা লিখা অনুষ্ঠান, বিয়া বঢ়োৱা অনুষ্ঠান আৰু কন্যা দান অনুষ্ঠান।

**• বিবাহৰ পূৰ্বে পালন কৰা উৎসৱ-অনুষ্ঠান ঃ**

বিবাহৰ পূৰ্বে পালন কৰা প্ৰথম অনুষ্ঠানটি হ'ল দৰা-কইনা নিৰ্বাচন কৰা। এই কাৰ্যটো সম্পাদন কৰাত অগ্ৰণী ভূমিকা গ্ৰহণ কৰা ব্যক্তিগৰাকী হ'ল—'ঘটক'। ঘটকে দুয়ো পক্ষৰ মাজত বাৰ্তা প্ৰেৰক হিচাপে কাম কৰে। এইটো অতি পূণ্যৰ কাম বুলি মুছলমানসকলে বিশ্বাস কৰে। এক পক্ষই চোৱাচিতা কৰাৰ পিছত আন পক্ষক আমন্ত্ৰণ জনায়। পচন্দ



হোৱা মাত্রেই এটা গুৰুত্বপূর্ণ পর্ব আহে দৰাই কইনাক দিবলগীয়া মোহৰনা বা দেনমোহৰ। ইয়াৰ অবিহনে ইছলামিক বিবাহ কার্য সম্পন্ন নহয়। লগতে ভাল দিন বাৰ চাই বিবাহৰ দিন ধার্য কৰা হয়। অৱশ্যে এই আলোচনাসমূহ দৰা আৰু কইনা উভয়ৰে ঘৰত কৰিব পাৰে।

ইছলামৰ দৃষ্টিত বিবাহৰ অতি গুৰুত্বপূর্ণ চর্তটো হ'ল দৰা-কইনা উভয়ৰে সন্মতি। জীৱন সংগী নির্বাচনৰ ক্ষেত্রত উভয়ৰে সমান অধিকাৰ দিয়া হৈছে। অর্থাৎ বিবাহৰ পূর্বে দুয়োদুয়োকে চাই লোৱাৰ অধিকাৰো দিয়া হৈছে। বিবাহ অনুষ্ঠিত হোৱাৰ আগত কইনাৰ সন্মতি লোৱাটো বাধ্যতামূলক। বিয়াৰ এসপ্তাহ আগত আত্মীয়-কুটুম্বক দাওয়াত কৰা হয়। লগতে মহিলাসকলৰ দ্বাৰা ঘৰ-দুৱাৰ পৰিষ্কাৰ পৰিচ্ছন্ন কৰি লোৱা হয়। দৰা আৰু কইনা উভয়কে আঢ়ৈ দিনৰ বাবে নানা নানী, মামা-মামী, মাহী, পেহী যিকোনো এজনৰ ঘৰত লৈ যায় আৰু আঢ়ৈ দিনৰ মূৰত কাপোৰ কানি আদিৰে নিজ ঘৰত থ'বলৈ আহে। ইয়াক আঢ়ৈ দিনীয়া নাইয়ৰ বুলি কোৱা হয়।

ইয়াৰ পিছত আয়তীসকলে দৰাক অজুগোছল কৰা বৰ স্ত্রীৰীত বহুৱাই মাহ হালধী দৰাৰ মুখৰ পৰা আৰম্ভ কৰি ভৰিৰ তললৈকে ঘঁহি দিয়ে আৰু সেই হালধী কইনাৰ ঘৰলৈ পঠিয়ায়। দৰাৰ ভৰিৰ তলৰ হালধী কইনাৰ মুখমণ্ডলত ঘঁহি দিয়া হয়। বিয়াৰ আগদিনা কইনাৰ ঘৰলৈ গাঁৱৰ মানুহক নিমন্ত্রণ কৰি তামোল পান খুওৱা হয়। ইয়াক জাননী বুলি কোৱা হয়।

**• বিয়াৰ দিনা পালন কৰা উৎসৱ-অনুষ্ঠান ঃ**

বিয়াৰ নির্দিষ্ট দিনাখন বৰযাত্রী অহাৰ খবৰ পাই কইনাঘৰত হুলস্থুলীয়া পৰিবেশৰ সৃষ্টি হয়। বৰযাত্রী আহি পালে লগে লগে কইনাৰ ঘৰত এজনে গৈ বৰযাত্রীসকলক আগুৱাই আনি বিয়াথলীৰ গেটত বহিবলৈ দিয়ে। মহিলাসকলে বিয়াথলীত গৈ দৰা আৰু কোলধৰাসকলক মিঠাই খুৱাই। লগতে বিভিন্ন সাঁথৰৰ মাজেদি আমোদ স্ফূর্তি কৰা হয়।

ইয়াৰ পিছৰ স্তৰটো হ'ল বিয়া পঢ়োৱা কার্য। বিয়াথলীৰ গেটৰ পৰা বৰযাত্রী লৈ গৈ বিয়াৰ মণ্ডপথলীত বহিবলৈ দিয়া হয়। দৰা আৰু কইনা উভয়ৰে ফালৰ পৰা এজনক উকিল হিচাপে লোৱা হয়। কইনাৰ ফালৰ পৰা চৰকাৰী কাজী এজন মাতি অনা হয় আৰু কাজীৰ নির্দেশত কইনাৰ ওচৰলৈ বিয়াৰ প্রস্তাৱ আগবঢ়ায় এনেদৰে—অমুক (ঠাইৰ নাম),........ অমুক (ল'ৰাৰ দেউতাকৰ নাম)ৰ পুত্র (দৰাৰ নাম)...............ইমান টকা মোহৰনা কৰিয়া.............ইমান টকা আদায় দিয়া...........টকা বাকী ৰাখিবা অমুকৰ (উকিলৰ নাম) ওকালতিত আপোনাকে স্ত্রী হিচাপে গ্রহণ কৰিবলৈ প্রস্তাৱ

আগবঢ়াইছে, আপুনি উক্ত প্ৰস্তাৱৰ ৰাজী আছেনে নাইবা আপুনি তেওঁক স্বামী হিচাপে কবুল কৰক। এনেদৰে তিনিবাৰ কোৱা হয় উকিল আৰু উভয়ৰে ফালৰ পৰা এজনক সাক্ষীক লোৱা হয় শুনিবলৈ। তেতিয়া কইনাজনীয়ে আলহামদুলিল্লাহ কবুল হে বা ৰাজী আছে বুলি সন্মতি দিয়ে। এনেদৰে দৰাজনকো তিনিবাৰ কোৱা হয়। দৰাজনে সন্মতি দিয়াৰ পিছত কাজীয়ে দৰাজনক স্ত্ৰীৰ প্ৰয়োজন পূৰণ, হালাল ৰোজগাৰ বা উপাৰ্জন, নামাজ আদা কৰা আৰু স্ত্ৰীক কষ্ট নিদিয়া এনেধৰণৰ কিছুমান প্ৰতিশ্ৰুতিবদ্ধ কৰায়। শেষত বিয়াৰ মন্ত্ৰ পাঠ কৰি আল্লাহৰ ওচৰত বিবাহিত দাম্পত্য জীৱনৰ প্ৰাৰ্থনা জনোৱা হয়। শেষত দৰাৰ পক্ষৰ পৰাই সকলোকে মিঠাই আপ্যায়ন কৰে।

ইয়াৰ পিছৰ স্তৰটো হ'ল খোৱা লোৱা অনুষ্ঠান। যিটো সকলো সম্প্ৰদায়ৰ বিয়াত সবাতোকৈ উল্লেখযোগ্য দিশ। বিভিন্ন খাদ্য সামগ্ৰীৰে বনোৱা সু-স্বাদু খাদ্য যেনে—বিৰিয়ানী, পায়েল বা খিৰ, পিঠা, মিঠাই, দৈ আদি পৰিৱেশন কৰা হয়। আনহাতে সামৰ্থ অনুসৰি একাধিক জন্তু কুৰবান কৰা হয়। কিয়নো মাংস মুছলমান সমাজৰ প্ৰিয় খাদ্য।

এনেদৰে সাপটগ্ৰাম অঞ্চলৰ মুছলমান সম্প্ৰদায়ৰ মাজত বিবাহ অনুষ্ঠানটি সম্পন্ন কৰা হয়।

**• মৃত্যুৰ লগত জড়িত উৎসৱ-অনুষ্ঠান ঃ**

মুছলমান সমাজত ব্যক্তি এজন মৃত্যুবৰণ কৰিলে সৰ্বপ্ৰথম মৃতকৰ চকু খোলা থাকিলে বন্ধ কৰি দিয়ে আৰু মৃত মানুহজনক ক্বীৱলা অৰ্থাৎ পশ্চিম পিনে মুখ কৰি শুৱাই দিয়া হয়। পিছত গাঁৱৰ পবিত্ৰ কোৰান পঢ়িব জনা ব্যক্তিসকলে স্ব-ইচ্ছাৰে গৈ মৃতকৰ ওচৰত বহি কোৰান পাঠ কৰে। আনফালে মৃতকৰ পৰিয়ালৰ মানুহে গাঁৱৰ মুৰব্বী সমাজৰ লগত বহি মৃতকৰ দাফোন কৰা সময় নিৰ্ধাৰণ কৰি সকলোকে জনাই দিয়ে। সেই সময় অনুসৰি গাঁৱৰ অথবা আত্মীয়সকলৰ মাজৰ পৰা পাঁচৰ পৰা সাতজন ব্যক্তিয়ে কবৰ খান্দা, বাঁহ কটা, কলগছ কটা আৰু দাফোনৰ কাপোৰ কটা কামত ইচ্ছাকৃতভাৱে যোগদান কৰে।

মুছলমান সমাজ মানুহ এজন মৰিলে প্ৰথমে মৃত মানুহজনক গোছল দিয়া, কাফোনৰ কাপোৰ পিন্ধোৱা জানাজা নামাজ পঢ়া অৰ্থাৎ মৃতকৰ প্ৰতি আল্লাহৰ ওচৰত প্ৰাৰ্থনা কৰা আৰু দাফোন কৰা এইকেইটা কৰ্তব্যৰ ভিতৰত পৰে। মহান আল্লাহ আয়ালায় প্ৰত্যেক মুছলমানক মৃতকৰ প্ৰতি উক্ত চাৰিটা কৰ্তব্য পালন কৰিবলৈ কোৰান হাদিছত কঢ়া নিৰ্দেশ দিছে। গোছলৰ ক্ষেত্ৰত পুৰুষ আৰু মহিলাৰ ক্ষেত্ৰত বেলেগ বেলেগ। সকলো মৃতকক গোছল কৰাবলৈ পৰ্দাৰ ব্যৱস্থা কৰা হয়। গোছলৰ বাহিৰে কোনো মহিলাই মৃতকৰ জানাজা কৰা বা দাফোন কৰাৰ সময়ত উপস্থিত থাকিব নোৱাৰে। মৃতকৰ দাফোন কাৰ্য শেষ হোৱা মাত্ৰই দফোন কৰিবলৈ যোৱা সকলো মানুহে মৃতকৰ আত্মাৰ শান্তি কামনাৰে জিয়াৰত (প্ৰাৰ্থনা) তথা আল্লাহৰ ওচৰত দোৱা দৰুদ কৰে। পৰকাললৈ গমন কৰা ব্যক্তিৰ পৰিয়াল বৰ্গই তিনিদিনলৈকে শোক তাপ পালন কৰে। তিনিদিনলৈকে বৰ্গই নিজ ঘৰত কোনো প্ৰকাৰৰ জুই নজ্বলায়। আত্মীয় কুটুম্বসকলে এওঁলোকৰ খোৱা লোৱাৰ দায়িত্ব গ্ৰহণ কৰে। তিনিদিনৰ মূৰত ফকিৰ মিচকিন কেইজন মাতি লগতে আত্মীয় কুটুম্বক মাতি মৃতকৰ আত্মাৰ সদ্গতি কামনাৰে মিলাদ মেহফিল বা দোৱা প্ৰাৰ্থনা কৰি খোৱা লোৱাৰ আয়োজন কৰে, যাক কলিমা খতম বুলি কোৱা হয়। ইয়াৰ পিছত চল্লিশ দিনৰ মূৰত সামৰ্থবান ব্যক্তিসকলে মিলাদ মেহফিল কৰি ডাঙৰ ভোজভাতৰ আয়োজন কৰে, যাক তামদাৰী বুলি কোৱা হয়।

এনেদৰে সাপটগ্ৰাম অঞ্চলৰ মুছলমান সম্প্ৰদায়ৰ মাজত মৃতকৰ ক্ৰিয়া কৰ্ম কৰা দেখা যায়।●

**গ্ৰন্থৰ নাম ঃ** মোৰো এটা সপোন আছে। **লেখক ঃ** ড° ৰুবুল মাউত। **প্ৰকাশক ঃ** পূৰ্বায়ন প্ৰকাশন। **গ্ৰন্থখনৰ মূল্য ঃ** ১৮০ টকা। ২০১৭ চনৰ অক্টোবৰ মাহত প্ৰথমবাৰৰ বাবে প্ৰকাশ হৈছিল। ২০২০ চনৰ অক্টোবৰলৈকে মুঠতে ১৫ টা সংস্কৰণ এই কিতাপখনৰ দ্বাৰা প্ৰকাশিত হৈছে।

**লেখকৰ পৰিচয় ঃ** অসমৰ অৰুণাচল সীমান্তৱৰ্তী তিনিচুকীয়া জিলাৰ কাকপথাৰৰ ওচৰৰ কৈলাশপুৰত এটি কৃষকৰ পৰিয়ালত ৰুবুল মাউতৰ জন্ম হৈছিল। দৰিদ্ৰ পৰিয়ালত জন্ম গ্ৰহণ কৰি তেওঁ শিক্ষা গ্ৰহণৰ ক্ষেত্ৰত যথেষ্ট সংগ্ৰাম কৰিবলগীয়া হৈছিল। সংগ্ৰাম কৰিয়েই তেওঁ আমেৰিকাৰ মাছাছুচেট বিশ্ববিদ্যালয়ৰ পৰা পি.এইচ.ডি. ডিগ্ৰী লাভ কৰে। পৰৱৰ্তী সময়ত ৱাশ্বিংটন বিশ্ববিদ্যালয়ত Washington Research Foundation Innovation Fellow হিচাপে যোগদান কৰে। বৰ্তমান তেওঁ হাৰ্ভাৰ্ড বিশ্ববিদ্যালয়ৰ এগৰাকী গৱেষক।




# সপোনৰ ডেউকা মেলি 'মোৰো এটা সপোন আছে'

**আমিৰ হামজা শ্বেইখ**
স্নাতক চতুৰ্থ ষাণ্মাসিক, ৰাজনীতি বিজ্ঞান বিভাগ

'মোৰো এটা সপোন আছে' গ্ৰন্থখনৰ জৰিয়তে লেখক ৰুবুল মাউতে জীৱন যুদ্ধৰ বাধাসমূহ অতিক্ৰম কৰি কেনেদৰে নিজ লক্ষ্যত উপনীত হৈছিল তাকেই বৰ সাৱলীলভাৱে বৰ্ণনা কৰিছে।

লেখকে দৰিদ্ৰতাৰ সীমা নেওচি আমেৰিকাৰ মাছাছুচেট বিশ্ববিদ্যালয়লৈ যোৱাৰ কাহিনী এই গ্ৰন্থত বৰ্ণনা কৰা হৈছে। 'জীৱন এবাৰেই আহে। জীৱনত যিসকল ব্যক্তিয়ে সপোন দেখিবলৈ নিশিকে তেওঁলোকে সপোনহীনভাৱেই এই জীৱন ত্যাগ কৰিবলৈ বাধ্য।' ৰুবুল মাউতে সপোন দেখিবলৈ শিকিছে, অকল সপোন দেখা নহয়, সপোন বাস্তবায়িত কৰি তুলিছে। আধুনিক সা-সুবিধাৰ পৰা বঞ্চিত অসম-অৰুণাচলৰ সীমান্তৱৰ্তী কৈলাশপুৰৰ তৰোনা গাঁৱৰ দৰিদ্ৰ পৰিয়ালত এটা সন্তান ৰুবুলৰ বাবে সপোন দেখাটো এক প্ৰকাৰ বিলাসৰ নিচিনা আছিল। আচলতে দৈনন্দিন জীৱনটোৱে আছিল

এক প্ৰকাৰ যুদ্ধক্ষেত্ৰ সদৃশ। তথাপিও দুচকুত হেজাৰ সপোন আঁকি জীৱন যুদ্ধত পল-অনুপল যুদ্ধ কৰি সকলো প্ৰতিবন্ধকতা নাশ কৰিব বিচাৰিছিল। এইক্ষেত্ৰত পিতৃ-মাতৃৰ সহযোগিতা আছিল বিশেষ মন কৰিবলগীয়া। অভাৱে গৰকা পৰিয়ালটোত পিতৃ-মাতৃয়ে অভাৱক শিক্ষা-দীক্ষাৰ হেঙাৰ হ'বলৈ দিয়া নাছিল। ঋবুলৰ ভাষাত সেই যে কিশোৰ বয়সতে কান্ধত নাঙল লৈ পথাৰলৈ ওলাই গৈছিল। দায়িত্ব অৰ্থাৎ যি ল'ৰা-ছোৱালীয়ে হাজাৰ প্ৰতিকূলতাকো নেওচি দায়িত্ব সহকাৰে নিজৰ কৰ্তব্য পালন কৰি গৈছে তেওঁলোকেই মানুহৰ আচল সম্পদ। পঢ়া-শুনাৰ সৈতে জীৱন সমানে চলাই নিয়া ঋবুলে মেট্ৰিক পৰীক্ষাত প্ৰথম বিভাগত উত্তীৰ্ণ হৈছিল। যিটো কৈলাশপুৰ গাঁওবাসীৰ বাবে অলিম্পিকত ভাৰতে সোণৰ পদক পোৱাৰ দৰে দুৰূহ কাৰ্য আছিল। পৰিস্থিতিয়ে বাধ্য কৰাত কান্ধত তুলি ল'ব লগা হৈছিল  ঘৰ চলোৱাৰ আংশিক দায়িত্ব। এই যাত্ৰাত সহযোগী আছিল দেউতাক আৰু ককায়েক। এই যাত্ৰা আৰম্ভ হৈছিল ঋবুল মাউতে চতুৰ্থ, পঞ্চম শ্ৰেণীত পঢ়ি থাকোঁতে। ঘৰুৱা জীৱনৰ কাম, হালবোৱা, খেতি কৰা, বজাৰ কৰা তথা ঘৰ চলোৱাৰ মাজতো অলপ সময় উলিয়াই পঢ়াত মনোনিবেশ কৰিছিল। আনফালে আকৌ দশম শ্ৰেণীৰ বছৰটোত বিজ্ঞানৰ শিক্ষক নাছিল, যাৰ বাবে দশম শ্ৰেণীৰ বছৰটোত ঘৰতেই পঢ়িবলগা হৈছিল। সেই দুখীয়া পৰিয়ালটোৰ বাবে ঋবুলে মেট্ৰিক পাছ কৰাটো অতিকে প্ৰয়োজনীয় আছিল। কাৰণ মেট্ৰিক পাছ কৰিব নোৱাৰিলে আজীৱন খেতি কৰি সীমাহীন যন্ত্ৰণা ভূগিব লাগিব। তাৰ পিছত মেট্ৰিকৰ ৰিজাল্ট ওলাল, গোটেই বংশৰ প্ৰথম প্ৰথম বিভাগত পাছ কৰা আছিল লেখক। খবৰ পাই  চোতাল ভৰি পৰিল মানুহেৰে। মাকে চকুলো বোৱাই ক'লে বোপাই তই কে'লৈনো প্ৰথম বিভাগ পালি? দ্বিতীয় বা তৃতীয়েই ভাল আছিল। এতিয়া তোৰ সমৰ্থৰে আমি তোক কেনেকৈ পঢ়াম? লেখকৰ দেউতাই ৰিজাল্টৰ পিছদিনা গৈ দুবিঘা মাটি বন্ধকত থৈ পাঁচ হেজাৰ টকা লৈ আহি তিনিচুকীয়াত বিজ্ঞান পঢ়িবলৈ দিয়ে। তাৰ পিছত টিউচনৰ প্ৰয়োজন হয়, যেতিয়া টিউচন ফীজ দিব লাগিছিল মা-দেউতাকে কৈছিল যে ঘৰত থকা গৰু-ছাগলী বেছিলোঁ আৰু একো নাই। তই টিউচন কৰি থাক তেন্তে আমি নাখাই পেটত গামোছা বান্ধিব লাগিব। তেনেদৰে বিভিন্ন বাধাৰ মাজেৰে উচ্চতৰ মাধ্যমিক পাছ কৰি তিনিচুকীয়া কলেজতেই বি. এছ. চি. পঢ়িবলৈ কেমিষ্ট্ৰীত মেজৰ লৈ ভৰ্তি হয়। পিছত তেওঁ আৰু তেওঁৰ ককায়েক এদিন মানুহৰ ঘৰৰ বাল্ব চুৰি কৰি আছিল, কাৰণ তেওঁৰ ৰূমৰ বাল্বটো




দায়িত্ব অৰ্থাৎ যি ল'ৰা-ছোৱালীয়ে হাজাৰ প্ৰতিকূলতাকো নেওচি দায়িত্ব সহকাৰে নিজৰ কৰ্তব্য পালন কৰি গৈছে তেওঁলোকেই মানুহৰ আচল সম্পদ।




ইয়াৰ পিছত টি.আই. এফ. আৰ.ত লেখকে দুবছৰমান চাকৰি কৰি, আমেৰিকা যোৱাৰ সুযোগ পালে, আকৌ জি.আৰ.ই. পৰীক্ষা দি পুনৰ ডক্টৰেট কৰিবলৈ আমেৰিকালৈ যায়।

ফিউজ হোৱাত কিনিবলৈ টকা নাছিল। ৰাতি হ'লেই কিতাপ পঢ়িবলৈ নাপাম বুলি ভাবিয়েই এই কামটো কৰিছিল। তাৰ পিছত তেওঁ ভবাতকৈয়ো ভালকৈ ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ ভিতৰত প্ৰথম বিভাগৰ দ্বিতীয় স্থান পাই স্নাতক ডিগ্ৰী সম্পূৰ্ণ কৰে। তেওঁৰ ৰিজাল্টেই আছিল দৰিদ্ৰতাৰ একমাত্ৰ অস্ত্ৰ। সেইদৰেই এদিন গুৱাহাটী বিশ্ববিদ্যালয়ত স্নাতকোত্তৰৰ কাৰণে আহিল। ঘৰৰ মানুহে ফটিকা বেছি হ'লেও পঢ়ালে। তাৰ পিছত নেট পাছ কৰিলে, চি. এচ.আই. আৰ.ৰ জুনিয়ৰ ফেলশ্বিপ পালে, পুনে এন.চি.এইচ.ত ডক্টৰেট কৰিবলৈ গ'ল। ইয়াৰ পিছত টি.আই. এফ. আৰ.ত লেখকে দুবছৰমান চাকৰি কৰি, আমেৰিকা যোৱাৰ সুযোগ পালে, আকৌ জি.আৰ.ই. পৰীক্ষা দি পুনৰ ডক্টৰেট কৰিবলৈ আমেৰিকালৈ যায়। সাধনা আৰু ভাগ্যই মানুহক বহুত ওপৰলৈ উত্তোলিত কৰিব পাৰে।

গ্ৰন্থৰ সামৰণি পৰ্বত কোৱা হৈছে যে যিমান চেষ্টা কৰিলেও বেছি ওপৰলৈ উৰিব নোৱাৰে বুলি মত পোষণ কৰা লোকসকলে শেষৰ সময়ত যেতিয়া তেওঁ আমেৰিকাত থাকিবলৈ লয়, তেতিয়া যেতিয়াই ওপৰেদি উৰা জাহাজ যায়, তেতিয়া গাঁৱৰ ল'ৰা-ছোৱালীক মানুহে কয় যে চা, তহঁতৰ ৰুবুল ককাইদেউ উৰিছে, গতিকে তহঁতেও ভালকৈ পঢ় এদিন, ৰুবুল ককাইদেউৰ দৰে উৰিব পাৰিব।

**মোৰ মন্তব্য ঃ** ড° ৰুবুল মাউতৰ দৰে মোৰো এটা সপোন আছে। গ্ৰন্থখন পঢ়ি মই যথেষ্ট আকৰ্ষিত হৈছোঁ। আকৰ্ষিত হোৱাৰ কাৰণটো হ'ল গ্ৰন্থৰ নামটো। কিয়নো প্ৰতিজন মানুহৰ একোটা নিজস্ব সপোন থাকে আৰু সেই সপোনৰ আলমতেই আমি আমাৰ জীৱনটোক সজাবলৈ যত্ন কৰোঁ। জীৱনটোক সুন্দৰকৈ সজাই তুলিব পৰাতো এটা কলা। যদিও জীৱনৰ বাটত কেতিয়াবা বহুতো বাধাৰ সন্মুখীন হ'বলগা হয় আৰু সেই বাধাক নেওচি আগুৱাই যাব পৰাজনেই একোজন সবল ব্যক্তি। ●

# বিষয় ঃ নাৰী সবলীকৰণ

**মেহেৰুণ নেচা, চৰমিলী আহমেদ, চামিনা বেগম, জিণ্টী মালাকাৰ, ছপিকুল ইছলাম, ৰশ্মি বৰ্মন, ৰাহুল মালী, জামাত আলী মণ্ডল**

স্নাতক ষষ্ঠ ষাণ্মাসিক, ৰাজনীতি বিজ্ঞান বিভাগ



নাৰী সবলীকৰণৰ বিষয়টো সততে বিভিন্ন মহলত, বিভিন্ন আলোচনা চক্ৰত তথা গৱেষণা পত্ৰত ঠাই পোৱা দেখা যায়। ইয়াৰ অৰ্থ এইটোৱে যে নাৰী সবলীকৰণ বিষয়টোৱে বৰ্তমান যথেষ্ট তাৎপৰ্য বহন কৰি আহিছে। শিক্ষা, কৰ্মক্ষেত্ৰ, ৰাজনৈতিক সচেতনতা, ৰাজনীতিত অংশ গ্ৰহণ, আৰ্থিক স্বাৱলম্বিতা ইত্যাদি বিভিন্ন ক্ষেত্ৰত নাৰীসকলৰ ইতিবাচক পৰিৱৰ্তন দেখা যায় যদিও এতিয়াও নাৰীজনিত বিভিন্ন সমস্যা যেনে—গাৰ্হস্থ্য হিংসা, ধৰ্ষণ, যৌতুকজনিত হিংসা, পুষ্টিহীনতা, শিক্ষাৰ ক্ষেত্ৰত লিংগ বৈষম্য, কৰ্মক্ষেত্ৰত লিংগ বৈষম্য ইত্যাদি সম্পূৰ্ণৰূপে সমাধান হোৱা নাই।

নাৰীসকলৰ আৰ্থ-সামাজিক অৱস্থিতিৰ অধ্যয়নৰ উদ্দেশ্যে সাপটগ্ৰাম মহাবিদ্যালয়ৰ ৰাজনীতি বিজ্ঞান বিভাগে কোক্‌ৰাঝাৰ জিলাৰ উষাতাৰী গাঁৱলৈ যোৱাৰ পৰিকল্পনা কৰিছিল। সেই পৰিকল্পনা অনুসৰি যোৱা ডিচেম্বৰ মাহত পঞ্চম যাণ্মাসিকৰ আঠগৰাকী ছাত্ৰ-ছাত্ৰী ক্ৰমে মেহেৰুণ, চৰমিলী, জিণ্টী, ৰশ্মি, চামিনা, জামাত, ৰাহুল আৰু ছপিকুলৰ সহায়ত এক ক্ষেত্ৰভিত্তিক অধ্যয়ন সম্পন্ন কৰা হয়। উষাতাৰী গাঁৱৰ মুঠ জনসংখ্যা ২৫৭০ আৰু তাৰ ১২৪৭ গৰাকী পুৰুষ আৰু ১২৮১ গৰাকী মহিলা। গাঁৱখনৰ শিক্ষিতৰ শতকৰা হাৰ ৬৫%, মহিলা শিক্ষাৰ হাৰ ৩১% হোৱাৰ বিপৰীতে পুৰুষৰ শিক্ষাৰ হাৰ ৩৪%। ক্ষেত্ৰ অধ্যয়নৰ মূল উদ্দেশ্য আছিল সেই গাঁৱৰ মহিলাসকলৰ লগত কথা-বতৰা পাতি তেওঁলোকৰ চিন্তা তথা মতামতৰ বিষয়ে জনা।

প্ৰাপ্তবয়স্ক কিছুসংখ্যক মহিলাই দ্বিতীয় শ্ৰেণী তথা আন কিছুসংখ্যক কেৱল অষ্টম, নৱম শ্ৰেণীলৈকে শিক্ষা গ্ৰহণ কৰিছে। পৰিয়ালৰ আৰ্থিক দুৰ্বলতা তথা নাৰী শিক্ষাৰ ক্ষেত্ৰত অসচেতন মনোবৃত্তিৰ বাবেই পঢ়া-শুনাৰ পৰা বঞ্চিত হোৱা বুলি বহুতেই বৰ আক্ষেপেৰে প্ৰকাশ কৰে। সেয়েহে তেওঁলোকে নিজৰ ছোৱালী সন্তানক পঢ়ুৱাইছে। নাৰী শিক্ষাৰ প্ৰয়োজনীয়তাৰ কথা উপলব্ধি কৰিয়ে তেওঁলোকে নিজৰ সন্তানসমূহৰ মাজত কোনো



পৰিয়ালৰ আৰ্থিক দুৰ্বলতা তথা নাৰী শিক্ষাৰ ক্ষেত্ৰত অসচেতন মনোবৃত্তিৰ বাবেই পঢ়া-শুনাৰ পৰা বঞ্চিত হোৱা বুলি বহুতেই বৰ আক্ষেপেৰে প্ৰকাশ কৰে।

পাৰ্থক্য নাৰাখি ল'ৰা-ছোৱালী উভয়কে সাধ্যানুসৰি কষ্ট কৰি পঢ়ুৱাইছে। নাৰী শিক্ষাৰ গুৰুত্ব কিমান সেই কথাৰ উত্তৰত সেয়েহে কৈছে বৰ্তমান যুগ শিক্ষাৰ যুগ। সকলো ক্ষেত্ৰত শিক্ষা বাঞ্ছনীয়। শিক্ষা অবিহনে জীৱন অচল। শিক্ষা অবিহনে স্বাৱলম্বী হ'ব নোৱাৰি। নাৰীসকলে ভালকৈ শিক্ষা লাভ কৰি ভাল কামত নিয়োগ হৈ জীৱন গঢ় দিব পাৰে। কিন্তু পৰিয়ালৰ আৰ্থিক দুৰ্বলতাৰ বাবে নিজ সন্তানক পঢ়া-শুনা কৰিবলৈ পৰ্যাপ্ত সুবিধা কৰি দিব নোৱাৰাৰ বাবেও তেওঁলোকে দুখ প্ৰকাশ কৰে। লগতে এই কথাও স্বীকাৰ কৰে যে প্ৰয়োজনীয় শিক্ষা তেওঁলোকে আহৰণ কৰিব পৰা হ'লে অন্ততঃ তেওঁলোকে টিপ্‌চহীৰ সলনি স্বাক্ষৰ কৰিব পাৰিলে হয়। সেয়েহে তেওঁলোকে চৰকাৰৰ সৰ্বশিক্ষা অভিযানক সমৰ্থন কৰে য'ত সকলো শিশুৱে শিক্ষা লাভ কৰাৰ সুযোগ লাভ কৰিছে।

শ্ৰমজীৱী গাঁওখনৰ মহিলাসকলে ঘৰৰ কাম কৰাৰ উপৰি কিছুসংখ্যক মানুহৰ ঘৰত দিন হাজিৰা কৰে, কিছুমানে ছুপাৰি উদ্যোগ ইত্যাদিত কাম কৰে, কেতিয়াবা কোনো কোনোৱে বাট-পথ নিৰ্মাণৰ কাৰ্যত জড়িত হয়, তথা কিছুসংখ্যকে কৃষি কাৰ্যতো জড়িত হয়। যিহেতু এনেবোৰ কামত নিয়মীয়াকৈ নিয়োজিত হৈ থকাৰ সুবিধা নাই, সেয়েহে পৰিয়ালৰ আৰ্থিক দিশত অলপ টনিকিয়াল কৰিবলৈ সন্মুখত

যি কাম কৰাৰ সুবিধা লাভ কৰে, সেই কামতে নিয়োজিত হয়। কাৰণ, একেবাৰে ন্যূনতম পৰিয়ালৰ মাহিলী উপাৰ্জনৰে তেওঁলোকে বহুতো প্ৰয়োজন পূৰাব নোৱাৰে। সন্তানক ভাল বিদ্যালয়ত নামভৰ্তি কৰাব নোৱাৰে। দুবেলা দুমুঠি পৰ্যাপ্ত পৰিমাণে খাদ্য গ্ৰহণৰ পৰা তেওঁলোক বঞ্চিত হয়। এনে পৰিস্থিতিত মহিলাসকলে নিজৰ বাবে পুষ্টিকৰ খাদ্য নিয়মিতভাৱে গ্ৰহণ কৰাৰ কথা চিন্তা কৰিব নোৱাৰে। পৰিয়ালৰ আন সদস্যৰ খোৱা-বোৱাৰ কথা চিন্তা কৰি নিজৰ প্ৰয়োজনীয় পুষ্টিৰ কথা চিন্তা কৰিবলৈ তেওঁলোকে পাহৰি যায়।

ৰাজনীতি সম্পৰ্কে গৰিষ্ঠসংখ্যকৰ ন্যূনতম জ্ঞান আছে। প্ৰায়সংখ্যকৰ ক্ষেত্ৰত ৰাজনীতি সম্পৰ্কে এক নেতিবাচক মনোভাৱ থকা দেখা গ'ল। ৰাজনীতি তেওঁলোকে ভাল নাপায়। তেওঁলোকৰ মতে ৰাজনীতি বেয়া আৰু ই পইচা থকা মানুহৰহে খেল। নিজৰ স্বাৰ্থ সিদ্ধিৰ বাবেই মানুহে ৰাজনীতি কৰে। ৰাজনীতিত দুখীয়া মানুহ সদায় ভুক্তভোগী হয়। ৰাজনীতিৰ জৰিয়তে এজনে আনজনক ক্ষতি কৰিব বিচাৰে। বহুতৰে মতে চৰকাৰে জনসাধাৰণে পাবলগীয়া সকলো সা-সুবিধাৰ ব্যৱস্থা কৰি দিয়াই হৈছে ৰাজনীতি। কিন্তু, পাবলগীয়াখিনি সময়মতে, সঠিকভাৱে চৰকাৰৰ পৰা নোপোৱাৰ বাবেই তেওঁলোকে ৰাজনীতি বেয়া বুলি ক'ব খোজে। ৰাজনীতিত দুৰ্নীতি, কেলেংকাৰী ইত্যাদিৰ প্ৰভাৱ বেছি বাবেই তেওঁলোকৰ ৰাজনীতিৰ ওপৰত আস্থা কম বুলি তেওঁলোকে প্ৰকাশ কৰে। নিৰ্বাচনত ভোটদান কৰাৰ ক্ষেত্ৰতো বহুতো মহিলাই কয় যে নিৰ্বাচনৰ সময়ত মানুহে বিভিন্ন দল তথা নেতাৰ কথা কয়, বয় বস্তু, সা-সুবিধা লাভ কৰাৰ কথা কয়, কিন্তু সময়ত গৈ তেওঁলোকে একো লাভ নকৰে। সেইবাবে নিজৰ ভোট নিজৰ পছন্দৰ ভিত্তিত দল বা নেতাক কোনো আকাংক্ষা নথকাকৈ সাব্যস্ত কৰে। এই ক্ষেত্ৰত অন্ততঃ ক'ব পাৰি তেওঁলোকে স্বাধীনভাৱে, ঘৰৰ মুৰব্বী বা পুৰুষজনৰ নিৰ্দেশত বা ইচ্ছাত নহয়, নিজৰ ইচ্ছাত ভোটদান কৰে। আকৌ চৰকাৰী আঁচনিসমূহৰ ভিতৰত কিছুসংখ্যকে কেৱল শৌচাগাৰ আৰু ৰন্ধন গেছৰহে সুবিধা লাভ কৰিছে। আন কিছুমানৰ মতে, মধ্যভোগীসকলে তেওঁলোকৰ আঁচনিসমূহৰ বাবে প্ৰ-পত্ৰসমূহ পূৰণ কৰি দিম বুলি গৈ পাছত কোনো যোগাযোগ নকৰে। অনগ্ৰসৰতা, নীৰক্ষৰতাৰ বাবে তেওঁলোকে সততে এনে প্ৰৱঞ্চনাৰ সন্মুখীন হয় বুলি ক'ব খোজে।

শিক্ষা, আৰ্থিক স্বাৱলম্বিতা, ৰাজনৈতিক সচেতনতা ইত্যাদিয়ে নাৰী সৱলীকৰণৰ আধাৰ। নাৰী শিক্ষাৰ বিভিন্ন আঁচনি যেনে—বেটী বচাও বেটী পঢ়াও ইত্যাদিয়ে কিমান ফলপ্ৰসূ হৈছে সেয়া উনুকিয়াই চোৱাৰো যথেষ্ট থল আছে। তদুপৰি শাৰীৰিক দিশতো দেখা যায়, বহুতো মহিলাই মাতৃত্ব অৰ্জনৰ সময়ছোৱাত পুষ্টিহীনতাত ভোগে, যাৰ ফলত জন্ম হোৱা শিশুটিও পুষ্টিহীনতাত ভোগা দেখা যায়। এইখিনিতে উল্লেখ কৰিব পাৰি, National Family Health Survey 2019-20 ৰ তথ্য অনুসৰি, অসমৰ নগৰাঞ্চলৰ মহিলাৰ শিক্ষিত হাৰ ৮৬.০% আৰু গ্ৰাম্যাঞ্চলৰ মহিলা শিক্ষিত হাৰ ৭৩.২%। ৰাজ্যৰ গ্ৰাম্যাঞ্চলৰ মহিলা শিক্ষিতৰ হাৰৰ বিপৰীতে উযাতাৰী গাঁৱৰ মহিলা শিক্ষিতৰ হাৰ আৰম্ভণিতে উল্লেখ কৰা মতে যথেষ্ট কম। গতিকে, এইক্ষেত্ৰত কৰ্তৃত্বই সামূহিক উন্নয়নৰ লগতে বিশেষ অঞ্চলৰ বিশেষ সমস্যাসমূহৰ তদাৰক কৰি যাৱতীয় ব্যৱস্থা কৰিলে গাঁওখনৰ লগতে ৰাজ্যখনো লাভান্বিত হ'ব। শিক্ষাৰ মান উন্নত কৰিব পাৰিলে নিজৰ জীৱনৰ সিদ্ধান্ত গ্ৰহণ, নিজৰ অধিকাৰ সাব্যস্ত কৰা, নিজৰ পছন্দ অনুসৰি কাম কৰা ইত্যাদি ক্ষেত্ৰত মহিলাসকলে বহু পৰিমাণে সবল স্থিতি গ্ৰহণ কৰিব পাৰিব। ●

# Socio-Economic Conditions of the People of Border Area of South Salmara-Mankachar District

**Dr. Abu Zafar Ahmed**
Asst. Professor
Dept. of Philosophy

**Abstract:**

South Salmara-Mankachar district is located in the western part of Assam. The mighty Brahmaputra flows through this district and the international boundary of India and Bangladesh also lies in the west of this district. In the 21st century, though the poverty level has gradually been decreasing in the world, the scenario of poverty in the border area of South Salmara-Mankachar district is still prevalent. Since 1998 till the present day the mighty river Brahmaputra has been devastating all the landed property of these vast areas. Most of the riverine inhabitants of the border areas are homeless. The main source of livelihood of these people are agriculture, rearing of domestic animal, fishing etc., but owing to devastating calamities and river erosions they are now landless and leading to lives of miseries. Some of them are starving for food and some of them migrated to other places like Kharuabanda, Manullapara, Mankachar, Hatshingimari, Hallydayganj (Meghalaya), Dhubri etc. Some of the youths as well as elders of these areas moved to Guwahati, Dibrugarh, Shillong, Nongal, Dimapur etc. in search of work as labourers, carpenter, vendor, rickshawala, thelawala, bus driver etc. and sometimes they were beaten mercilessly by those urban people and police if they fail to produce their identity proof. Thus this paper is going to highlight the socio-economic and cultural conditions of the people in the border areas of South Salmara-Mankachar district.

*Keywords: Border area, landless, homeless, river erosion, riverine inhabitants.*



**Introduction:**

Most of the people of border areas of South Salmara-Mankachar district live in Char-Chapori and they are known as "the Charua People". This chorua people are known as the most downtrodden and needy community in the district of South Salmara-Mankachar as well as the border district of Assam and Bangladesh. The total area of this district is 568 sq. km. and it has a population of 555,114 as per the census report of 2011. This district is bounded by both the interstate and international border; Bangladesh in the West, Dhubri and Goalpara districts of Assam in the North and the state of Meghalaya in the East and South.

